www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এলাহ মানুহৰ বাবে অভিশাপ। এলাহে ব্যক্তিৰ আৰু জাতিৰ অন্তঃসত্ত্ৱা নাইকিয়া কৰে আৰু লোহাত মামৰে ধৰাৰ দৰে ব্যক্তি আৰু জাতিৰো ক্ষতি কৰে। - চেমুৱেল স্মাইলছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ১১৪ ❑ বুধবাৰ ❑ ২৮ জানুৱাৰী, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 114 ❑ Wednesday ❑ 28th January, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ চৰাইদেউৰ মাহমৰাৰ জনসভাত কংগ্ৰেছ সভাপতি গৰাকীক আক্ৰমণ মুখ্যমন্ত্ৰীৰ ■

# SIR আহিলে কৰ্তন হ'ব ৪-৫ লাখ মিঞা ভোট

## ৰাজনীতিত সক্ৰিয় নাথাকিলে গৌৰৱ গগৈ এতিয়ালৈকে বিদেশী হৈ গ'লেহেঁতেন ঃ মুখ্যমন্ত্ৰী

**অসম বাৰ্তা, মাহমৰা, ২৭ জানুৱাৰী ঃ** প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈক লৈ মঙলবাৰে পুনৰ সৰৱ হ'ল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। চৰাইদেউ জিলাৰ মাহমৰাত অনুষ্ঠিত এক জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক লক্ষ্য কৰি তীব্ৰ ভাষাৰে কটাক্ষ কৰে। বিশেষকৈ ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত গৌৰৱ গগৈৰ অনুপস্থিতিক লৈ ৰাজ্যৰ ৰাজনীতিত যি প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল, সেই প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে পুনৰ বিষয়টোত মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনসভাত কয় যে, "২৬ জানুৱাৰী হওক বা ১৫ আগষ্ট- এই দুটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় দিৱসত গৌৰৱ গগৈক অসমত দেখা নাযায়। এইবাৰেই নহয়, পূৰ্বেও তেওঁ এই দিৱসসমূহত অসমৰ কোনো চৰকাৰী বা ৰাজহুৱা কাৰ্যসূচীত অংশ লোৱা নাই।" তেওঁ লগতে কয়, "ৰাজনীতিত নথকা হ'লে গৌৰৱ গগৈ এতিয়ালৈকে বিদেশী হৈ গ'লেহেঁতেন।" মুখ্যমন্ত্ৰীৰ এই মন্তব্যক লৈ পুনৰ ৰাজ্যৰ ৰাজনৈতিক ■ ৬ পৃষ্ঠাত



অৰ্থনৈতিক সংকট আৰু বৃহৎ ঋণৰ মাজতে চতুৰ্থ বাসভৱন নিৰ্মাণৰ সিদ্ধান্তক লৈ প্ৰশ্নৰ সন্মুখীন চৰকাৰ

## আমিনগাঁৱত মুখ্যমন্ত্ৰীৰ বাবে ৯.৫১ কোটি টকীয়া নতুন চৰকাৰী বাসভৱন; ৰাজ্যজুৰি বিতৰ্ক

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাবে উত্তৰ গুৱাহাটীৰ আমিনগাঁৱত ৯ কোটি ৫১ লাখ টকা ব্যয়েৰে নতুন চৰকাৰী ■ ৬ পৃষ্ঠাত

■ ৰহমপুৰৰ পৰা বৰঘোল অভিমুখী নাও ডুবিল সোঁতৰ কবলত ■

উদ্ধাৰ অভিযানত নামিল এছ ডি আৰ এফ-এন ডি আৰ এফ; জীৱন ৰক্ষাকাৰী জেকেট নথকাৰ অভিযোগ

## বৰপেটাত ভয়ংকৰ নাও দুৰ্ঘটনা; ৪ শিশুসহ ছজন যাত্ৰী নিৰুদ্দেশ



**অসম বাৰ্তা, বৰপেটা, ২৭ জানুৱাৰী ঃ** বৰপেটা জিলাৰ ৰহমপুৰ অঞ্চলত ব্ৰহ্মপুত্ৰ নদীত মঙলবাৰে সংঘটিত এক ভয়ংকৰ নাও দুৰ্ঘটনাই সমগ্ৰ অঞ্চলটোত শোক আৰু আতংকৰ পৰিবেশ সৃষ্টি ■ ৬ পৃষ্ঠাত

আসনৰ ভাগ বাটোৱাৰা নোহোৱাৰ বাবে বহু সমষ্টিক লৈ বিভ্ৰান্তিত ৰাইজৰ দলৰ নেতৃত্ব

## বিৰোধী ঐক্যমঞ্চত কংগ্ৰেছৰ স্থিতিত সন্তুষ্ট নহয় ৰাইজৰ দল

উজনি, নামনি, মধ্য, বৰাক, বিটিএডি সকলোতে আসন পোৱাকৈ ৰাইজৰ দলক কংগ্ৰেছে এৰি দিব লাগিব সমষ্টি




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিৰোধী ঐক্য অধিক শক্তিশালী কৰাৰ দাবী পুনৰ উত্থাপন কৰিছে ৰাইজৰ দলে। উজনি অসম, ■ ৬ পৃষ্ঠাত

কেবিনেটত প্ৰদৰ্শন গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ পাৱাৰ পইণ্ট প্ৰেজেণ্টেশ্যন

## ৮ ফেব্ৰুৱাৰীত ফাদিল হ'ব গৌৰৱ গগৈৰ পাকিস্তান লিংকৰ তথ্য



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** প্ৰদেশ কংগ্ৰেছ সভাপতি তথা লোকসভাৰ সাংসদ গৌৰৱ গগৈৰ কথিত পাকিস্তান লিংক ■ ৬ পৃষ্ঠাত

বিগত সময়ত দিয়া মৰমৰ বাবে শুভাকাংক্ষীলৈ কৃতজ্ঞতা

## নেপথ্য সংগীতত কণ্ঠদান নকৰে অৰিজিৎ সিঙে; সামাজিক মাধ্যমত ঘোষণা জনপ্ৰিয় কণ্ঠশিল্পীজনৰ



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** বলিউডৰ জনপ্ৰিয় কণ্ঠশিল্পী আৰিজিত সিঙে নেপথ্য কণ্ঠশিল্পী হিচাপে নতুন কোনো কাম নকৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। সামাজিক মাধ্যমত আবেগিক বাৰ্তা এটাৰ জৰিয়তে তেওঁ এই কথা জানিবলৈ দিয়া হৈছে। এই ঘোষণাই সংগীতপ্ৰেমীৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰিজিত সিঙে ছ'চিয়েল মিডিয়াত এটা বাৰ্তা শ্বেয়াৰ ■ ৬ পৃষ্ঠাত

দুয়োখন সদন সুচাৰুৰূপে পৰিচালনাৰ আহ্বান

## বাজেট অধিৱেশনৰ পূৰ্বে সংসদত সৰ্বদলীয় বৈঠক

বিৰোধীয়ে উত্থাপন কৰিব একাধিক জনস্বাৰ্থমূলক বিষয়

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** সংসদৰ বাজেট অধিৱেশন আৰম্ভ হোৱাৰ এদিন পূৰ্বে মঙলবাৰে সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত লোকসভা আৰু ৰাজ্যসভাৰ কাম- ■ ৬ পৃষ্ঠাত



ডিমৰীয়াত বিজেপিৰ 'চোতাল বৈঠক'ত কংগ্ৰেছ, ৰাহুল গান্ধী আৰু অখিল গগৈক লৈ তীব্ৰ মন্তব্য ৰাজ্যিক বিজেপি সভাপতি গৰাকীৰ

## জাপি-টুপীৰ পাৰ্থক্য নুবুজা নেতাৰ পৰা অসমীয়া সংস্কৃতিৰ সন্মান আশা কৰিব নোৱাৰি ঃ দিলীপ শইকীয়া



**অসম বাৰ্তা, ডিমৰীয়া, ২৭ জানুৱাৰী ঃ** গুৱাহাটী মহানগৰ বিজেপিৰ কৃষক মৰ্চাৰ উদ্যোগত ডিমৰীয়া মণ্ডলৰ খালৈবাৰীত অনুষ্ঠিত এক বিশেষ "চোতাল বৈঠক"ত অংশগ্ৰহণ কৰি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কংগ্ৰেছ দল, বিৰোধী নেতা অখিল গগৈ ■ ৬ পৃষ্ঠাত

■ অবৈধ বাংলাদেশীৰ নাম কৰ্তন হওক, কিন্তু সমস্যাত নপৰক খিলঞ্জীয়া লোক ■ মুখ্য নিৰ্বাচনী বিষয়ালৈ ছাত্ৰ সন্থাৰ আবেদন

## ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ দাবীত আছুৰ দাবী পত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** অসমৰ ভোটাৰ তালিকাৰ পৰা অবৈধ বাংলাদেশীৰ নাম কৰ্তন কৰিবলৈ সকলো ধৰণৰ কঠোৰ আৰু আইনগত ব্যৱস্থা গ্ৰহণ ■ ৬ পৃষ্ঠাত

❑ বোকাখাতত ১৭ হাজাৰ শ্ৰমিকলৈ 'এটি কলি দুটি পাত' আঁচনি ❑


## নিৰ্বাচন আহিলেই অখিল গগৈয়ে বেছি কথা ক'বলৈ আৰম্ভ কৰে ঃ অতুল বৰা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** নিৰ্বাচনৰ সময় আহিলেই ৰাইজৰ মাজত আলোচনাৰ কেন্দ্ৰবিন্দু হ'বলৈ অখিল গগৈয়ে অধিক মন্তব্য কৰা আৰম্ভ কৰে বুলি অভিযোগ উত্থাপন কৰে বোকাখাতৰ ■ ৬ পৃষ্ঠাত

## গুৱাহাটীত উপস্থিত বিশ্ব হিন্দু পৰিষদৰ নেতা প্ৰবীন ভাই টোগাৰীয়া

দহ বছৰৰ ভিতৰত অসমত ৰাজনৈতিক পৰিৱৰ্তনৰ আশংকা




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ জানুৱাৰী ঃ** আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদৰ সভাপতি প্ৰবীণ ভাই টোগাড়িয়া মঙলবাৰে প্ৰায় এসপ্তাহজোৰা কাৰ্যসূচীৰে অসমত উপস্থিত হয়। ৰাজ্যখনৰ বিভিন্ন জিলালৈ গৈ হিন্দু সনাতনী সমাজৰ লোক- ■ ৬ পৃষ্ঠাত

কংগ্ৰেছৰ অভিযোগ, বিজেপিৰ প্ৰত্যুত্তৰ

## পদ্ম বঁটাক লৈ বিতৰ্ক ! নিৰ্বাচনমুখী ৰাজ্যক অগ্ৰাধিকাৰৰ অভিযোগ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰে সোমবাৰে ২০২৬ বৰ্ষৰ পদ্ম বঁটাৰ তালিকা ঘোষণা কৰাৰ এদিন পিছতেই দেশৰ ■ ৬ পৃষ্ঠাত





**৭৭ সংখ্যক গণৰাজ্য দিৱসত ৰাষ্ট্ৰীয় পতাকা উন্মোচন মন্ত্ৰী ৰূপেশ গোৱালাৰ**

# ডুমডুমা সমজিলা গঠনৰ পাছত প্ৰথমবাৰৰ বাবে গণৰাজ্য দিৱসৰ চৰকাৰী কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ মন্ত্ৰীয়ে উন্মোচন কৰিলে ৰাষ্ট্ৰীয় পতাকা



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৭ জানুৱাৰী ঃ** ডুমডুমা সমজিলা প্ৰশাসনৰ উদ্যোগত ৭৭ সংখ্যক গণৰাজ্য দিৱস উলহ মালহেৰে ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত কৰা হয়। ডুমডুমা সমজিলা গঠনৰ পাছত প্ৰথমবাৰৰ বাবে ডুমডুমাত গণৰাজ্য দিৱসৰ চৰকাৰী কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ এগৰাকী কেবিনেট মন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পুৱাতে প্ৰভাত ফেৰীৰে দিনটোৰ কাৰ্যসূচী আৰম্ভ হয়। নগৰ খেলপথাৰত মূল কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পূৰ্বে মুখ্য অতিথি তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা আৰু ডুমডুমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ আব্দুল কাদিৰে ডুমডুমা নগৰৰ মাজমজিয়াত অৱস্থিত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে। ইয়াৰ পাছতেই ডুমডুমা নগৰ খেলপথাৰত অনুষ্ঠিত মূল অনুষ্ঠানত মন্ত্ৰী গোৱালাই শ্বহীদ স্মাৰকত শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতেই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি অসম আৰক্ষী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ, আদিৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে মন্ত্ৰী ৰূপেশ গোৱালাই। গণৰাজ্য দিৱসৰ পেৰেডৰ নেতৃত্ব দিয়ে অসম আৰক্ষীৰ উপ পৰিদৰ্শক ঋছমিতা শইকীয়াই। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী গোৱালাই ভাৰতীয় সংবিধানৰ মৰ্যাদা, গণতান্ত্ৰিক মূল্যবোধ আৰু অঞ্চলটোৰ উন্নয়নমূলক কামকাজৰ বিষয়ে আলোকপাত কৰে। লগতে অসমত শান্তি আৰু সম্প্ৰীতি বজাই ৰাখি সকলো জনগোষ্ঠীৰ সৰ্বাংগীণ উন্নয়নৰ বাবে চৰকাৰৰ সংকল্পৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দেশভক্তিমূলক সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। বিভিন্ন বিদ্যালয় আৰু বিভাগৰ পেৰেড দলসমূহে শৃংখলা আৰু সমৰ্পণৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। অনুষ্ঠানৰ অন্তত পেৰেডত অংশগ্ৰহণ কৰা দলসমূহৰ মাজৰ পৰা প্ৰথম তিনিটা স্থান লাভ কৰা দলক পুৰস্কৃত কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে ডুমডুমা পৌৰসভাৰ পাৰিষদ তথা সাংস্কৃতিক কৰ্মী নয়ন ডেকাই। এই অনুষ্ঠানত ডুমডুমা সমজিলাৰ আয়ুক্ত নুজহাৎ নাছৰিন, সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্ত, সহকাৰী আয়ুক্ত সুদীপ গগৈ আৰু কৃতাৰ্থ নেওগ, সমজিলা উপ-আৰক্ষী অধীক্ষক মুকুট পাটোৱাৰী, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়া, ভাৰতী বৰা, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যসহ বহু বিশিষ্ট ব্যক্তি আৰু নাগৰিক উপস্থিত থাকে। এই অনুষ্ঠানতে ভাৰতীয় সেনাৰ দ্বাৰা সামৰিক অস্ত্ৰৰ এক প্ৰদৰ্শনীও আয়োজন কৰে। আনহাতে, ডুমডুমা প্ৰেছ ক্লাবতো গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। ক্লাবৰ সাংবাদিকসকলৰ উপস্থিতিত ক্লাবৰ সভাপতি মনোজ দত্তই ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। ডুমডুমা আৰক্ষী থানাৰ থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সভাপতি বিনোদ তাঁতীয়ে গণৰাজ্য দিৱস উপলক্ষে ডুমডুমা আৰক্ষী থানাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। অনুষ্ঠানত আৰক্ষী থানাৰ বিষয়া-জোৱানসকলৰ উপৰিও সমিতিৰ সদস্য অভিজিৎ খাটনিয়াৰেও অংশগ্ৰহণ কৰে। ইপিনে তিনিচুকীয়াৰ ল'ৰাৰ আই. টি. আই. খেলপথাৰত অনুষ্ঠিত গণৰাজ্য দিৱসৰ চৰকাৰী কাৰ্যসূচীত মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰাৰ লগতে কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰে। আনহাতে, তিনিচুকীয়া জিলাৰ শদিয়া, মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমজিলাতো উলহ মালহেৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়।

**কৈশোৰ কালতে শিশুসকলক ধৰ্মীয় জ্ঞান দিয়াৰ প্ৰয়োজন ঃ মাধৱ দেৱ মহন্ত**

# শ্ৰীশ্ৰীগোপীনাথ নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা-সমূহীয়া যুগল প্ৰসঙ্গৰ ৰূপালী জয়ন্তীৰ সামৰণি



**অসম বাৰ্তা, বাঁহজানী, ২৭ জানুৱাৰী ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চৰিত পুথি পঢ়িব নোৱাৰা কাৰণে আজি সমাজত লোকাচাৰ বৃদ্ধি পাইছে। শংকৰদেৱৰ জীৱনী চৰিত মূলত পাঁচখন। যিটো সময়ত ধৰ্মৰ নামত অনাচাৰ, অত্যাচাৰ, জাত-পাত, সদাচাৰ, ৰীতি-নীতিৰ সমল নাছিল, সেইসময়তে সমাজখনক বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত একত্ৰিত কৰি সংস্কাৰধৰ্মী কৰিছিল মহাপুৰুষ শংকৰদেৱে আৰু তেওঁ ধৰ্মৰ মাধ্যমেৰে সকলোকে একেলগ কৰিছিল। এই বক্তব্য কোচবিহাৰ (পশ্চিমবঙ্গ)ৰ শ্ৰীশ্ৰীমধুপুৰ ধাম সত্ৰৰ ডেকা সত্ৰাধিকাৰ মাধৱ দেৱ মহন্তৰ। নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত ক্ষুদ্ৰশংকৰা (১ নং ডেকাৰবাৰী) গাঁৱৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীগোপীনাথ নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা আৰু উদ্‌যাপন কৰি অহা সমূহীয়া যুগল প্ৰসঙ্গৰ এইবেলি ২৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে যোৱা ২৪ জানুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ৰূপালী জয়ন্তী উৎসৱৰ কালি ২৭ জানুৱাৰী সোমবাৰে আবেলি ৫ বজাৰ পৰা উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি অমূল্য কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনা সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভাষণত ডেকা সত্ৰাধিকাৰ মহন্তই নতুন প্ৰজন্মক উদ্দেশ্যে কয় যে, নতুন প্ৰজন্মই শংকৰদেৱৰ গুৰুজনাৰ কলা-সংস্কৃতি ধৰি ৰাখিব লাগিব। কৈশোৰ কালতে শিশুসকলক ধৰ্মীয় জ্ঞান দিয়াৰ প্ৰয়োজন। ধৰ্মীয় জ্ঞানৰ সমান্তৰালকৈ আমি আইৰ মুখৰ ভাষাটোক ভাল পাওঁ। অন্য বেলেগৰ ভাষা আমি আঁকোৱালি লোৱাৰ প্ৰয়োজন নাই বুলি কয়। তেওঁ আৰু কয় পঢ়া টেবুলত এখন কীৰ্তন, নামঘোষা অভিভাৱক সকলে নিজৰ সন্তানক দিয়ক, তেতিয়াহে ধৰ্মৰ প্ৰতি নৱপ্ৰজন্ম আকৃষ্ট হ'ব। ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক গণেশ ডেকাৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা সভাখনত বিশিষ্ট অতিথি হিচাপে গুৱাহাটী প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ বসন্ত কুমাৰ বৈশ্যই অংশগ্ৰহণ কৰি ভাষণত কয় যে, প্ৰতিগৰাকী অসমীয়াৰ ৰন্ধ্ৰে ৰন্ধ্ৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ এতিয়াও বিৰাজমান হৈ আছে। সমাজখনক সু-সংগঠিত কৰিবলৈ শংকৰদেৱে আগভাগ লৈছিল। সম্প্ৰতি আজিৰ সমাজত ধৰ্মীয় অনুভূতি বৃদ্ধি হৈছে। আমি মানুহ হিচাপে জীয়াই থকাৰ মূল উদ্দেশ্য সমাজখনৰ প্ৰতি সহায়ক আৰু দায়িত্বশীল হব লাগিব বুলি তেওঁ কয়। এই সভাতে ৰূপালী জয়ন্তী উপলক্ষে সভাপতি মনোৰঞ্জন তালুকদাৰ আৰু সম্পাদক অৰ্জুন ডেকাৰ সম্পাদনাত মাণিক চন্দ্ৰ তালুকদাৰৰ সোঁৱৰণত প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ "গোপীনাথ" উন্মোচন কৰি কামৰূপ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° সঞ্জীৱ কুমাৰ গোস্বামীয়ে উন্মোচনী ভাষণত কয় যে, সেৱা কৰিবলৈ হলে আধ্যাত্মিক শুদ্ধতাৰ প্ৰয়োজন। বিষ্ণুৰ শ্ৰীচৰণত সমৰ্পিত হোৱাই বৈষ্ণৱ। পূজা যতেই নকৰো কিয় বিষ্ণুৰ শ্ৰীচৰণতেই সেয়া সমৰ্পিত হয়। পৃথিৱীত ধৰ্মৰ শুদ্ধতা যেতিয়া লোপ পাব তেতিয়াই এই পৃথিৱীখনো নহোৱা হ'ব। সেয়েহে আমি নিজেই নিজৰ ধৰ্মক ধৰি ৰাখিব লাগিব। সভাত নলবাৰী শ্বহীদ মুকুন্দ কাকতি চিকিৎসালয়ৰ স্বাস্থ্য বিষয়া ধ্ৰুৱজ্যোতি ডেকা আৰু বিশিষ্ট সমাজসেৱক বৰুন তালুকদাৰ উপস্থিত থাকি ভাষণ দিয়ে। তাৰপিছতে নিশা ৮ বজাৰ পৰা জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ধীৰাজ, নিকিতা কাশ্যপৰ লগতে কেবাগৰাকীও ন-পুৰণি শিল্পীৰ গীতৰ শৰাইৰে অনুষ্ঠিত হোৱা বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানটো উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক ৰাজু বৰুৱাই।

# চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ বিশিষ্ট সমাজসেৱক মাঘীৰাম শইকীয়াৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰিৰ ব্ৰহ্মচাৰী সত্ৰৰ নিবাসী তথা বিশিষ্ট সমাজসেৱক মাঘীৰাম শইকীয়া (৯৭)ৰ যোৱা ২৫ জানুৱাৰীৰ নিশা উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ নিজ বাসভৱনত মৃত্যু হয়। আৰক্ষী বিভাগ তথা নগাঁও কাৰাগাৰ বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰা মাঘীৰাম শইকীয়া অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান লগত জড়িত আছিল। ব্ৰহ্মচাৰী সত্ৰৰ পৰিচালনা সমিতিৰ লগত জড়িত থকাৰ লগতে সত্ৰৰ উৎসৱ সমূহত নিবিড়ভাৱে জড়িত আছিল। ব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰ পৰিচালনা সমিতিত দীৰ্ঘদিন ধৰি সভাপতিৰ পদ অলংকৃত কৰাৰ লগতে সত্ৰ আৰু শিৱ মন্দিৰৰ বিভিন্ন উন্নয়নমূলক কামৰ লগত মাঘীৰাম শইকীয়া জড়িত আছিল। বিশিষ্ট সমাজসেৱক গৰাকী আজি কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত আছিল যদিও কেইদিনমান পূৰ্বে উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ নগাঁৱত চিকিৎসাধীন অৱস্থাত আছিল। ২৫ জানুৱাৰীৰ নিশা সমাজসেৱক গৰাকীৰ মৃত্যু হয়। বিশিষ্ট সমাজসেৱক মাঘীৰাম শইকীয়াৰ মৃত্যুৰ সময়ত অঞ্চলৰ বহু গুণমুগ্ধ তেওঁৰ বাসভৱন উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। বিশিষ্ট সমাজকৰ্মী গৰাকীৰ মৃত্যুত ব্ৰহ্মচাৰী সত্ৰ পৰিচালনা সমিতি, ব্ৰহ্মচাৰী সত্ৰৰ শিৱ মন্দিৰ পৰিচালনা সমিতি, শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন সমিতি, বিশ্বম্ভৰ দেৱ পুথিভঁৰাল আৰু যুৱক সংঘৰ লগতে বৰমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈ, পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিণ্টু শৰ্মাকে ধৰি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, বোৱাৰী, জীয়ৰী আৰু নাতি-নাতিনীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। বিশিষ্ট সমাজসেৱক মাঘীৰাম শইকীয়া নিজ ভেলেউগুৰি গাঁও পঞ্চায়তৰ সভাপতি বীৰেন শইকীয়াৰ পিতৃ আছিল।

# দেৰগাঁও সাহিত্য সভা ভৱনত ৰয়েল এবাকাছৰ বাৰ্ষিক প্ৰমাণপত্ৰ আৰু বঁটা বিতৰণী অনুষ্ঠান



**অসম বাৰ্তা, দেৰগাঁও, ২৭ জানুৱাৰী ঃ** দেশৰ গণতান্ত্ৰ দিৱসৰ দিনাই দেৰগাঁও সাহিত্য সভা ভৱনত ৰয়েল এবাকাছ দেৰগাঁৱৰ বাৰ্ষিক প্ৰমাণপত্ৰ আৰু বঁটা বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। সভাত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা, বিশিষ্ট লেখিকা জ্যোতি কুমাৰী শৰ্মা আৰু বিশিষ্ট শিক্ষাবিদ চাৰু কমল শৰ্মা, দেৰগাঁও টেলেণ্ট বুক ষ্টলৰ স্বতাধিকাৰী ৰাজীৱ উপাধ্যায় আৰু যুৱ সমাজকৰ্মী জিসান জংগম বৰা। এই অনুষ্ঠানত প্ৰথম পৰ্যায়ৰ পৰা অষ্টম পৰ্যায়লৈকে শতাধিক ৰয়েল এবাকাছৰ ছাত্ৰ ছাত্ৰীক মানপত্ৰ আৰু পুৰস্কাৰ প্ৰদান কৰা হয়।

# বৰক্ষেত্ৰীৰ দৌলাশালত হিন্দু সন্মিলন

**অসম বাৰ্তা, দৌলাশাল, ২৭ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ শতবৰ্ষ উপলক্ষে সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰতিটো পঞ্চায়ত আৰু নগৰত হিন্দু সন্মিলন অনুষ্ঠিত হৈ আহিছে। ইয়াৰে অংশস্বৰূপে কালি নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দৌলাশাল মণ্ডলৰ উদ্যোগত দৌলাশাল ভাস্কৰ সামূহিক কেন্দ্ৰৰ বাকৰিত 'হিন্দু সন্মিলন' অনুষ্ঠিত হয়। সংগঠিত হিন্দু সমৰ্থ ভাৰত সন্মিলন আৰম্ভৰ পূৰ্বে ভাৰত মাতাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে হিন্দু সন্মিলন উদযাপন সমিতিৰ সভাপতি গৰ্গনাৰায়ণ বৰ্মনে। 'লুইতপৰীয়া হিন্দু আমি' শীৰ্ষক গীতেৰে আৰম্ভ কৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে গৰ্গনাৰায়ণ বৰ্মনে। উদযাপন সমিতিৰ সম্পাদক গুৰুচৰণ পাঠক আৰু গুণজিৎ নাথে আঁত ধৰা অনুষ্ঠানটোত নলবাৰী জিলাৰ শাৰীৰিক বিভাগৰ প্ৰমুখ ৰিজু প্ৰসাদ তালুকদাৰ আৰু বৰপেটা জিলাৰ ঘোষ বিভাগৰ প্ৰমুখ প্ৰদীপ বায়নে বৌদ্ধিক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত ৰিজু প্ৰসাদ তালুকদাৰে কয় যে হিন্দুসকল সন্মিলিত হৈ আছে যদিও আমি সংগঠিত নহয়। সমাজখনক সংগঠিত কৰি ভাৰতবৰ্ষক বিশ্বগুৰুৰ আসনত বহুৱাব লাগিব। এখন সুস্থ-সবল আৰু সমৃদ্ধিশালী ভাৰত সৃষ্টি কৰিবলৈ সকলো হিন্দুক সংগঠিত হ'বলৈ আহ্বান জনায় ৰিজু প্ৰসাদ তালুকদাৰে। বৌদ্ধিক প্ৰমুখ প্ৰদীপ বায়নে তেওঁৰ ভাষণত হিন্দুৰ সংজ্ঞা সম্পৰ্কত ব্যাখ্যা আগবঢ়াই ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উদ্দেশ্য দাঙি ধৰাৰ লগতে হিন্দু আৰু হিন্দুত্বৰ ওপৰত ব্যাখ্যা দঙি ধৰি ভাৰতবৰ্ষত নাৰী শক্তি আৰু সমাজ গঠনত মাতৃৰ ভূমিকা সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। শতাধিক পুৰুষ-মহিলা উপস্থিত থকা অনুষ্ঠানটোত স্থানীয় শিল্পী অৰূপ নাথে লোকগীত আৰু নিহাৰিকা ডেকাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে। সভাত হিন্দু সন্মিলন সমিতিৰ উপ-সভাপতি ভুৱনেশ্বৰ নাথ আৰু অনন্ত ডেকাৰ লগতে কেইবাগৰাকী কৰ্মকৰ্তা আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট লোক উপস্থিত থাকে।

# বটদ্ৰৱা ভোগালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত ভোগালী উৎসৱ

**অসম বাৰ্তা, বটদ্ৰৱা, ২৭ জানুৱাৰী ঃ** বটদ্ৰৱা ভোগালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত ভোগালী উৎসৱৰ সোমবাৰে নিশা সামৰণি পৰে। কাৰ্যসূচী অনুসৰি সোমবাৰে পুৱা পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি নিতুমণি গোস্বামীয়ে, বন্তি প্ৰজ্বলন জেষ্ঠ নাগৰিক হিমেশ্বৰ দাসে, শ্বহীদ তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তুৱাৰাম বৰুৱাই। বটদ্ৰৱা পুৰণি বাছ আস্থানত অনুষ্ঠিত কাৰ্যসূচীৰ, পাছত ১১ বজাৰ পৰা হাঁহ ধৰা, কুকুৰা যুঁজ, চকী খেল আদি পৰম্পৰাগত খেল ধেমালী অনুষ্ঠিত হয়। ১২ বজাৰ পৰা চিত্ৰাংকন প্ৰতিযোগিতা, আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাত বিচাৰকৰ আসন অলংকৃত কৰে চন্দন জ্যোতি শইকীয়া, গিৰিশ বৰুৱা আৰু পূজা শইকীয়াই। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই অনুষ্ঠানটিত বিশিষ্ট সমাজকৰ্মী জগন্নাথজ্যোতি বৰা, বটদ্ৰৱা আৰক্ষী থানাৰ আৰক্ষী বিষয়া গৌৰৱজ্যোতি মহন্তই ভাষণ প্ৰদান কৰে। নিশা ৮ বজাৰ পৰা অসমীয়া চিৰযুগমীয়া গীতত নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। শিল্পী, সাংবাদিক দিব্যজ্যোতি বৰুৱাই বিচাৰকৰ আসন অলংকৃত কৰা নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে প্ৰয়াসী প্ৰিয়া, দ্বিতীয় স্থান লাভ কৰে ঈশানী দত্ত, তৃতীয় স্থান লাভ কৰে অনুস্কা দেৱীয়ে। লগতে মান্যতা বৰা, কাব্যশ্ৰী বৰা, তানিশ্ৰী কলিতাই নিচুকনি পুৰস্কাৰ লাভ কৰে। নিশা ১০ বজাৰ পৰা পুৰস্কাৰ বিতৰন আৰু সাংস্কৃতিক অনুষ্ঠানত অঞ্চলৰ কেইবাগৰাকী কণ্ঠশিল্পীৰ লগতে আমন্ত্ৰিত কণ্ঠশিল্পী আফজল খানে গীত পৰিবেশন কৰে। নিতুমণি গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানটিত সম্পাদক দেৱ দুলাল দাস, নজৰুল ইছলাম, নিতুমণি বৰা, জিতেন বৰুৱা, অমৃত বৰুৱাকে আদি কৰি পাঁচ শতাধিক লোক উপস্থিত থাকে।

# নামতিত কেন্দ্ৰীয় মে-ডাম-মে-ফি উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, গেলেকী, ২৭ জানুৱাৰী ঃ** চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰ, নামতি দ'লৰ প্ৰাঙ্গনত এদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে মে-ডাম-মে-ফি উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। নামতি দ'ল যুৱ সমাজ আৰু সমূহ নামতিবাসী ৰাইজৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচীৰ অনুসৰি ৩১ জানুৱাৰী পুৱা পতাকা উত্তোলন কৰিব মে-ডাম-মে-ফি উদ্‌যাপন সমিতিৰ সভাপতি বিদ্যুৎ বিকাশ বাইলুংয়ে। পুৱা ৯ বজাত মৈদাম তৰ্পন কৰিব কেন্দ্ৰীয় মে-ডাম-মে-ফি উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক প্ৰাঞ্জল শইকীয়াই। পুৱা ১০ বজাত মাংগলিক কাৰ্য্য ফুৰালুং আৰম্ভ হ'ব পৰৱৰ্তী কাৰ্যসূচী দিনৰ ১২ বজাত মুকলি সভা অনুষ্ঠিত হব। মকলি সভাতেই আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকলক বিশেষ সম্বৰ্দ্ধনা জনোৱা হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পিছতেই অনুষ্ঠানৰ সামৰণি পৰিব। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানত স্থানীয় ৰাইজৰ উপস্থিতি তথা সহযোগিতাৰ কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

# বাক্সাৰ খৈৰাণী গাঁৱৰ পাগলদিয়াপাৰ প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উৎসৱ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী প্ৰীতি সন্মিলন

**অসম বাৰ্তা, বাগানপাৰা, ২৭ জানুৱাৰী ঃ** বাক্সা জিলাৰ খৈৰাণী গাঁৱৰ শিক্ষানুৰাগী সমাজ সচেতন কিছুমান ব্যক্তিৰ সবল নেতৃত্বত ১৯৫৬ চনত খৈৰাণী গাঁৱত প্ৰতিষ্ঠা লাভ কৰিছিল পাগলদিয়াপাৰ প্ৰাথমিক বিদ্যালয়। পাগলদিয়া নদীৰ পাৰত সংগঠিত হোৱা খৈৰাণী আৰু বড়িকাদঙা গাঁৱত প্ৰাণ পাই উঠা এই বিদ্যালয় খনে জন্মলগ্নৰে পৰাই অঞ্চলবাসী ৰাইজৰ মাজত শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। এই প্ৰাথমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল সত্তৰ বছৰীয়া যাত্ৰা সুঁৱৰি অহা ৩১ জানুৱাৰী আৰু ১ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে হীৰক জয়ন্তী উৎসৱ উদযাপনৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে ইতিমধ্যে নাৰায়ণ ওক্তীক সভাপতি আৰু ৰঘুনাথ শৰ্মাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী হীৰক জয়ন্তী উৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ৩১ জানুৱাৰীত হীৰক জয়ন্তী উৎসৱ উদ্‌যাপনৰ সভাপতি নাৰায়ণ ওক্তীয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত আমন্ত্ৰিত বিশিষ্ট ব্যক্তি আৰু বিভিন্ন অনুষ্ঠানৰ জৰিয়তে প্ৰতীকী পতাকা উত্তোলন কৰিব। হীৰক জয়ন্তী উৎসৱ উদ্‌যাপনৰ সমিতিৰ সম্পাদক ৰঘুনাথ শৰ্মাই স্মৃতি তৰ্পণ কাৰ্যসূচীত প্ৰজ্বালক আৰু অগংনৱাড়ী কৰ্মী গীতাঞ্জলি অধিকাৰীয়ে বন্তি প্ৰজ্বলন কৰিব। ইয়াৰ পিছত সম্বৰ্ধনা অনুষ্ঠান, প্ৰেৰণাদায়ক বক্তব্য অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। সন্মানিত বক্তা হিচাপে বি বি কিশান মহাবিদ্যালয়ৰ সহ অধ্যাপক ৰোশন গুৰুং, নলবাৰীৰ গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কিশোৰ পোখ্ৰেল আৰু এ চি এছ বিষয়া বিজিত পাঠক উপস্থিত থাকিব। ১ ফেব্ৰুৱাৰীত পুৱা গছপুলি ৰোপণ কাৰ্যসূচীত খৈৰাণী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ভাৰতী তালুকদাৰ, প্ৰাক্তন ছাত্ৰ ক্ৰমে ছত্ৰ বাহাদুৰ ডাঙি, লক্ষ্মণ গৌতম, ৰত্নেশ্বৰ তালুকদাৰ, হস্ত বাহাদুৰ মগৰ আৰু গোপাল দাসে। অনুষ্ঠিত হ'ব প্ৰাক্তন ছাত্ৰ-ছাত্ৰী প্ৰীতি সন্মিলন আৰু মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠান। হীৰক জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি নাৰায়ণ ওক্তীয়ে সভাপতিত্ব কৰা মুকলি সভাখন উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ তথা নিকাছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক অচ্যুত চন্দ্ৰ উপাধ্যায় পাঠকে। স্মৃতি গ্ৰন্থ উন্মোচন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অৰুণ দাসে। মুখ্য অতিথি হিচাপে শিক্ষা বিভাগৰ কাৰ্যবাহী সদস্য ৰবিৰাম নাৰ্জাৰী। সন্মানিত অতিথি এম চি এল এই ৰেখাৰাণী দাস বড়ো, বাক্সাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক জেহেৰুল ইছলাম, বাস্কা খণ্ড বিষয়া সোণামাইনাও বড়ো। আমন্ত্ৰিত অতিথি হিচাপে ক্ৰমে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কংকনজ্যোতি শৰ্মা, আগছুৰ বিটিচি ক্ষেত্ৰীয় সম্পাদক ৰাজু চুবেদি, নয়াবস্তি হাইস্কুলৰ প্ৰধান শিক্ষক গোলাপ শৰ্মা, বাক্সা মধ্য ইংৰাজী শিক্ষক সংস্থা ৰ সম্পাদক দিপ্তী বড়ো, চি আৰ চি চি গিৰিশ বৈশ্য, অদলা কেন্দ্ৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ সম্পাদক সনাতন মেধি। সন্ধিয়া স্বৰ্গীয় মণিৰাম চেত্ৰী সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰী তথা কনিষ্ঠ সহায়ক, নাগ্ৰিজুলি উন্নয়ন খণ্ড।

# আই আই গুৱাহাটীত আলচিৰিঙা মহোৎসৱ

**অসম বাৰ্তা, কমলপুৰ, ২৭ জানুৱাৰী ঃ** আই.আই.টি. গুৱাহাটীত ২৯ জানুৱাৰী পৰা ১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব আলচিৰিঙা মহোৎসৱ। ৩০ সংখ্যক আলচিৰিঙা মহোৎসৱৰ এইবেলিৰ বিশেষ আকৰ্ষণ বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী চান। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লগতে দেশৰ তিনিটা দশকত শিল্প-সৃষ্টিশীলতাৰ বিভিন্ন কৃষ্টি সংস্কৃতি প্ৰদৰ্শিত হ'ব এই বেলিৰ আলচিৰিঙা মহোৎসৱত। বিগত ৩০ বছৰত আলচিৰিঙা মহোৎসৱ কেৱল এটা মহোৎসৱ হিচাপে নহয়, এটা ৰাষ্ট্ৰীয় সাংস্কৃতিক আন্দোলন হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে আই আই গুৱাহাটী। সৃষ্টিশীলতাৰ লগতে ঐতিহ্য সংৰক্ষণৰ সৈতে শিল্প-অভিব্যক্তিক সদায় নতুন ৰূপ দি আহিছে এই মহোৎসৱত। এই বেলি আলচিৰিঙা মহোৎসৱৰ ১ ফেব্ৰুৱাৰীত নিশা বলীউডৰ কণ্ঠশিল্পী চানে সংগীত পৰিৱেশন কৰিব। প্ৰায় ডেৰ লক্ষ লোক সমবেত হ'বলগীয়া আলচিৰিঙা মহোৎসৱত বিশেষ ভাৱে সোঁৱৰণ কৰিব জুবিন গাৰ্গক। দেশৰ পাঁচ শতাধিক শীৰ্ষ শিক্ষানুষ্ঠানে তিনি সহস্ৰাধিক শিক্ষাৰ্থী অংশগ্ৰহণ কৰিবলগীয়া এই আলচিৰিঙা মহোৎসৱ সন্দৰ্ভত সোমবাৰে সন্ধিয়া এক সংবাদ মেল সম্বোধন কৰি আয়োজক সকলে। আয়োজক সমিতিয়ে মহোৎসৱ খনিত সকলোৰে অংশগ্ৰহণ কামনা কৰে।

# দেহৰ কালাকুছিত ক্ৰিকেট প্ৰতিযোগিতা

**অসম বাৰ্তা, বাঁহজানী, ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত দেহৰকালাকুছিৰ চুনামী ক্ৰিকেট ক্লাবৰ সৌজন্যত আৰু এলভিনা আজিন জান্নাতৰ সহযোগত অহা ২৯, ৩০ আৰু ৩১ জানুৱাৰীত দ্বিতীয় বাৰ্ষিক দিবা-নৈশ প্ৰাইজমাণি টেনিছবল ক্ৰিকেট প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব। ৩২৯ নং দেহৰকালাকুছি প্ৰাথমিক বিদ্যালয়ৰ সমীপত অনুষ্ঠিত হব লগা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৫০, ০০১ টকাৰ লগতে ট্ৰফী আৰু দ্বিতীয় পুৰস্কাৰ ৩০, ০০১ টকাসহ ট্ৰফী আগবঢ়োৱা হ'ব। প্ৰতিযোগিতাৰ ভৰ্তিমাচুল ১৫০১ টকাসহ ৬৯০১৪০৬৪১১ অথবা ৭৬৩৮০৬৯০৩৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে খেল পৰিচালনা সমিতিৰ সভাপতি বুবুল আলী আৰু সম্পাদক আব্দুল মজিদে।

**কামৰূপত প্ৰতি বছৰে ২,২৮৭ গৰাকী লোক ষ্ট্ৰ'কত আক্ৰান্ত**

# ছয়গাঁৱত জি এন আৰ চি হাস্পতালৰ ষ্ট্ৰ'ক প্ৰতিৰোধ আৰু সজাগতা কাৰ্যসূচী



**অসম বাৰ্তা, ছয়গাঁও, ২৭ জানুৱাৰী ঃ** প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ প্ৰতি নিজৰ দায়বদ্ধতা পুনৰ দৃঢ় কৰি জি এন আৰ চি হাস্পতালৰ তৰফৰ পৰা জানুৱাৰী মাহটোক 'ষ্ট্ৰ'ক প্ৰতিৰোধ আৰু সজাগতা মাহ' হিচাপে পালন কৰা হৈছে। দিনক দিনে বৃদ্ধি পাই অহা ষ্ট্ৰ'ক ৰোগীৰ সংকটৰ সৈতে মোকাবিলা কৰিবলৈ আজি কামৰূপ জিলাৰ ছয়গাঁৱৰ কলাকৃষ্টি বিকাশ কেন্দ্ৰৰ অসমী পুথিভঁৰালত এখন সংবাদমেল আয়োজন কৰা হয়। জি এন আৰ চি হাস্পতালৰ মাৰ্কেটিং এণ্ড ব্ৰেণ্ড প্ৰমোচন বিভাগৰ এচিষ্টেণ্ট মেনেজাৰ মামণি গোস্বামীয়ে শুভাৰম্ভ কৰা সংবাদমেলত উপস্থিত থাকি ষ্ট্ৰ'কৰ বিষয়ে নিজৰ বক্তব্য দাঙি ধৰে জি এন আৰ চি দিছপুৰৰ স্নায়ুৰোগ বিশেষজ্ঞ ডাঃ ৰূপজ্যোতি দাস আৰু জিএনআৰচি উত্তৰ গুৱাহাটীৰ স্নায়ুশৈল্য বিশেষজ্ঞ ডাঃ ধ্ৰুৱজ্যোতি চৌধুৰী আৰু জিএনআৰচি এম্বুলেন্স সেৱাৰ মুৰব্বী ৰছিদুল ইছলামে। দুয়োগৰাকী বিশেষজ্ঞই ষ্ট্ৰ'কৰ চিকিৎসা আৰু প্ৰতিৰোধমূলক দিশসমূহৰ বিষয়ে আলোচনা কৰাৰ বিপৰীতে এম্বুলেন্স সেৱাৰ মূৰব্বী ৰছিদুল ইছলামে ৰোগী চিকিৎসালয়লৈ অনাৰ পূৰ্বৰ যত্ন দ্ৰুত এম্বুলেন্স সেৱাৰ পৰা আৰম্ভ কৰি ৰোগীক সঠিক চিকিৎসা কেন্দ্ৰলৈ তাৎক্ষণিকভাৱে লৈ যোৱাৰ গুৰুত্বৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে।

# শিমলুগুৰি হৰি মন্দিৰত ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, জাঁজী, ২৭ জানুৱাৰী ঃ** যোৰহাট জিলাৰ শিমলুগুৰি ব্ৰাহ্মণ গাঁওহৰি মন্দিৰত আজি স্থানীয় তথা আমন্ত্ৰিত শিল্পী সকলৰ দ্বাৰাই "গজকেতু উপাখ্যান, ধৃতৰাষ্ট্ৰৰ দ্বিগন্বজয়, ত্ৰিশিৰা দৈত্য নিধন" ভাওনা প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে পুৱাৰ ভাগত গাঁৱৰ সকলো পুৰুষ মহিলা একত্ৰিত হৈ নাম কীৰ্তনৰ লগতে দিহানাম পৰিৱেশন কৰা হয়। আনহাতে ভাওনাৰ আগ মুহূৰ্তত মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। সমান্তৰাল ভাবে অনুষ্ঠানত বিধায়ক আৰু যোৰহাট জিলাৰ জলসম্পদ বিভাগৰ কাৰ্য্যবাহী অভিযন্তা সুব্ৰত কুমাৰ দাস উপস্থিত থাকে। আনহাতে দিগন্ত শৰ্মাই আঁত ধৰা অনুষ্ঠানত দুইজনকে গাঁৱৰ যুৱক ঋতুৰাজ শৰ্মা আৰু প্ৰভাত শৰ্মাই সম্বোধনা জ্ঞাপন কৰে।

# শিৱসাগৰ প্ৰেছ ক্লাব আৰু কল্যাণ পৰিষদৰ গণৰাজ্য দিৱস উদ্‌যাপন


## বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মীক সম্বৰ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ২৭ জানুৱাৰী ঃ** শিৱসাগৰৰ আগশাৰীৰ সংবাদ কৰ্মী সংস্থা শিৱসাগৰ প্ৰেছ ক্লাবৰ উদ্যোগত ৭৭ তম গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। ২৬ জানুৱাৰীৰ পুৱা প্ৰেছক্লাবৰ সন্মুখত হোৱা গণৰাজ্য দিৱসৰ অনুষ্ঠান পৰিচালনা কৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিমাংশু নেওগে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক মনিৰুল ইছলাম বড়াই। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত মনিৰুল ইছলাম বড়াই কয় যে, ১৯৫০ চনৰ ২৬ জানুৱাৰীত স্বাধীন ভাৰতৰ সংবিধান প্ৰণয়ন কৰা হৈছিল। পণ্ডিত ড° ভীমৰাও আম্বেদকাৰ, ড° ৰাজেন্দ্ৰ প্ৰসাদকে ধৰি সংবিধান প্ৰণেতা সকলে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশৰ সংবিধান প্ৰস্তুত কৰোঁতে বহু কৃচ্ছ সাধনাৰ প্ৰয়োজন হৈছিল। সেয়েহে আমাৰ দেশৰ সংবিধানখন কেৱল বৃহৎ নহয়, এই সংবিধান বিশ্বৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ সংবিধান হিচাপে গণ্য কৰিব পাৰি। গ্ৰীক ভাষাৰ DEMOS শব্দৰ পৰা সৃষ্টি হৈছে DEMOCRACY অথবা গণতন্ত্ৰ শব্দৰ উৎপত্তি হৈছে। গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ হৈছে ৰাইজৰ শাসন। আমি ৭৭টা বছৰ ধৰি গণৰাজ্য দিৱস উদযাপন কৰি আহিছোঁ যদিও আমাৰ দেশ স্বাধীন কৰা মহামানৱ মহাত্মা গান্ধীৰ ৰামৰাজ্যৰ সপোনে আজিও বাস্তৱ ৰূপ নাপালে। ভাৰতীয় সংবিধানে আমাক অনৈক্যৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰি সমন্বয় সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ শিক্ষা দি আহিছে। সেয়েহে আমি নতুন প্ৰজন্মক জাতিৰ পিতাৰ আদৰ্শৰে অনুপ্ৰাণিত কৰি প্ৰকৃতাৰ্থত ৰামৰাজ্য প্ৰতিষ্ঠা কৰিব পাৰিলেহে গণতন্ত্ৰ শব্দটোৱে প্ৰকৃত মৰ্যাদা লাভ কৰিব বুলি মনিৰুল ইছলাম বড়াই উল্লেখ কৰে। গণৰাজ্য দিৱসৰ এই অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ সভাপতি ড° উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক খাইৰুদ্দিন আহমেদ, খলিলুৰ ৰহমান হাজৰিকা, ফিৰোজ আহমেদ, ৰাতু কুমাৰ দাস, মুজাহিদ আলি, মুস্তাকুৰ ৰহমান, মফিদুল ইছলাম, প্ৰাঞ্জল পূজাৰী, ববিতা ভৰালী, চাহানাৰা ইছলাম, মনি গগৈ, কল্যাণ বুঢ়াগোহাঁই, দিলিস্তান খানৰ লগতে শিৱসাগৰৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, শিৱসাগৰ নগৰৰ বাবুপট্টিত অৱস্থিত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। পুৱা গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই। শিৱসাগৰ জিলা সমিতিৰ সভাপতি বুবুটি বড়া আৰু উপদেষ্টা ইমতিয়াজ আহমেদে আত ধৰা এই অনুষ্ঠানত মুক্তিযুঁজাৰু জয়নুৰ আলি খানৰ পুত্ৰ আলহাজ ৰেহিমুদ্দিন আহমেদ, ৰাষ্ট্ৰপতি পদক প্ৰাপ্ত শিক্ষয়িত্ৰী আকেলা খানম, ৰাজ্যিক কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষয়িত্ৰী জোংস্না খাতুন, কৃতি শিক্ষক মেৰাজুল ইছলাম, বৰ্ষিয়ান ধৰ্মপ্ৰাণ ব্যক্তি আলহাজ আলম শেখ, মুহিবুৰ ৰহমান, মইনুদ্দিন আহমেদ, বিশিষ্ট সমাজকৰ্মী জাহিদ উল্লা, আটিকুৰ ৰহমান, উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক অহিদুৰ জামান চৌধুৰীকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিক ৰাজহুৱা ভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পিছতেই অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী আজাদ আলম, পাৰচা ফাৰহিন হবিব, জীয়ান আহমেদ, নাজিফা আহমেদে দেশপ্ৰেমমূলক গীত পৰিৱেশন কৰাৰ উপৰিও জনপ্ৰিয় শিল্পী চৈয়দা তাবাচ্ছুম ইয়াছমিনে সৃষ্টিশীল নৃত্য আৰু হাৰেজা বেগমে এটা কবিতা পাঠ কৰে। এই অনুষ্ঠানত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক দাদুল আলি, শিৱসাগৰ জিলা সমিতিৰ উপদেষ্টা লক্ষিবাবা আহমেদ, সাধাৰণ সম্পাদক নজিবুৰ ৰহমান, সাংগঠনিক সম্পাদক আৰব আলি, জামালুদ্দিন আহমেদ, জামাল খান, মুছলিম মহিলা কল্যাণ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সভানেত্ৰী ফৰিদা বেগম, উপ সভানেত্ৰী জীনা বেগম, সম্পাদিকা মেৰিনা আহমেদে, সাংস্কৃতিক সম্পাদিকা নুৰী বেগমকে ধৰি কেইবাগৰাকীও বিষয়ববীয়া আৰু সদস্য উপস্থিত থাকে।

## ভাওনাৰ নাটসমূহ সাহিত্যৰ উৎকৃষ্ট সম্পদ - ড° দেৱজিৎ শইকীয়া

# কবিতাৰ শংখধ্বনিত মুখৰিত মণিকাঞ্চন ৰংগক্ষেত্ৰ

## অসম ভাওনা সমাৰোহত কবিতাৰ মনোগ্ৰাহী অনুষ্ঠান



**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৭ জানুৱাৰী ঃ** "মানুহৰ জীৱনত অৱশ্য-কৰণীয় পঞ্চযজ্ঞৰ মহত্ত্ব কিমান, সেই কথা ভাওনাই আমাক সকীয়াই থাকে। এই পঞ্চযজ্ঞৰ বাহিৰেও ভাওনাই দেখুৱায় সাহিত্য-যজ্ঞৰ নিদৰ্শন। ভাওনাৰ নাটসমূহ সাহিত্যৰ উৎকৃষ্ট সম্পদ। ভাওনাৰ নাটত থকা কাব্যিক সৌন্দৰ্যই দৰ্শকক খোৰাক যোগোৱাই নহয়, সাহিত্যৰ ভঁৰালো চহকী কৰে। বিশেষতঃ মাতৃভাষাৰ ভাওনাৰ পৌৰাণিক নাটসমূহত সন্নিৱিষ্ট মিতাক্ষৰ ছন্দৰ সংলাপবোৰৰ কাব্যক সৌন্দৰ্য কিমান, সেয়া ৰসগ্ৰাহী দৰ্শক-শ্ৰোতাই বাৰুকৈ উপলব্ধি কৰে।" আউনীআটী সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত অনুষ্ঠিত হৈ থকা অসম ভাওনা সমাৰোহৰ নৱম দিনা কালি দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত 'ভাওনাত কবিতাৰ শংখধ্বনি' শীৰ্ষক কাব্যানুষ্ঠানত 'কাব্যসুৱাস' নামৰ সংকলনটি উন্মোচন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই এনেদৰে কয়। পুৱা ১১ বজাৰ পৰা 'দিহানামৰ গুৰু' উপাধি প্ৰাপক শিৱসাগৰৰ অমিয়া নেওগ কলিতা আৰু সংগীসকলৰ দ্বাৰা পৰিৱেশিত দিহানামে চতুৰ্দিশ মুখৰ কৰি তোলাৰ পাছতে আউনীআটী বিষ্ণুজ্যোতি শাখা সাহিত্য সভাৰ উদ্যোগত আৰু ভাওনা সমাৰোহ সমিতিৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত কবি সন্মিলনখনি উদ্বোধন কৰে আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে। সত্ৰাধিকাৰগৰাকীয়ে তেওঁৰ বহুল সমাদৃত 'গছৰ বক্তব্য' শীৰ্ষক প্ৰকৃতি বিষয়ক কবিতাটি পাঠ কৰি সকলোকে মোহাৱিষ্ট কৰে। আউনীআটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মাণিক শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত কবি সন্মিলনৰ আৰম্ভণিতে আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দদেৱ গোস্বামীয়ে মাংগল্য-বন্তি প্ৰজ্বলন কৰে। বিষ্ণুজ্যোতি শাখা সাহিত্য সভাৰ সভাপতি জগত হাজৰিকাই আদৰণী ভাষণ প্ৰদান কৰে। শাখা সাহিত্য সভাৰ সম্পাদিকা মৃণালী দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে সদৌ অসম কবি সন্মিলনৰ সপ্ৰধান সম্পাদক চৈয়দ পাৰভেজ হুচেইনে। মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই অমিয়া দেৱী বৰঠাকুৰ আৰু মৃণালী দেৱী সম্পাদিত 'কাব্য-সুবাস'ৰ দ্বিতীয় সংখ্যাটি শুভ উন্মোচন কৰে। কাব্যানুষ্ঠানত মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, সম্পাদক সঞ্জীৱ বৰা, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, ৰামধনু স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্ত, আউনীআটী শাখা কবি সন্মিলনৰ সভানেত্ৰী অমিয়া দেৱী বৰঠাকুৰ, শিক্ষাবিদ-সত্ৰীয়া শিল্পী কৰুণা বৰা, জ্যেষ্ঠ সাংবাদিক কিশোৰী মোহন পাল, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, সম্পাদক শ্যমন্ত পায়েং, জিলা আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সভাপতি দিগন্ত শইকীয়া, শিল্পী ধীৰেন্দ্ৰ নাথ বৰা, কবি শিক্ষাবিদ ডিম্বেশ্বৰ ভূঞা, লেখিকা সুৰ শইকীয়া হাজৰিকা, কেশৱ কাকতি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট কবি কৌশল্যা বায়ন হাজৰিকা, বিজু ভূঞা ওজা, পূৰ্ণিমা শইকীয়া, লক্ষিপ্ৰসাদ ৰেগন, যতীন বৰা, ধীৰেন বৰা, জ্যোংস্না ভূঞা, ইন্দুলেখা হাজৰিকা, পাৰুল বৰা মিলি, সৰযু দত্ত, মন্দিৰা কাকতি, ভাস্কৰজ্যোতি কুটুম, কৃষ্ণা মেধি, কিৰণ নাথ, যতীন্দ্ৰনাথ মুদৈ, ৰাজু কলিতা, মৃদুলা দেৱী প্ৰমুখ্য অৰ্ধশতাধিক কবিৰ কবিতা পাঠ আৰু পৰ্যালোচনাই অনুষ্ঠানটি অধিক আকৰ্ষণীয় কৰি তোলে। বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত ভাওনা প্ৰতিযোগিতা উদ্বোধন কৰে মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই।

# গহপুৰত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন



**অসম বাৰ্তা, গহপুৰ, ২৭ জানুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে গহপুৰ সমজিলাতো ভাৰতবৰ্ষৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে গহপুৰ পেৰেড গ্ৰাউণ্ডত উদ্‌যাপন কৰা হয়। উদ্‌যাপনৰ প্ৰথম কাৰ্যসূচী হিচাপে মুখ্য অতিথি তথা গহপুৰ সমজিলা আয়ুক্ত আদিত্য প্ৰতাপ সিঙে গহপুৰ বৰপুখুৰী পাৰত অৱস্থিত শ্বহীদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ যুগল মূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। পৰৱৰ্তী কাৰ্যসূচীত সমজিলা আয়ুক্তই গহপুৰ পেৰেড গ্ৰাউণ্ডত কুচ-কাৱাজত অংশগ্ৰহণ কৰিবলগীয়া দল সমূহৰ অভিবাদন গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰাৰ লগতে মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে। তাৰ পিছৰ কাৰ্যসূচীত অসম পুলিচ আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থী সহিতে সমজিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্বমুঠ ১৩টা দলে কুচ কাৱাজ প্ৰদৰ্শন কৰে। ইয়াৰ পৰৱৰ্তী কাৰ্যসূচীত সমজিলাৰ বিভিন্ন বিভাগে প্ৰতীকপট প্ৰদৰ্শন কৰে আৰু সেই কাৰ্যসূচীৰ অন্তত সমজিলাৰ শ্বহীদ আৰু মুক্তিযোদ্ধাৰ পৰিয়াল বৰ্গক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ পৰৱৰ্তী কাৰ্যসূচীত ক্ৰিছ নৃত্যকলা প্ৰতিষ্ঠান আৰু সৰ্বজনীন কলা কেন্দ্ৰৰ দ্বাৰা দেশ প্ৰেমমূলক দুটি নৃত্য প্ৰদৰ্শন কৰা হয়। আজিৰ অনুষ্ঠানৰ অন্তিম কাৰ্যসূচী হিচাপে কুচ-কাৱাজ আৰু প্ৰতীকপট প্ৰতিযোগিতাৰ বঁটা বিতৰণ আৰু বছৰৰ বিভিন্ন বঁটা প্ৰাপ্ত ব্যক্তি সকলৰ নাম ৰাজহুৱাভাৱে ঘোষণা কৰা। উল্লেখযোগ্য যে, উক্ত কাৰ্য্যসূচীত গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা, কাৰ্যবাহী দণ্ডাধীশ সকল, সমজিলা আৰক্ষী অধীক্ষক প্ৰাণজিৎ লহকৰ, পৌৰ সভা তথা পঞ্চায়তৰ প্ৰতিনিধি সকল, ছাত্ৰ-ছাত্ৰী সকল আৰু স্থানীয় ৰাইজৰ সহিতে প্ৰায় ৩ সহস্ৰাধিক লোক উপস্থিত থাকে।

# অধিবক্তা কোৰবান আলীৰ মত-বিনিময়

**অসম বাৰ্তা, সোণতলী, ২৭ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ডেকাচাং বজাৰত ৰাইজৰে প্ৰাৰ্থীত্ব প্ৰত্যাশী অধিবক্তা কোৰবান আলীয়ে মত বিনিময় কৰে। আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দলীয় টিকটৰ আবেদন কৰা তথা টিকট প্ৰত্যাশী অধিবক্তা কোৰবান আলীয়ে কালি ডেকাচাং বজাৰত যুৱ ক্ৰীড়া শিল্পী সংঘ আৰু সহস্ৰাধিক ৰাইজৰ সৈতে আলোচনাত মিলিত হৈ মত বিনিময় কৰে। স্থানীয় ব্যক্তি হিচাপে আগন্তুক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ হৈ ছমৰীয়া সমষ্টিৰ পৰা অধিবক্তা গৰাকীয়ে নিজৰ লগতে ৰাইজক স্থানীয় প্ৰাৰ্থীক সমৰ্থন দিবলৈ অনুৰোধ জনায়। আনহাতে এগৰাকী যোগ্য আৰু জনপ্ৰিয়তা লাভ কৰা টিকট প্ৰত্যাশী অধিবক্তা কোৰবান আলীৰে বগুৰিগুৰীৰ এদল যুৱকেও সাক্ষাৎ কৰি মত বিনিময় কৰে। কংগ্ৰেছৰ ওপৰ মহলক খাটনি ধৰি স্থানীয় প্ৰাৰ্থী হিচাপে অধিবক্তা কোৰবান আলীক পাবলৈ আৰু সৰ্বতো প্ৰকাৰে সহায় কৰিবলৈ যুৱচামে আশ্বাস প্ৰদান কৰে। শেষত অধিবক্তা কোৰবান আলীক প্ৰাৰ্থীৰূপে পূৰ্ণ সমৰ্থন জনাই তেওঁৰ মঙ্গলাৰ্থে যুৱচামে বিভিন্ন শ্ল'গানেৰে জয়-ধ্বনি দিয়ে।

# গহপুৰৰ ছহিদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়ৰ চৌহদৰ চুৰি হোৱা ৰয়েল এনফিল্ড বাইক উদ্ধাৰ



**অসম বাৰ্তা, গহপুৰ, ২৭ জানুৱাৰী ঃ** গহপুৰৰ ছহিদ কনকলতা বৰুৱা অসামৰিক চিকিৎসালয়ৰ চৌহদৰ পৰা যোৱা ১ জানুৱাৰীৰ নিশা চুৰি হোৱা ৰয়েল এনফিল্ড বাইকখন আজি পুৱা উদ্ধাৰ হয়। চিকিৎসালয়খনৰ ফাৰ্মাচিষ্ট দীপজ্যোতি দাসৰ কোৱাটাৰৰ গেৰেজৰ পৰা উক্ত নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই এ এছ ২১ এইছ ৮১৮০ নম্বৰৰ ৰয়েল এনফিল্ড বাইকখন চুৰি কৰি নিছিল। উক্ত চুৰি কাণ্ডৰ বিৰুদ্ধে যোৱা ২ জানুৱাৰীত দীপজ্যোতি দাসে গহপুৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে চলাই থকা অভিযানৰ মাজতে আজি পুৱা চেংমৰাত উদ্ধাৰ হয় উক্ত চুৰি বাইকখন। জানিব পৰামতে-উক্ত বাইকখন লৈ আজি পুৱা এজন যুৱক চেংমৰাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইথেৰে গৈ আছিল। তেতিয়া সময় পুৱা প্ৰায় ৮-৩০ বাজিছিল। তেনেতে চেংমৰাৰ সমীপত বাইকখনৰ বিজুতি ঘটাত বাইকখন ঠেলি নি আছিল যুৱজনে। যুৱকজনৰ গতিবিধিত স্থানীয় ৰাইজৰ সন্দেহ হোৱাত যুৱকজনক বাইকসহ কৰায়ত্ব কৰি ৰাইজে হাৱাজান আৰক্ষীক খবৰ দিয়ে। স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত হাৱাজান আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰণোজ পেগুৰ নেতৃত্বত হাৱাজান আৰক্ষীৰ এটা দল লগে লগে ঘটনাস্থলীত উপস্থিত হৈ যুৱকজনক গ্ৰেপ্তাৰ কৰি আৰক্ষী চকীলৈ লৈ অনাৰ লগতে বাইকখন জব্দ কৰে। ধৃত যুৱকজন হাৱাজান আৰক্ষী চকীৰ অন্তৰ্গত নিগম ডাৱল লাইনৰ মহেন্দ্ৰ গগৈৰ পুত্ৰ ৰিপন গগৈ(২১) বুলি আৰক্ষী সূত্ৰই সদৰী কৰিছে। বাইক চোৰ ৰিপন গগৈৰ লগত আৰু কোনো লোক জড়িত থকাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। এই ক্ষেত্ৰত আৰক্ষী বিষয়া ৰণোজ পেগুৰ নেতৃত্বত অভিযান অব্যাহত ৰখা পৰিলক্ষিত হৈছে। হেৰুওৱা বাইকখন লাভ কৰি স্বস্তিৰ নিশ্বাস পেলাইছে দীপজ্যোতি দাসে।

# শ্বৰীয়ত উল্লাহ মেমোৰিয়েল একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন




**অসম বাৰ্তা, সোণতলী, ২৭ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ সোণতলী আৰিকাটি গাঁৱৰ অসমীয়া মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় শ্বৰীয়ত উল্লাহ মেমোৰিয়েল একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ কালি সামৰণি পৰে। একাডেমীখনে চলিত বৰ্ষত পঁচিছটা বৰ্ষ অতিক্ৰম কৰা উপলক্ষে বিদ্যালয় কৰ্তৃপক্ষই ২৪, ২৫, আৰু ২৬ জানুৱাৰী অৰ্থাৎ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰে। সেই মৰ্মে, প্ৰথম দিনা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পাশান আলীৰে পতাকা উত্তোলনে কাৰ্যসূচী শুভাৰম্ভ কৰে। ইয়াৰ পিছত গছপুলি ৰোপণ, চাফাই অভিযান, বিভিন্ন ধৰণৰ খেল-ধেমালি, তৰ্ক, কবিতা, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা, বিভিন্ন ধৰণৰ গীত-মাত, নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। জয়ন্তীৰ অন্তিম দিনত অৰ্থাৎ ২৬ জানুৱাৰী তাৰিখে ৰাতিপুৱা একাডেমী খনৰ অধ্যক্ষ বাহাৰুল ইছলামৰ সহযোগত অনুষ্ঠিত হোৱা পতাকা উত্তোলন কাৰ্যসূচীত প্ৰাক্তন জিলা পৰিষদ সদস্য ছাহজাহান আলীয়ে উত্তোলক হিচাপে উপস্থিত থাকি পতাকা উত্তোলন কৰে। লগতে সাংস্কৃতিক শোভাযাত্ৰা, গণতন্ত্ৰ দিৱস উপলক্ষে বিভিন্ন ধৰণৰ মুকলি খেল-ধেমালি, কুইজ নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰে। সন্ধিয়া অধ্যক্ষ বাহাৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত কৰে মুকলি-বঁটা বিতৰণী সভা। সভাত মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক জয়ন্ত কুমাৰ বৈশ্যই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে এফ এ আহমেদ কলেজৰ অধ্যাপিকা কাঞ্চন চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক আলী আকবৰ হুছেইনে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। মুকলি-বঁটা বিতৰণী সভাত সোণতলী স্বৰ্ণ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি এম ছামছুল আলম ভূঞাই 'ছুমায়ন' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে।

# চামগুৰিত ৭৭ তম্ গণৰাজ্য দিৱস পালন



**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত দেশৰ ৭৭ তম গণৰাজ্য দিৱস পালন কৰা হয়। চামগুৰিবাসী ৰাইজ আৰু চামগুৰি ৰাজহ চক্ৰৰ সহযোগিতাত চামগুৰি মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ ব্যৱস্থাপনাত ৭৭ তম গণৰাজ্য দিৱসটো পালন কৰা হয়। চামগুৰিবাসী ৰাইজৰ লগতে চামগুৰি ৰাজহ চক্ৰ বিষয়া ড° ময়ূৰপংখী বৰা, উক্ত কাৰ্যালয়ৰ সমূহ কৰ্মচাৰী আৰু চামগুৰি উঃ মাঃ বিদ্যালয়ৰ অধ্যক্ষ নৱজ্যোতি মুদৈ, কৰ্মচাৰীসকল, প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলৰ লগতে স্থানীয় ৰাইজৰ উপস্থিতিত পালন কৰা গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৯ বজাত চামগুৰি ৰাজহ চক্ৰ বিষয়া ড° ময়ূৰপংখী বৰাই পতাকা উত্তোলন কৰি গণৰাজ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পাছত সমাজকৰ্মী তথা প্ৰধান শিক্ষক প্ৰদীপ বৰাই ঐতিহ্যমণ্ডিত চামগুৰি সন্দৰ্ভত ভাষণ আগবঢ়ায়। সমাজকৰ্মী প্ৰাঞ্জল প্ৰতিম দাস, পৱন কুমাৰ বৰা আৰু দীগেন চন্দ্ৰ বৰাৰ তত্ত্বাৱধানত গাঁও প্ৰধানদ্বয় ৰূপজ্যোতি মহন্ত আৰু সত্যজিত শইকীয়াই আঁত ধৰা অনুষ্ঠানত চিত্ৰাংকণ প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তীৰ্থ দাসে। "ক" আৰু "খ" শাখাত ২০০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। ইয়াৰ লগত সংগতি ৰাখি কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে দেশপ্ৰেমমূলক গীত-নৃত্য পৰিৱেশন কৰি উপস্থিত ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। চিত্ৰাংকণ প্ৰতিযোগিতাৰ "ক" শাখাত প্ৰথম স্থান শান্তনু কৌশিক দাস, দ্বিতীয় স্থান আলিয়া মেহেক, তৃতীয় স্থান হৃদয় কৌশিক শৰ্মাই আৰু "খ" শাখাত প্ৰথম স্থান উৰাছিমা খাতুন, দ্বিতীয় স্থান মনদ্বীপ বড়ো, তৃতীয় স্থান সুদৰ্শন বৰাই লাভ কৰে বুলি বিচাৰকদ্বয় শেৱালিৰ বৰদলৈ কাকতি, খঞ্জন বৰাই ঘোষণা কৰে। সভাত চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠক জ্যেষ্ঠ গাঁওপ্ৰধান মোছলেহ উদ্দিন আহমেদকে ধৰি কেইবাজনো জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনাও জনোৱা হয়। চিত্ৰাংকণ প্ৰতিযোগিতাৰ প্ৰতিযোগী সকলক মানপত্ৰ আৰু বঁটা প্ৰদান কৰাৰ পাছত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুলৰ্ভ কুমাৰ মহন্তই সামৰণিত ভাষণ পাঠ কৰি সকলোৰে শলাগ লোৱাৰ লগতে আগন্তুক দিনত ঐতিহ্যমণ্ডিত চামগুৰিৰ গৌৰৱ ঘূৰাই আনিবৰ বাবে সকলোৰেই সহায়-সহযোগিতা কামনা কৰে।

# লীলাবাৰী শাখা সাহিত্য সভাৰ 'প্ৰতিনিধি সভা'




**অসম বাৰ্তা, লীলাবাৰী, ২৭ জানুৱাৰী ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত লীলাবাৰী শাখা সাহিত্য সভাৰ আজি কাকৈ ৰাজগড় উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰতিনিধি সভা অনুষ্ঠিত হৈ যায়। লীলাবাৰী অঞ্চলৰ স্বনামধন্য সাহিত্য অনুৰাগী, লেখক হেমচন্দ্ৰ শইকীয়া আৰু ধৰ্মেশ্বৰ গগৈৰ নেতৃত্বত ১৯৯৩ বৰ্ষত অসমৰ সৰ্ববৃহৎ সাহিত্য অনুষ্ঠান অসম সাহিত্য সভাৰ লীলাবাৰী শাখা গঠন হৈছিল। লীলাবাৰী শাখা সাহিত্য সভাৰ সম্পাদক বিতোপন শৰ্ম্মাই আঁত ধৰা অনুষ্ঠানটিত সভাপতি নিকুঞ্জ দত্তই সভাৰ পতাকা উত্তোলন কৰাৰ সমান্তৰালকৈ প্ৰতিনিধি সভাত সভাপতিত্ব কৰে। হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্প অৰ্পণ কৰে সভাৰ আজীৱন সভ্য তথা স্থানীয় গাঁও প্ৰধান দ্বীপেন গোহাঁইৰ লগতে শাখা সভাৰ কাৰ্যনিৰ্বাহক সদস্য-সদস্যাসকলে। শাখা সম্পাদকে এবছৰীয়া প্ৰতিবেদন আৰু আয়-ব্যয় পাঠ কৰা সভাখনত জিলা সাহিত্য সভাৰ প্ৰতিনিধি পদ্ম শৰ্ম্মা, শাখা সভাৰ উপদেষ্টা অতুল গোস্বামী, কবি প্ৰশান্ত কুমাৰ বড়াৰ উপস্থিতিত লীলাবাৰী শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনলৈ শাখাৰ পৰা দুজন প্ৰতিনিধি প্ৰেৰণৰ সিদ্ধান্ত লয়।

## ক্ৰীড়া আৰু সাহিত্য প্ৰতিযোগিতাত শতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণ

# উত্তৰ আৰু মধ্য বঙ্গাল গাঁওৰাইজৰ সহযোগত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন



**অসম বাৰ্তা, দেৰগাঁও, ২৭ জানুৱাৰী ঃ** বিগত বছৰৰ দৰে এই বছৰো উত্তৰ আৰু মধ্য বঙ্গালগাঁৱৰ ৰাইজৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে দেশৰ গণৰাজ্য দিৱস উদযাপন কৰা হয়। অঞ্চলটোৰ উদীয়মান যুৱক-যুৱতী সকল আৰু মহিলা সকলে যথেষ্ট কষ্টৰে অনুষ্ঠানটো অনুষ্ঠিত কৰি স্থানীয় শিশু সকলৰ প্ৰতিভা বিকাশৰ এখন মঞ্চ দিয়া প্ৰয়াস কৰা দেখা গৈছে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি; পুৱা ৬-৩০ বজাত পৰিৱেশ নিকাকৰণ, পুৱা ৭-৩০ বজাত পতাকা উত্তোলন, পুৱা ৭-৪৫ বজাত বৃক্ষৰোপণ, পুৱা ৮-০০ বজাত স্মৃতি তৰ্পণ। ইয়াৰ পিছতে পুৱা ৮.৩০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলিৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ পিছতে ক্ৰীড়া আৰু সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত স্থানীয় শতাধিক শিশু আৰু যুৱক-যুৱতীৰ অংশগ্ৰহণেৰে দৌৰ প্ৰতিযোগিতাত, নিম্ন শাখা প্ৰথম স্থানত: তন্ময় বৰা, দ্বিতীয়: চেতন বিকাশ হাজৰিকা আৰু তৃতীয়: অভিনৱ ৰাজখুৱাই পাবলৈ সক্ষম হয়। আনহাতে উচ্চ শাখাত প্ৰথম: জ্যোতিষ্মান কলিতা, দ্বিতীয়: কৌস্তভ বৰা, আৰু তৃতীয় পুৰস্কাৰ বুমণ কলিতাই লাভ কৰে। অন্যহাতে চিত্ৰাংকন প্ৰতিযোগিতাত উচ্চ শাখাত প্ৰথম: ৰাহুল বৰুৱা, দ্বিতীয়: বৃষ্টিনয়না কাশ্যপ আৰু তৃতীয়: তানিশা শইকীয়াই পাবলৈ সক্ষম হয়। নিম্ন শাখাত, প্ৰথম: ধিমান হালৈ, দ্বিতীয়: অৰুণাভ বৰা, তৃতীয়: জ্যোতিষ্মান হাজৰিকাই লাভ কৰে। প্ৰায় ১০০ গৰাকী প্ৰতিযোগীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হোৱা কবিতা আবৃত্তি প্ৰতিযোগিতাত উচ্চ শাখাত প্ৰথম: ৰাহুল বৰুৱাদ্বিতীয়: শুশাংক বৰা, তৃতীয়: প্ৰীতিশা ভূঞা। নিম্ন শাখাত প্ৰথম: তন্দ্ৰালি মূৰ্ছনা, দ্বিতীয়: শ্ৰীজা বৰা আৰু তৃতীয়: আৰোহী কলিতাই লাভ কৰে। আনহাতে ৰচনা প্ৰতিযোগিতাত, উচ্চ শাখাত প্ৰথম: ৰাহুল বৰুৱা, দ্বিতীয়: প্ৰীতিশা ভূঞা আৰু তৃতীয়: ময়ূৰী বৰা লগতে নিম্ন শাখাত প্ৰথম: মৃণ্ময়জ্যোতি বৰা, দ্বিতীয়: অৰুণাভ বৰা, তৃতীয়: অস্মিতা দেৱীয়ে পাবলৈ সক্ষম হয়। অনুষ্ঠানটোত নিশালৈ অনুষ্ঠিত কৰা প্ৰাইজমানি সৃষ্টিশীল নৃত্য প্ৰতযোগিতাত নিম্ন শাখাত প্ৰথম: অভিনৱ ৰাজখোৱা, দ্বিতীয়: প্ৰিঞ্চি হাজৰিকা আৰু তৃতীয়: আৰাধ্যা বৰুৱাই পাবলৈ সক্ষম হোৱাৰ লগতে উচ্চ শাখাত শ্ৰেষ্ঠ প্ৰতিযোগী: ময়ূৰী বৰাইপাবলৈ সক্ষম হয়। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা গণৰাজ্য দিৱসৰ অনুষ্ঠানত উপস্থিত ৰাইজে শলাগ লয়।

## সম্পাদকীয়

# ভাৰতৰ বাণিজ্যিক বিমান নিৰ্মাণ খণ্ডত ঐতিহাসিক সন্ধিক্ষণ

**ব্ৰা**জিলৰ বিখ্যাত বিমান নিৰ্মাতা কোম্পানী 'এম্ব্ৰায়াৰ'ৰ সৈতে আদানী ডিফেন্স এণ্ড এৰ'স্পেচৰ হাতত বুজা-বুজি হোৱাত ভাৰতৰ বাণিজ্যিক বিমান নিৰ্মাণ খণ্ডই এক ঐতিহাসিক সন্ধিক্ষণত উপনীত হৈছে। এই বুজা-বুজি চুক্তি অনুসৰি, ভাৰততে অত্যাধুনিক বাণিজ্যিক বিমান আৰু তাৰ সা-সৰঞ্জাম তৈয়াৰ কৰা হ'ব। দেশৰ বৃহৎ এক গোষ্ঠী আৰু বিশ্ববিখ্যাত এটা বিমান নিৰ্মাতাৰ এই মিত্ৰতাই ভাৰতক বিশ্ব বিমান উদ্যোগৰ মানচিত্ৰত এক গুৰুত্বপূৰ্ণ স্থানলৈ উন্নীত কৰাৰ সম্ভাৱনা সৃষ্টি কৰিছে। কিন্তু এই সম্ভাৱনাৰ সুফল সাধাৰণ জনতালৈ কিমানদূৰ প্ৰসাৰিত হ'ব, সেই সন্দৰ্ভত সুধীবৰ্গ মনেও কেইটামান প্ৰশ্ন উত্থাপন কৰিব পাৰে।

নিশ্চিতভাৱে ক'ব পাৰি যে এই উদ্যোগে দেশলৈ উন্নত প্ৰযুক্তিৰ স্থানান্তৰ, কৰ্মসংস্থান সৃষ্টি আৰু সমৰ্থক সেৱাখণ্ডৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বৰ্তমান যি সময়ত দেশে আত্মনিৰ্ভৰশীলতা আৰু 'মেক ইন ইণ্ডিয়া'ৰ ওপৰত গুৰুত্ব দি আছে, তেনে পৰিৱেশত কোনো ভাৰতীয় গোষ্ঠীৰ দ্বাৰা এনে এক উচ্চ-প্ৰযুক্তিৰ ক্ষেত্ৰত আগবাঢ়ি অহাটো এক উল্লেখযোগ্য পদক্ষেপ বুলি গণ্য কৰিব লাগিব। ইয়াৰ ফলত ভাৰতৰ পৰা ৰপ্তানি কৰিব পৰা সামগ্ৰীৰ তালিকাত বিমানৰ দৰে জটিল আৰু মূল্যবান সামগ্ৰীও অন্তৰ্ভুক্ত হ'ব। লগতে বিত্তীয় ৰাজধানী গুৱাহাটীকে ধৰি সম্ভাব্য স্থানসমূহত এই প্ৰকল্প স্থাপন হ'লে অঞ্চল সমূহৰ অৰ্থনৈতিক গতিশীলতা বৃদ্ধি পোৱাৰো সম্ভাৱনা আছে।

তথাপি, এই ঘোষণাৰ লগে-লগে সাধাৰণ ৰাইজৰ মনত কিছুমান প্ৰশ্নৰ উদয় হোৱাটো স্বাভাৱিক। প্ৰথমতে, এইটো প্ৰকল্পৰ ফলাফল সমগ্ৰ দেশৰ বাবে কিমান সুফলদায়ক হ'ব? অৰ্থাৎ, ইয়াৰ দ্বাৰা সৃষ্টি হোৱা অধিকাংশ চাকৰি উচ্চ দক্ষতাসম্পন্ন লোকৰ বাবে হ'ব নে ইয়াৰ পৰা স্থানীয় স্তৰতো কৰ্মসংস্থানৰ সুযোগ সৃষ্টি হ'ব? দ্বিতীয়তে, এই খিনি বিনিয়োগৰ পৰা দেশীয় বিমান চলাচল সেৱা সুলভ হোৱাত সহায়ক হ'বনে? নতুনকৈ নিৰ্মাণ হ'বলগীয়া বিমানবোৰে দেশৰ ভিতৰুৱা বিমান সেৱাক অধিক বহল আৰু সুলভ কৰি তুলিব পাৰিব নে? তৃতীয়তে, এম্ব্ৰায়াৰৰ সৈতে এই সহযোগিতাৰ গভীৰতা কিমান? ই কেৱল বিমান সংযোজনৰ কামতহে সীমাবদ্ধ থাকিব, নে ভাৰতীয় অভিযন্তাসকলে প্ৰকৃত অৰ্থত নক্সা আৰু কাৰিকৰী জ্ঞানৰ উন্নয়নতো অংশগ্ৰহণ কৰিব? আনহাতে, এই ধৰণৰ বৃহৎ উদ্যোগে পৰিৱেশৰ ওপৰত পেলোৱা সম্ভাব্য প্ৰভাৱৰ প্ৰতি চকু ৰাখি যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটোও অতি প্ৰয়োজনীয়।

সামৰণিত ক'ব পাৰি যে, আদানী-এম্ব্ৰায়াৰৰ এই যুটীয়া উদ্যোগে ভাৰতক এখন সম্ভাৱনাময় খণ্ডত স্থাপন কৰিছে। কিন্তু এই সম্ভাৱনা বাস্তৱ ৰূপ দিয়াটো নিৰ্ভৰ কৰিব চৰকাৰী নীতি, পাৰদৰ্শিতা আৰু এই খণ্ডৰ বিকাশ সাধাৰণ মানুহৰ জীৱনলৈ কেনেদৰে ইতিবাচক পৰিবৰ্তন আনিব পাৰে, তাৰ ওপৰত। দেশে উচ্চাশা কৰিব পাৰে যে এই অংশীদাৰিত্বে কেৱল এটা গোষ্ঠীৰ সম্প্ৰসাৰণ নহয়, দেশৰ উৰণশীলতা আৰু উদ্যোগী শক্তিৰ এক নতুন পৰিচয়হে নিৰ্মাণ কৰিব।

নীলমণি ফুকনৰ সৃষ্টিয়ে কেৱল অসমীয়া সাহিত্যকেই নহয়, সমগ্ৰ ভাৰতীয় সাহিত্যকো সমৃদ্ধ কৰিছে। সূৰ্য, নদী, ফুল, ধোঁৱা আদি প্ৰাকৃতিক উপাদানৰ ব্যঞ্জনাময় ব্যৱহাৰৰ মাজেৰে তেওঁ জীৱনৰ গভীৰ দাৰ্শনিক সত্যসমূহ উন্মোচন কৰিছে। প্ৰকৃতিৰ সৈতে মানৱীয় অনুভূতিৰ অন্তৰঙ্গ মিলন, প্ৰেম-বিৰহ, শূন্যতাৰ বোধ, মৃত্যু আৰু পুনৰ্জন্মৰ ভাৱনা তেওঁৰ কবিতাৰ মুখ্য বৈশিষ্ট্য। জাপানী কবিতাৰ সংক্ষিপ্ততা আৰু ব্যঞ্জনাশক্তিৰ প্ৰভাৱত তেওঁৰ কবিতা ৰূপত সংক্ষিপ্ত হ'লেও অৰ্থত বহুপৰিসৰ আৰু গভীৰ। সমাজৰ দুৰ্দশা, ইতিহাসৰ ধ্বংসস্তূপৰ স্মৃতিৰ পৰা আৰম্ভ কৰি ব্যক্তিগত অভিজ্ঞতা আৰু স্মৃতিলৈকে বিস্তৃত বিষয়বস্তুৰে তেওঁৰ কবিতাক এক বহুমাত্ৰিক কাব্যজগতত উত্তৰণ ঘটাইছে।

# কাব্যঋষি নীলমণি ফুকন চিত্ৰকল্পবাদৰ পথপ্ৰদৰ্শক

**ললিত নাথ**

**নী**লমণি ফুকন আধুনিক অসমীয়া কাব্যজগতৰ এগৰাকী চিত্ৰকল্পবাদী কবি। তেওঁৰ চিত্ৰকল্পৰ মূল আধাৰ হৈছে প্ৰকৃতি, যি কেতিয়াবা নিস্তব্ধ, কোমল আৰু ধ্যানমগ্ন, আকৌ কেতিয়াবা অস্থিৰ, তীব্ৰ আৰু সংঘাতময়। এই দুয়োধৰণৰ চিত্ৰকল্পই জীৱনৰ দ্বৈত ৰূপক প্ৰতিফলিত কৰে। কবিৰ অনুভৱ, দৰ্শন আৰু মানৱ-অন্তৰৰ সূক্ষ্ম স্পন্দনসমূহ তেওঁ সদায় প্ৰকৃতিৰ ৰূপক, প্ৰতীক আৰু দৃশ্যৰ জৰিয়তেই প্ৰকাশ কৰিছে। প্ৰকৃতিৰ চিৰন্তন সৌন্দৰ্য আৰু তাৰ অন্তৰ্নিহিত সত্যক গভীৰ অনুধ্যানৰ সৈতে উপলব্ধি কৰাৰ ফলতেই নীলমণি ফুকনৰ কাব্যিকসত্তাই ক্ষণস্থায়ী সময়ৰ সীমা অতিক্ৰম কৰি এক সৰ্বকালীন তাৎপৰ্য লাভ কৰিছে।

শৈশৱ-কৈশোৰ দেৰগাঁৱৰ এক নান্দনিক প্ৰাকৃতিক পৰিৱেশত কটাই অহাৰ ফলস্বৰূপে তেওঁৰ কবিতাত প্ৰকৃতি কেৱল দৃশ্যপট হৈ নথাকি মানৱ অনুভৱৰ সজীৱ সংগীৰূপে প্ৰতিফলিত হৈছে। প্ৰকৃতিৰ সৌন্দৰ্য আৰু মানুহৰ অন্তৰৰ সূক্ষ্ম অনুভূতিৰ এই গভীৰ মিলনেই তেওঁৰ কবিতাক বিশেষ সংবেদনশীলতা আৰু আত্মিক গভীৰতা প্ৰদান কৰিছে। অৱশ্যে মানুহৰ সৌন্দৰ্য, প্ৰেম, বিদ্ৰোহ আদিৰো

চিত্ৰকল্প তেওঁৰ কবিতাত ঠাই নোপোৱাকৈ থকা নাই। শব্দৰ সূক্ষ্ম বিন্যাস আৰু মায়াময় ভাষাশৈলীৰ জৰিয়তে নীলমণি ফুকনে প্ৰকৃতিৰ মহিমা কাব্যিক ৰূপ দান কৰি অসমীয়া কবিতাক ব্যাপক আৰু গভীৰ অৰ্থৱহ কৰি তুলিছে। ফ্ৰান্স আৰু ইংলেণ্ডৰ সাহিত্য, চিত্ৰকলা, ভাস্কৰ্য আৰু সংগীতৰ প্ৰভাৱ তেওঁৰ কাব্যত বিৰাজমান যদিও, মাতৃভাষাত তেওঁ যিধৰণে ব্যঞ্জনাময় আৰু চিত্ৰধৰ্মী কাব্যভাষা সৃষ্টি কৰিছে, সেয়া নিঃসন্দেহে বিস্ময়কৰ। তেওঁৰ কবিতাৰ শব্দচয়ন, প্ৰতীক, চিত্ৰকল্প, আংগিক, বিষয়বস্তু আৰু দৰ্শনৰ সমন্বয়ে কবিৰ অবচেতন মনত লুকাই থকা সত্যক অন্বেষণ কৰা এক গভীৰ কাব্যিক যাত্ৰাৰ ৰূপ লৈছে। ১৯৬৩ চনত নীলমণি ফুকনৰ কাব্যজীৱনৰ সূচনা ঘটে তেওঁৰ প্ৰথম কবিতা সংকলন সূৰ্য হেনো নামি আহে এই নদীয়েদি প্ৰকাশৰ মাধ্যমেৰে। ইয়াৰ পিছত সময়ৰ সৈতে সংগতি ৰাখি তেওঁ একাধিক গুৰুত্বপূৰ্ণ কাব্যগ্ৰন্থ ৰচনা কৰে। নিৰ্জনতাৰ শব্দ (১৯৬৫), আৰু কি নৈ: শব্দ্য (১৯৬৮), জাপানী কবিতা (১৯৭১), ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে (১৯৭৩), গোলাপ আৰু কাঁইট (১৯৭৫), গোলাপী জামুৰ লগ্ন (১৯৭৭), কবিতা (১৯৮১), নৃত্যৰতা পৃথিৱী (১৯৮৫), সাগৰতলীৰ শংখ (১৯৯৪) আদি গ্ৰন্থসমূহে তেওঁৰ কাব্যসাধনাৰ বিস্তৃত পৰিসৰ প্ৰতিফলিত কৰে। পৰৱৰ্তী সময়ত প্ৰকাশিত সম্পূৰ্ণ কবিতা (২০০৬)ত তেওঁৰ কাব্যিক যাত্ৰাৰ পূৰ্ণ চিত্ৰ সংৰক্ষিত হৈছে।

কবি হিচাপে পৰিচিত হোৱাৰ লগতে নীলমণি ফুকনে অনুবাদক হিচাপেও অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। জাপানী কবিতা, গাৰ্থিয়া লৰ্কাৰ কবিতা, অৰণ্যৰ গান, চীনা কবিতা আদি অনুবাদ গ্ৰন্থৰ জৰিয়তে তেওঁ বিশ্ব সাহিত্যৰ বৈচিত্ৰ্যময় স্বৰসমূহ অসমীয়ালৈ লৈ আহিছে। সম্পাদনাৰ ক্ষেত্ৰতো তেওঁৰ অৱদান গুৰুত্বপূৰ্ণ—১৯৭৭ চনত অসম প্ৰকাশন পৰিষদৰ তৰফৰ পৰা প্ৰকাশিত কুৰি শতিকাৰ অসমীয়া কবিতা শীৰ্ষক সংকলন তেওঁ সম্পাদনা কৰি সমকালীন অসমীয়া কবিতাৰ এক গুৰুত্বপূৰ্ণ দলিল উপহাৰ দিয়ে।

ইয়াৰ উপৰিও লোককল্পদৃষ্টি, ৰূপ-বৰ্ণ-বাক, শিল্প দৰ্শন, বিচিত্ৰ লেখা, বনফুল, অন্বেষা আদি প্ৰবন্ধ সংকলনৰ জৰিয়তে নীলমণি ফুকনে অসমীয়া সাহিত্য-সমালোচনা আৰু শিল্পচিন্তাক গভীৰতা আৰু বৌদ্ধিক বিস্তাৰ প্ৰদান কৰিছে। প্ৰকৃতিৰ সেউজ মুগ্ধতাই যুগে যুগে মানৱচিত্তক যিধৰণে আলোকিত কৰি আহিছে, তাৰ গভীৰ অনুধ্যানেই নীলমণি ফুকনৰ কবিতাক বিশেষভাৱে সমৃদ্ধ কৰি তুলিছে। এই প্ৰকৃতিগত প্ৰেৰণা



অৱলম্বন কৰি তেওঁ অসমীয়া কবিতাত অতি ব্যঞ্জনাঘন আৰু চিত্ৰধৰ্মী কাব্যভাষা গঢ়ি তুলিছিল। ইয়াৰ জৰিয়তে তেওঁ এক নতুন কাব্যধাৰাৰ সূচনা কৰে, য'ত জাপানী হাইকুৰ সংক্ষিপ্ততা আৰু ইউৰোপীয় কবিতাৰ দাৰ্শনিক গভীৰতাৰ প্ৰভাৱ স্পষ্টভাৱে প্ৰতিফলিত হৈছে।

নীলমণি ফুকনৰ সৃষ্টিয়ে কেৱল অসমীয়া সাহিত্যকেই নহয়, সমগ্ৰ ভাৰতীয় সাহিত্যকো সমৃদ্ধ কৰিছে। সূৰ্য, নদী, ফুল, ধোঁৱা আদি প্ৰাকৃতিক উপাদানৰ ব্যঞ্জনাময় ব্যৱহাৰৰ মাজেৰে তেওঁ জীৱনৰ গভীৰ দাৰ্শনিক সত্যসমূহ উন্মোচন কৰিছে। প্ৰকৃতিৰ সৈতে মানৱীয় অনুভূতিৰ অন্তৰঙ্গ মিলন, প্ৰেম-বিৰহ, শূন্যতাৰ বোধ, মৃত্যু আৰু পুনৰ্জন্মৰ ভাৱনা তেওঁৰ কবিতাৰ মুখ্য বৈশিষ্ট্য। জাপানী কবিতাৰ সংক্ষিপ্ততা আৰু ব্যঞ্জনাশক্তিৰ প্ৰভাৱত তেওঁৰ কবিতা ৰূপত সংক্ষিপ্ত হলেও অৰ্থত বহুপৰিসৰ আৰু গভীৰ। সমাজৰ দুৰ্দশা, ইতিহাসৰ ধ্বংসস্তূপৰ স্মৃতিৰ পৰা আৰম্ভ কৰি ব্যক্তিগত অভিজ্ঞতা আৰু স্মৃতিলৈকে বিস্তৃত বিষয়বস্তুৰে তেওঁৰ কবিতাক এক বহুমাত্ৰিক কাব্যজগতত উত্তৰণ ঘটাইছে। এই চিত্ৰকল্পসমূহত নীলমণি ফুকনৰ কবিতাই পাঠকক পোনপটীয়াকৈ গ্ৰাম্য প্ৰকৃতিৰ পৰিৱেশলৈ লৈ যায়, "ধনশিৰি পাৰ হ'লেই পথাৰ/অথবা জীয়া মাছ নে জীয়া গছৰ গোন্ধ/"ৰ দৰে পংক্তিত গাঁৱৰ মাটি, পানী আৰু জীৱনৰ সজীৱ অনুভূতি একেলগে ধৰা দিছে। ইয়াত প্ৰকৃতি কেৱল দৃশ্য নহয়, জীৱন আৰু স্মৃতিৰ গন্ধময় উপস্থিতি। আনহাতে, "গধূলি গোপালৰ পিৰালিত বহি.../" আদি পংক্তিত প্ৰকৃতি কবিৰ অন্তৰ্দহন আৰু আত্মবিশ্লেষণৰ মাধ্যম হিচাপে প্ৰকাশ পাইছে। ককাদেউতাৰ প্ৰতীকৰ জৰিয়তে জীৱনৰ লাভ-লোকচান, দায়বদ্ধতা আৰু অস্তিত্বমূলক প্ৰশ্নসমূহ উন্মোচিত হৈছে। "শিলৰ সাঁকোৰ চেঁচা শামুকীয়া জুই/ নৈৰঞ্জনা নদীৰ পানী একাঁজলি/ৰ দৰে চিত্ৰকল্পত বৌদ্ধিক-আধ্যাত্মিক ভাৱ আৰু তপস্যাৰ প্ৰতিধ্বনি শুনা যায়। নেলীৰ নিষ্ঠুৰ হত্যাকাণ্ডক কেন্দ্ৰ কৰি ৰচিত পংক্তিসমূহত ফুকনে চিত্ৰকল্প ত্যাগ কৰি কঠোৰ, প্ৰায় নগ্ন ভাষাৰ আশ্ৰয় লৈছে। "কোনো নাই ইয়াত "শিশু নাৰী বৃদ্ধ" আদি পংক্তিয়ে সভ্যতাৰ নৈতিক পতন আৰু মানৱতাৰ সম্পূৰ্ণ বিপৰ্যয়ক তীব্ৰভাৱে উন্মোচিত কৰে। এইদৰে ফুকনৰ কবিতাত প্ৰকৃতিৰ সৌন্দৰ্য, ব্যক্তিগত বেদনা আৰু সামাজিক ইতিহাস একে কাব্যিক পৰিসৰত মিলিত হৈ গভীৰ ব্যঞ্জনাৰে প্ৰকাশ পায়। ফুকনৰ এই চিত্ৰকল্পসমূহত সভ্যতাৰ আদিম সময়ৰ সহজ-সৰল জীৱনবোধ আৰু মানৱ-হৃদয়ৰ নিস্তব্ধতা এক বিষণ্ন সৌন্দৰ্যৰে উন্মোচিত হৈছিল। "একেখন ঘৰতে আছিলোঁ দুখৰ মানুহ/উৰুখা চালেৰে কাটে কাল" আদি পংক্তিত দাৰিদ্ৰ্য, সহভাগিতা আৰু সময়ৰ নিৰ্বাক প্ৰৱাহ একেলগে ধৰা পৰে। "সপোনতে এটা বালিমাহী"ৰ দৰে চিত্ৰকল্পই বাস্তৱ আৰু সপোনৰ সীমা মিহলাই মানৱ-মননৰ সূক্ষ্ম জগতক সূচিত কৰে। "সুগৰী পহুৰ শিঙৰ মাজেৰে জোনটো ওলাই আহিছে" এই চিত্ৰকল্পত কবিয়ে একেবাৰে বিশদৃশ দুটা বস্তুৰ মাজত সাম্য স্থাপন কৰি এক অলৌকিক সৌন্দৰ্য সৃষ্টি কৰিছে। ইয়াত প্ৰকৃতিৰ ক্ষুদ্ৰ আৰু বিশালৰ সংযোগে কবিৰ চিত্ৰকল্পবাদী দৃষ্টিভংগীৰ উৎকৃষ্ট নিদৰ্শন দেখা যায়। "তিনিমুনি বাট/ধ্বনিময় বসন্ত/ চিদাম্বৰম" আদি চিত্ৰকল্পত চিত্ৰকলা, স্থাপত্য, ভাস্কৰ্য আৰু লোকসংস্কৃতিৰ পৰোক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়। এই উপাদানসমূহে কবিতাক বহুমাত্ৰিক ব্যঞ্জনাৰ স্তৰত লৈ গৈছে। আনহাতে, "কিন কিন হেঙুলীয়া মাজত / হঠাৎ উধাও/ তই মোৰ সৰু চৰাই"আদি পংক্তিত উজনি অসমৰ লোকগীতৰ কৰুণ সুৰ সুস্পষ্টভাৱে অনুভৱ হয়। এই লোকধ্বনিয়েই ফুকনৰ কবিতাক এক আত্মিক বেদনাৰে সমৃদ্ধ কৰি তুলিছে। এই চিত্ৰকল্পসমূহে নীলমণি ফুকনৰ কবিতাত ব্যঞ্জনা, লোকসংস্কৃতি আৰু আধুনিক কাব্যবোধৰ অপূৰ্ব সমন্বয় প্ৰতিফলিত কৰে।

সাহিত্যিক অৱদানৰ স্বীকৃতিস্বৰূপে নীলমণি ফুকনে বহুকেইটা সন্মানীয় বঁটা লাভ কৰিছে। ১৯৭২ চনত অসম সাহিত্য সভাই প্ৰদান কৰিছিল ৰঘুনাথ চৌধাৰী বঁটা। ১৯৮১ চনত 'কবিতা' কাব্যসংকলনৰ বাবে সাহিত্য অকাডেমি বঁটা, ১৯৮৮ চনত 'লোককল্পদৃষ্টি' নামৰ গ্ৰন্থৰ বাবে জগদ্ধাত্ৰী বঁটা, ১৯৯০ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান, ১৯৯৭ চনত অসম উপত্যকা সাহিত্য বঁটা, ২০০২ চনত সাহিত্য অকাডেমিৰ ফেল'শ্বিপ, ২০১২ চনত অসম সাহিত্য সভাৰ সন্মান, ২০১৭ বৰ্ষত অসম সাহিত্য সভাৰ জাতীয় কবিৰ সন্মান আৰু অৱশেষত ২০২১ চনত জীৱনজোৰা সাধনাৰ বাবে তেওঁলৈ ভাৰতীয় সাহিত্যৰ সৰ্বোচ্চ সাহিত্যিক সন্মান ৫৬তম জ্ঞানপীঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আৰু ইন্দিৰা গোস্বামীৰ পিছত জ্ঞানপীঠ বঁটা লাভ কৰা তেওঁ আছিল অসমীয়া সাহিত্যৰ তৃতীয়জন সাহিত্যিক। এই সকলো বঁটা আৰু সন্মানে তেওঁৰ কাব্যৰ গভীৰতা, সৌন্দৰ্য আৰু বিশ্বমানৰ মহত্ত্বক এক সুস্পষ্ট স্বীকৃতি প্ৰদান কৰিছে। ২০২৩ চনৰ ১৯ জানুৱাৰীত ৮৯ বছৰ বয়সত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত নীলমণি ফুকনৰ দেহাৱসান ঘটাৰ লগে লগেছ অসমীয়া সাহিত্যই এজন দীপ্তিমান কণ্ঠ হেৰুৱালে। এই বিদায় অসমীয়া কাব্যজগতৰ বাবে নিঃসন্দেহে এক অপূৰণীয় ক্ষতি। তথাপি সময়ৰ সীমা অতিক্ৰম কৰি তেওঁৰ কবিতাই চিৰজীৱী ৰূপ লাভ কৰিছে। গভীৰ চিত্ৰকল্প, ব্যঞ্জনাময় ভাষা আৰু দাৰ্শনিক দৃষ্টিভংগীৰে সমৃদ্ধ নীলমণি ফুকনৰ সৃষ্টি আগন্তুক প্ৰজন্মৰ কবি-সাহিত্যিকসকলৰ বাবে অনুপ্ৰেৰণা আৰু পথপ্ৰদৰ্শক হৈ ৰ'ব। তেওঁৰ কাব্যিক সাধনাই অসমীয়া ভাষা আৰু সাহিত্যক বিশ্ব সাহিত্যৰ মঞ্চত সুদৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিছে আৰু সেই সৃষ্টিশীল উত্তৰাধিকাৰ চিৰকাল অমলান হৈ থাকিব।

# বৰ্তমানৰ উন্নয়ন আৰু অসম

**ড° আৰ কে বেজবৰুৱা**

**সে**য়া বৃটিছ আমোলৰ কথা। অসমৰ কিছুমান ল'ৰা গৈছিল কলিকতালৈ উচ্চ শিক্ষাৰ বাবে। তেওঁলোকে কলিকতাত গৈ দেখিছিল অসমৰ গাতে লাগি থকা কলিকতাৰ সৰ্বস্তৰৰ বিকাশ। প্ৰথমতে তেওঁলোকে অনুভৱ কৰিছিল - ভাষাৰ দুৰৱস্থাৰ কথা। তাৰ পিছত আছিল ব্যৱসায়িক পশ্চাদগামীতা। তৃতীয়তে আছিল অসমীয়া মানুহৰ অনুকৰণ প্ৰিয়তা।

আমেৰিকান ব্যাপ্তিষ্ট মিছনেৰীসকলৰ লগতে বিভিন্ন জনে অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ বাবে যুদ্ধ কৰা কথা সকলোৱে জানে। ব্যৱসায়ক গুৰুত্ব দি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই ভোলানাথ বৰুৱাৰ লগ লাগি চম্বলত কাঠৰ কাৰবাৰত হাত দিছিল। অসমীয়াৰ অনুকৰণ প্ৰিয়তা কমাবলৈ বেজবৰুৱাই স্বয়ং উপলুঙা কৰি লিখিছিল 'মলক গুইন গুইন'ৰ দৰে ব্যাংগ ৰচনা। কিন্তু অসমীয়া মানুহৰ আজিও পৰিবৰ্তন নহ'ল।

আজিৰ অসমীয়াই ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়ুৱাই গৰ্ব কৰে আৰু ভাষা গ'ল গ'ল বুলি চিঞৰে। ব্যৱসায় কৰা অসমীয়াৰ সংখ্যা আজিৰ দিনতো আঙুলিৰ মূৰত গণিব পাৰি। অনুকৰণৰ কথা কৈ লাভ নাই। এই শিপা, সেই তাহানিৰ বৃটিছৰ দিনৰ পৰা কংগ্ৰেছৰ দিনলৈকে থাকিল। কাম নকৰা অসমীয়াৰ বাবে বাংলাদেশৰ নাগৰিক আনি বহুৱালে। সংবিধানিক গণ্ডীৰ ভিতৰত অসমীয়াক ৰাজ্য ভাষা কৰাৰ উপৰিও বেলেগ ৰাজ্যৰ ভাষা এটা অসমত প্ৰচলন কৰিবলৈ সুবিধা কৰি দিয়া হ'ল। কেন্দ্ৰীয় চৰকাৰৰ কোনো প্ৰতিবাদ নকৰাকৈ অসমৰ চৰকাৰে শোষণৰ সুবিধা প্ৰদান কৰি থাকিল। নাই কোনো শিক্ষাৰ সংস্কাৰ, নাই কোনো স্বাস্থ্য ব্যৱস্থা, যাতায়তৰ উন্নয়ন।

যোগেন হাজৰিকা ১৯৭৯ চনৰ ৯ চেপ্তেম্বৰৰ পৰা ১৯৭৯ চনৰ ১১ ডিচেম্বৰলৈ অসমৰ মুখ্যমন্ত্ৰী হৈ থকা সময়তো অসমৰ বাহিৰৰ, বিশেষকৈ বঙালী সকলে বিদেশী বিতাৰণ আন্দোলনটোক অন্য এক ৰূপ দিয়াৰ চেষ্টা কৰিছিল। অন্নদাশংকৰ ৰায় নামৰ বঙালী লোক এজনৰ লেখাত তাক স্পষ্ট ৰূপত দেখা পোৱা গৈছিল। আন্দোলনৰ বিৰুদ্ধে আছিল সমস্ত কংগ্ৰেছী আৰু বামপন্থী নেতাসকল। আৰম্ভণিৰে পৰাই এইসকল বুদ্ধিজীৱী আৰু ৰাজনৈতিক নেতাই আন্দোলনটোক উগ্ৰ জাতীয়তাবাদৰ পোচাক পিন্ধাবলৈ চেষ্টা কৰি আহিছিল। তাৰ মাজত কেইজনমান উচ্চ শিক্ষিত বুদ্ধিজীৱী আছিল। তেওঁলোকে অসমৰ বাহিৰৰ বাতৰি কাকত-আলোচনীত আন্দোলনৰ সমালোচনা কৰি প্ৰবন্ধ লিখিছিল। বৰ্তমানেও তেনে লোকেই অসম চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ তৰাৰ কথা শুনা যায়।

শেহতীয়া ভাৱে লক্ষণীয় পৰিবৰ্তন কিছুমান অসমত দেখা গৈছে। চিকিৎসা আৰু স্বাস্থ্য ক্ষেত্ৰত অসমে অভূতপূৰ্ব পৰিবৰ্তন দেখা পাইছে। প্ৰতিখন জিলাতে মেডিকেল কলেজ হ'বলৈ গৈ আছে। কেন্সাৰৰ চিকিৎসাত নতুন দিগন্তৰ উন্মোচন হৈছে। শিক্ষাৰ ক্ষেত্ৰতো অনেক প্ৰগতি আহিছে। ব্ৰহ্মপুত্ৰৰ ওপৰত কেইখন দলং হৈছে, তাৰ হিচাপ হয়তো বহুতেই পটক্ কৈ দিব নোৱাৰিব। টেট পৰীক্ষাৰ মাধ্যমত দিয়া শিক্ষক পদত স্বচ্ছ নিযুক্তি। আৰু চতুৰ্থ- তৃতীয় বৰ্গৰ কৰ্মচাৰীক স্বচ্ছ নিযুক্তি দি অসমে অভিলেখ গঢ়িছে।

চাহ বাগিচা অঞ্চলত হাইস্কুল স্থাপন কৰি বিকাশৰ নতুন আন্দোলনৰ সূচনা কৰিছে। তাতকৈ ডাঙৰ কথা যে যোৱা দুশ বছৰ আগতে অসমলৈ অহা চাহবাগিচাৰ ছিন্নমূল লোকসকলে মাটিৰ অধিকাৰ লাভ কৰিছে।

যদিয়ো আমি সততে কৈ থকা 'ভাল কাম' আৰু 'বেয়া কাম'ৰ বুলি সংজ্ঞা নিৰ্দ্ধাৰণ কৰাটো সহজ কথা নহয়। কিয়নো যি দৰে ধানে প্ৰতি কণটো, সেই দৰে মানুহ আৰু তেওঁৰ মনে ভাল বা বেয়াৰ ধাৰণা পোষণ কৰে। মানুহৰ চিন্তাৰ পৰা উৎপত্তি হয় ধাৰণা। যদি কোনো এটা কাম মানুহৰ চিন্তাত ভাল বুলি ধাৰণা হয়, তেনেকুৱা কামক তেওঁ 'ভাল' বুলি ক'ব। যদি কাৰোবাৰ মনত সকলোৱে ভাল বুলি কোৱা কামটোৰ প্ৰতি বেয়া ধাৰণাৰ সৃষ্টি হয়, তেন্তে হাজাৰজনে ভাল বুলি ক'লেও কোনো পধ্যেই তাক তেওঁ ভাল বুলি নকয় বা নাভাবে। এটা কথা ঠিক যে যেতিয়া আধাতকৈ বেছি মানুহে কিছুমান কামৰ শলাগ লয়, তেতিয়া সেই কামটোক ভাল কাম বুলি নিশ্চিত ভাবে ক'ব পাৰি।

কিছুবছৰৰ আগলৈকে অসমে ৰিফাইনাৰী, বিশ্ববিদ্যালয়, মেডিকেল কলেজ, ৰাস্তা-ঘাট, দলঙৰ বাবে আন্দোলন কৰিব লগীয়া হৈছিল। বিদেশী বহিষ্কাৰৰ বাবে কি কি হোৱা নাছিল, সেই কথা প্ৰতিজন অসমীয়াই পাহৰা নাই। কিন্তু আজিৰ চৰকাৰে নিজৰ উদ্যোগত সকলো কৰি আছে। অশান্তিজৰ্জৰ অসমত শান্তি প্ৰতিষ্ঠা হোৱাটো কাৰ বাবে কাম্য নহয়? যদি অবৈধ ভূমি দখলৰ পৰা উদ্ধাৰ কৰি নালাগে, তেন্তে সেয়া বেয়া কাম। জনগাঁথনি সলনিৰ প্ৰতিৰোধ কৰিব যদি নালাগে, সেয়াও বেয়া কাম।

অসমৰ ৰুগ্ন কল কাৰখানাবোৰ কৰ্মক্ষম কৰাৰ আঁচনিও অসমবাসীৰ বাবে আশা ব্যঞ্জক। মাইক্ৰ' চিপচ্ উৎপাদন এক বিশাল প্ৰকল্প। কিছু দিন আগতে আয়োজন কৰা এডভাণ্টেজ অসমৰ দ্বাৰা অসমৰ অৰ্থনৈতিক উন্নয়নৰ প্ৰয়াসে সৰ্ব স্তৰৰ মানুহৰ মনত আশাৰ কিৰণ সিঁচিছে। মহাবীৰ লাচিত বৰফুকনক ভাৰতীয় প্ৰক্ষাপটত উন্মোচিত কৰাটো আন এটা মহৎ কৰ্ম। অতি প্ৰাচীন অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্য্যাদাই সমগ্ৰ জাতিটোকে গৌৰৱান্বিত কৰিছে। চৰাইদেউৰ মৈদামে বিশ্ব ঐতিহ্যবাহী ৰূপ পোৱাত অসমীয়া গদ্ গদ্ হৈছে। ৰাস্তা-ঘাটৰ উন্নয়নে অসমক এক প্ৰকাৰ দুৰন্ত গতি দিছে। শেহতীয়াকৈ অবৈধ দখল উচ্ছেদ কৰিবলৈ চৰকাৰৰ যি পৰিকল্পনা, সেই পৰিকল্পনাক সাকাৰ ৰূপ দিয়াৰ লগে লগে অসমীয়া জাতিৰ নিৰাপত্তা বা ৰক্ষাকবচ নিৰ্মাণ হ'ব বুলি অসমবাসী নিশ্চিত।

শ্বহীদ স্মাৰক আন এটা অতি গুৰুত্বপূৰ্ণ কাম। কাজিৰঙাত নিৰ্মাণ হ'ব লগীয়া এলিভেটেড কৰিড'ৰে নিঃসন্দেহে বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব।

চৰকাৰখন যি পাৰ্টিৰে নহওক, প্ৰদেশ এখনৰ জনসংখ্যাৰ অধিক ভাগে চৰকাৰে কৰা কামৰ শলাগ ল'লৈ বুজিব লাগিব - সেয়া নিশ্চিত ভাবে ভাল কাম। তেনেকুৱা কামত কাৰো দ্বিমত থাকিব নালাগে - যি কামৰ দ্বাৰা দেশৰ প্ৰগতি আৰু গৌৰৱ অনুভৱ কৰিব পাৰি। পাতনিতে উল্লেখ কৰাৰ দৰে এনেকুৱা কামত অযথা ৰাইজৰ ধন খৰচ কৰাৰ বাবে কোনোৱে বেয়া পাব পাৰে। তেওঁ তাক বেয়া কাম বুলিও ক'ব পাৰে। তাত কৰিব লগীয়া কাৰো একো নাই। কিন্তু এচাম মানুহে এইবোৰ কাম অসমত হোৱাটো নিবিচাৰে। ৰাইজৰ অধিকাংশই ভালপোৱা কামক যদি কোনোবাই বেয়া বুলি কয়, নিঃসন্দেহে সেই সকল দেশদ্ৰোহী। দেশদ্ৰোহীক সকলোৱে চিনি থোৱা উচিত। শেহতীয়াকৈ চৰকাৰে লোৱা ভূমিকা বোৰে অসমৰ সৰ্বস্তৰৰ মানুহকে সুখী কৰিছে বুলি ভাব হৈছে। যদি কোনোবাই বেয়া বুলি কয়, সেয়া হৈছে চিন্তা আৰু দৃষ্টিৰ দুৰ্ভিক্ষ।

# কল্পনা আৰু বাস্তৱৰ মিলনস্থল হিচাপে সাহিত্য

**তৰালী বৰুৱা**

**সা**হিত্য মানুহৰ অন্তৰাত্মাৰ এক সূক্ষ্ম প্ৰকাশ। ই কেৱল শব্দৰ সংযোজন নহয়, বৰঞ্চ অনুভৱ, অভিজ্ঞতা, কল্পনা আৰু বাস্তৱ জীৱনৰ গভীৰ সংমিশ্ৰণ। মানুহৰ জীৱনটো যিদৰে সুখ-দুখ, আশা-নিৰাশা, সঁচা-মিছাৰ মাজত গঢ় লৈ উঠে, সাহিত্যতো তেনেদৰে কল্পনা আৰু বাস্তৱৰ সেতু হৈ উঠি মানুহৰ মনোজগতক বিস্তাৰ কৰে। সাহিত্যৰ মাজতে কল্পনা মুক্ত হৈ পাখি মেলি উৰে, কিন্তু সেই উৰণ সদায় বাস্তৱৰ মাটিৰ ওপৰতেই আৰম্ভ হয়। এই দৃষ্টিত সাহিত্যক কল্পনা আৰু বাস্তৱৰ মিলনস্থল বুলি কোৱাটো একেবাৰে যুক্তিসংগত।

বাস্তৱ জীৱন মানুহৰ চিন্তা-চেতনাৰ মূল আধাৰ। সমাজ, পৰিৱেশ, সময় আৰু অভিজ্ঞতাই মানুহৰ মনত যি চিন্তা জন্ম দিয়ে, সেই চিন্তাৰ পৰাই সাহিত্যৰ বীজ অংকুৰিত হয়। কোনো সাহিত্যিকেও শূন্যত লিখিব নোৱাৰে। তেওঁ দেখিছে, শুনিছে, অনুভৱ কৰিছে- এই সকলোবোৰ বাস্তৱ অভিজ্ঞতাই সাহিত্যিকৰ কল্পনাক উদ্দীপিত কৰে। কিন্তু সেই অভিজ্ঞতাসমূহ সাহিত্যত হুবহু ৰূপে প্ৰকাশ নাপায়; কল্পনাৰ স্পৰ্শে সেইবোৰ অধিক গভীৰ, অধিক অৰ্থবহ আৰু অধিক মানৱীয় ৰূপ লয়। এইখিনিতে কল্পনা আৰু বাস্তৱ একেলগে মিলি সাহিত্যক জন্ম দিয়ে।

কল্পনা সাহিত্যৰ প্ৰাণশক্তি। কল্পনা নাথাকিলে সাহিত্য কেৱল তথ্যৰ ভঁৰাল হৈ ৰ'লেহেঁতেন। কল্পনাই সাহিত্যক সজীৱ কৰে, অসম্ভৱক সম্ভৱৰ ৰূপ দিয়ে আৰু অদৃশ্যক দৃশ্যমান কৰি তোলে। উপন্যাস, কাহিনী, কবিতা বা নাটক- সকলো ক্ষেত্ৰতেই কল্পনাই লেখকৰ চিন্তাক সীমাৰ বাহিৰলৈ লৈ যায়। তথাপি এই কল্পনা সম্পূৰ্ণ বিচ্ছিন্ন নহয়; ই সদায় কোনো বাস্তৱ সত্যৰ সৈতে জড়িত। এজন কবিয়ে প্ৰকৃতিত দেখা দুখ, সৌন্দৰ্য বা নিস্তব্ধতাৰ আধাৰত কল্পনাৰ জগত গঢ়ে। বাস্তৱত দেখা এজনে মানুহ সাহিত্যত এক প্ৰতীক হৈ উঠিব পাৰে, আৰু তেওঁৰ ব্যক্তিগত যন্ত্ৰণা সমগ্ৰ সমাজৰ যন্ত্ৰণাৰ ৰূপ ল'ব পাৰে।

সাহিত্যৰ মাজত বাস্তৱৰ উপস্থিতি বহু ৰূপত দেখা যায়। সমাজৰ বৈষম্য, দৰিদ্ৰতা, শোষণ, প্ৰেম, বিদ্ৰোহ, নাৰী-সংকট, মানৱীয় মূল্যবোধ- এই সকলোবোৰ বাস্তৱ জীৱনৰেই অংশ। সাহিত্যই এই বিষয়সমূহ কল্পনাৰ আলোকেৰে উজ্জ্বল কৰি পাঠকৰ সন্মুখত দাঙি ধৰে। এজন লেখকে হয়তো এটা কাল্পনিক চৰিত্ৰ সৃষ্টি কৰে, কিন্তু সেই চৰিত্ৰৰ সুখ-দুখ, ভাৱনা আৰু সংঘাত একেবাৰে বাস্তৱ অনুভৱৰ সৈতে মিল খায়। পাঠকে তেনে চৰিত্ৰত নিজৰ জীৱনৰ প্ৰতিচ্ছবি দেখা পায়, আৰু সেইয়াই সাহিত্যৰ সাৰ্থকতা।

কল্পনা আৰু বাস্তৱৰ এই মিলন সাহিত্যক কেৱল মনোৰঞ্জনৰ মাধ্যম হৈ থাকিবলৈ নিদিয়ে; ই সমাজক সচেতন কৰাৰ এক শক্তিশালী অস্ত্ৰ হৈ উঠে। বহু সময়ত সাহিত্যই সমাজৰ তিতা সত্যবোৰক কল্পনাৰ মিঠা বা তীক্ষ্ণ ভাষাৰে উপস্থাপন কৰে, যাৰ ফলত পাঠকে সহজে সেই সত্যবোৰ গ্ৰহণ কৰিব পাৰে। কেতিয়াবা কল্পনাৰ আশ্ৰয় লৈ বাস্তৱৰ অন্যায়, অমানৱীয়তা আৰু অসামঞ্জস্যক অধিক তীব্ৰ ৰূপত প্ৰকাশ কৰা হয়। এইদৰে সাহিত্যই সমাজৰ আয়না হৈ উঠি মানুহক আত্মসমালোচনাৰ পথ দেখুৱায়।

অসমীয়া সাহিত্যৰ কথাও ইয়াত উল্লেখযোগ্য। অসমীয়া সাহিত্যত কল্পনা আৰু বাস্তৱৰ সংমিশ্ৰণ সুস্পষ্টভাৱে দেখা যায়। বেজবৰুৱাৰ ব্যংগ্য, জ্যোতিপ্ৰসাদৰ নাটক, লক্ষ্মীনাথ বেজবৰুৱা বা হোমেন বৰগোহাঞিৰ গদ্য- সকলোতেই সমাজৰ বাস্তৱ চিত্ৰ কল্পনাৰ সৃজনশীল ৰূপত প্ৰতিফলিত হৈছে। লোককথা, উপকথা আৰু পৌৰাণিক কাহিনীতো বাস্তৱ জীৱনৰ নৈতিক শিক্ষা কল্পনাৰ আৱৰণত লুকাই থাকে। এই সাহিত্যসমূহে পাঠকক কেৱল কাহিনী শুনোৱাই নহয়, জীৱন বুজিবলৈও সহায় কৰে।

সাহিত্যই মানুহক বাস্তৱৰ পৰা পলায়ন কৰিবলৈ নহয়, বৰঞ্চ বাস্তৱক নতুন দৃষ্টিৰে চাবলৈ শিকায়। কল্পনাৰ সহায়ত সাহিত্যই মানুহক আশাৰ পথ দেখুৱায়, যি পথ বাস্তৱ জীৱনত হয়তো স্পষ্টকৈ দেখা নাযায়। দুখীয়া মানুহৰ জীৱনত সুখৰ স্বপ্ন, অন্যায়ৰ মাজত ন্যায়ৰ আকাংক্ষা, অন্ধকাৰৰ মাজত পোহৰৰ কল্পনা- এই সকলোবোৰ সাহিত্যৰ জৰিয়তে মানুহৰ মনত সজীৱ হৈ থাকে। এই কল্পনাই মানুহক বাস্তৱ জীৱনত আগবাঢ়িবলৈ সাহস যোগায়। সাহিত্য এক এনে ক্ষেত্ৰ য'ত কল্পনা আৰু বাস্তৱে পৰস্পৰক অস্বীকাৰ নকৰে, বৰঞ্চ পৰিপূৰক হৈ উঠে। বাস্তৱ সাহিত্যক গভীৰতা দিয়ে, আৰু কল্পনাই তাক বিস্তৃতি আৰু সৌন্দৰ্য প্ৰদান কৰে। এই দুয়োটাৰ মিলনতেই সাহিত্য সাৰ্থক, শক্তিশালী আৰু চিৰন্তন হৈ থাকে। সেইবাবে সাহিত্য কেৱল কল্পনাৰ জগত নহয়, কেৱল বাস্তৱৰ প্ৰতিলিপিও নহয়- সাহিত্য হৈছে কল্পনা আৰু বাস্তৱৰ এক অপূৰ্ব মিলনস্থল, য'ত মানুহে নিজৰ জীৱন, সমাজ আৰু আত্মাক নতুন ৰূপত চিনি পায়।

*ঠিকনা ঃ লখিমপুৰ, বিহপুৰীয়া*
*দূৰভাষ ঃ ৮৮২২৩১১২০২*

### বিশ্বনাথ জিলাক সমৃদ্ধিশালী কৰাত জিলাবাসীৰ সহযোগিতা বিচাৰিলে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই

# বিশ্বনাথত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৭ জানুৱাৰী ঃ** ৰাজ্যখনৰ অন্যান্য ঠাইৰ লগতে বিশ্বনাথতো জিলা প্ৰশাসনৰ উদ্যোগত দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস ব্যাপক উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। জিলা সদৰ বিশ্বনাথ চাৰিআলিৰ কাছাৰী ময়দানত আয়োজিত দিৱসৰ মূল কাৰ্য্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে মুখ্য অতিথি তথা অসম অসামৰিক সেৱাৰ এগৰাকী জ্যেষ্ঠ বিষয়া লক্ষ্মীনন্দন চহৰীয়াই। দেশৰ শ্বহীদ আৰু মুক্তিসেনানী সকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে ভাৰতীয় সংবিধানৰ পিতৃ পুৰুষ বাবাচাহেব ভীমৰাও আম্বেদকাৰ প্ৰমুখ্যে সংবিধান প্ৰণয়নৰ লগত জড়িত থকা প্ৰতি গৰাকী পুৰুধা ব্যক্তিলৈ তেওঁ গভীৰ শ্ৰদ্ধা নিবেদন কৰে। বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, প্ৰাক্তন মন্ত্ৰী প্ৰবীন হাজৰিকা, বিশ্বনাথ চাৰিআলি পৌৰ সভাৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰ, বিশ্বনাথ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া লিজা তালুকদাৰ, আৰক্ষী অধীক্ষক অজাগৌৰণ বসুমতাৰী, অতিৰিক্ত জিলা আয়ুক্ত সকল ক্ৰমে কবিতা কাকতি কোঁৱৰ, অমৃত প্ৰভা দাস, অসীম বৰগোহাঁই, জিলা ন্যায়িক দণ্ডাধীশ সকলৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া, মুক্তিযোদ্ধাৰ পৰিয়াল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া, জ্যেষ্ঠ নাগৰিক, সৰ্বসাধাৰণ ৰাইজ, সাংবাদিক সকল আৰু ছাত্ৰ-ছাত্ৰীসকল, বিভিন্ন দল সংগঠনৰ প্ৰতিনিধি প্ৰমুখ্যে কেইবাহাজাৰো জনতাৰ উপস্থিতিত প্ৰদান কৰা নাতিদীৰ্ঘ ভাষণত মুখ্য অতিথি তথা বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই বিশ্বনাথৰ দৰে সুবিশাল জিলাখনক সমৃদ্ধিশালী ৰূপত গঢ়ি তোলাৰ বাবে বিগত দিনবোৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পদক্ষেপ সমূহৰো এক চমু অৱলোকন দাঙি ধৰি জিলাখনত ৰূপায়িত হৈ থকা অভিলাষী আঁচনি সমূহৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হলে বিশ্বনাথ প্ৰগতিৰ বাটত জাকত জিলিকা হৈ পৰিব বুলিও মন্তব্য কৰে। ভাষণত মুখ্য অতিথি গৰাকীয়ে বিভিন্ন সময়ত প্ৰশাসনক সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা বিভিন্ন ৰাজনৈতিক দল-সংগঠন, বেচৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠান প্ৰমুখ্যে বিশ্বনাথবাসী প্ৰতিগৰাকী ব্যক্তিলৈ প্ৰশাসনৰ তৰফৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। নাতিদীৰ্ঘ ভাষণত মুখ্য অতিথি লক্ষ্মীনন্দন চহৰীয়াই বিশ্বনাথক সমৃদ্ধিশালী ৰূপত গঢ়ি তোলাৰ বাবে বিগত দিনবোৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পদক্ষেপসমূহৰ বাবে অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি ইস্পিত লক্ষ্যত উপনীত হোৱাৰ বাবে তেওঁ জিলাবাসী সমূহ ৰাইজৰ সক্ৰিয় সহযোগিতাৰো কামনা কৰে। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই গণৰাজ্য দিৱসৰ দিনা পুৱা ৫ বজাত জনসংযোগ বিভাগৰ দ্বাৰা



অনুভাষ যন্ত্ৰযোগে দেশপ্ৰেমমূলক গীত পৰিৱেশনেৰে গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ পাতনি মেলা হয়। তাৰ পাছতে নিজ নিজ বাসগৃহ, চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰা হয়। চহৰখনৰ ক্লক টাৱাৰ সংলগ্ন সুসাহিত্যিক দীননাথ শৰ্মা, অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য আৰু দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ ত্ৰিমূৰ্তিত বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে পুষ্পাঞ্জলি অৰ্পণ কৰে। চেনিৰাম দাস শিশু উদ্যানত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি নিবেদনৰ পাছত কাছাৰী ময়দানত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ মুখ্য অতিথি লক্ষ্মীনন্দন চহৰীয়াই আৰক্ষী জোৱান, এন. চি. চি. কেডেট, স্কাউট গাইড, বিদ্যালয়-মহাবিদ্যালয় আদি দল সমূহৰ কুচকাৱাজৰ অভিবাদনো গ্ৰহণ কৰে। ভাস্কৰজ্যোতি বৰাই আঁত ধৰা এই অনুষ্ঠানত পেৰেড কামাণ্ডাৰ উপ আৰক্ষী অধীক্ষক অহিকা বৈশ্যৰ নেতৃত্বত ডিষ্ট্ৰিক্ট এগ্‌জেকিউটিভ্ ফৰ্চ, গৃহৰক্ষী বাহিনী, বিশ্বনাথ মহাবিদ্যালয় এন. চি. চি.(ছাত্ৰ আৰু ছাত্ৰী)ৰ গোট, জৱাহৰ নৱোদয় বিদ্যালয়(এন. চি. চি., স্কাউট পুৰুষ, গাইড মহিলা আৰু বেণ্ড প্লাটুন)ৰ কেইবাটাও দল, বিশ্বনাথ জিলা প্ৰাক্তন সৈনিক কল্যাণ সংস্থা, জ্ঞান ভাৰতী স্কুল, শংকৰদেৱ শিশু বিদ্যা নিকেতন আদি কৰি মুঠ ১১টা দলে কুচকাৱাজত অংশগ্ৰহণ কৰে। এই বেলি গণৰাজ্য দিৱসৰ কাৰ্যসূচীত জিলা আয়ুক্ত কাৰ্যালয়ৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ, মহিলা আৰু শিশু উন্নয়ন বিভাগ, জিলা কৃষি বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ (জল জীৱন মিচন)ৰ দ্বাৰা দৃষ্টিনন্দন প্ৰতীক পট প্ৰদৰ্শন কৰাটো আছিল অতিকৈ আকৰ্ষণীয়। গণৰাজ্য দিৱসৰ এই কাৰ্যসূচীত দিবাকৰ বৰাৰ পৰিচালনাত আৰু বিশ্বনাথৰ শিল্পীসকল আৰু ছাত্ৰ ছাত্ৰীৰ দ্বাৰা বন্দে মাতৰম্ শীৰ্ষক সমস্বৰ সংগীত, নৃত্যাঞ্জলি কলা নিকেতনৰ শিল্পীৰ দ্বাৰা দেশপ্ৰেমমূলক গীতৰ আধাৰত নৃত্য, ৰমেণ ৰাউতীয়াৰ পৰিচালনাত ৰাজ্যিক পৰ্যায়ত ঝুমুৰ বিনন্দিনী কাৰ্যসুচীত অংশগ্ৰহণকাৰী শিল্পীৰ দ্বাৰা ঝুমুৰ নৃত্য, সংগীতা কাকতিৰ পৰিচালনাত বিহু নাচ, প্ৰতিমা দৈমাৰীৰ পৰিচালনাত বাগুৰুম্বা দ'হৌত অংশগ্ৰহণকাৰী শিল্পীৰ দ্বাৰা বাগুৰুম্বা নৃত্য, ববীতা দাস বৰাৰ পৰিচালনাত জৱাহৰ নৱোদয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰম্পৰাগত নৃত্য প্ৰদৰ্শন আছিল অতি আকৰ্ষণীয়। পতাকা উত্তোলন কাৰ্যসুচীৰ পিছতে জিলা কাৰাগাৰৰ কাৰাবাসী, জিলা অসামৰিক চিকিৎসালয় আৰু বিশেষভাৱে সক্ষম বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত লঘু আহাৰ বিতৰণ কৰা হয়। বিয়লি বিশ্বনাথ জিলা আয়ুক্ত একাদশ বনাম বিশ্বনাথ ক্ৰীড়া সন্থা একাদশৰ মাজত এখন প্ৰীতি ক্ৰিকেট খেলো অনুষ্ঠিত কৰা হয়। দিৱসৰ সমগ্ৰ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলো ৰাইজকে জিলা প্ৰশাসনে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছেঁ।

# যক্ষ্মা চিকিৎসালয়ত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, সোণাপুৰ, ২৭ জানুৱাৰী ঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে সোণাপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বক্ষ চিকিৎসালয়ত কালি ৭৭ সংখ্যক গণৰাজ্য দিৱসটি গাম্ভীৰ্য আৰু উৎসাহ-উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে চিকিৎসালয়ৰ চৌহদত আয়োজিত কাৰ্যসূচীত চিকিৎসালয়ৰ অধীক্ষক ডাঃ উজ্জ্বল কুমাৰ শৰ্মাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পিছত ভাষণ প্ৰদান কৰি ডাঃ উজ্জ্বল কুমাৰ শৰ্মাই ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতীয় সংবিধান কাৰ্যকৰী হোৱাৰ লগে লগে ভাৰত এখন সাৰ্বভৌম, গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ গণৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰাৰ কথা উল্লেখ কৰে। সংবিধানৰ জৰিয়তে সকলো নাগৰিকক সমতা, ন্যায়, স্বাধীনতা আৰু ভ্ৰাতৃত্বৰ অধিকাৰ নিশ্চিত কৰা হৈছিল বুলি উল্লেখ কৰি সংবিধান প্ৰণেতা ড° ভীমৰাও আম্বেদকাৰসহ সকলো মহান নেতাৰ অৱদান গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰে। লগতে কিছুদিন পূৰ্বে কালাপাহাৰৰ পৰা সোণাপুৰলৈ স্থানান্তৰিত হোৱা চিকিৎসালয়খনত আন্তঃগাঁথনিৰ অভাৱৰ মাজতো যক্ষ্মা ৰোগীসকলক অহোপুৰুষাৰ্থ সেৱা আগবঢ়াই সুস্থ কৰি ঘৰলৈ পঠিয়াই দিয়াৰ বাবে চিকিৎসালয়ৰ বিষয়া-



কৰ্মচাৰীসকলক আন্তৰিক প্ৰশংসা জনায়। আনহাতে উপ-অধীক্ষক ডাঃ ৰিংকুমণি ভূএগ্ৰাই ভাষণত উল্লেখ কৰে যে, গণৰাজ্য হিচাপে ৭৭ বছৰৰ এই যাত্ৰাত ভাৰতবৰ্ষে শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, অৰ্থনীতি, কৃষি আৰু ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। নতুনকৈ স্থাপিত হোৱা যক্ষ্মা চিকিৎসালয়খনত পতাকা উত্তোলনৰ এই মুহূৰ্ত ভৱিষ্যতলৈ চিৰস্মৰণীয় হৈ ৰ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। উল্লেখ্য যে, গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি জিলা আয়ুক্ত, কামৰূপ মহানগৰ কাৰ্যালয়ৰ উদ্যোগত চিকিৎসালয়ত চিকিৎসাধীন ৰোগীসকলৰ মাজত ফলাহাৰ বিতৰণ কৰে। উক্ত ফলাহাৰ বিতৰণত বিশেষভাৱে সহযোগিতা আগবঢ়ায় চিকিৎসালয়ৰ মেট্ৰন খাদেজা খাটুন, ৱাৰ্ড ইনচাৰ্জ মামণি দেউৰী, ৰীণা দাস, ৰুজুৱাৰা বেগম, দীপিকা ডেকা, পূৰ্ণিমা লোধ, ডিম্পল দাসৰ লগতে কৰ্তব্যৰত বিষয়া কৰ্মচাৰীসকলে।

# আজিৰে পৰা গোপালথানৰ ৯১ সংখ্যক সভা মহোৎসৱ

**অসম বাৰ্তা, বাঁহজানী, ২৭ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ গো-পালন সমিতি, গোপালথানৰ উদ্যোগত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা ৯১ সংখ্যক গোপালথানৰ সভা মহোৎসৱ কাইলৈৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব। সভা মহোৎসৱৰ উপলক্ষে কাইলৈ পুৱা ৭-৩০ বজাত পৰিৱেশ নিকাকৰণৰ পিছত ৮ বজাত গো-পালন সমিতিৰ সভাপতি অমূল্য কুমাৰ ডেকাই ধৰ্মধ্বজা উত্তোলন কৰিব। ইয়াৰ পিছত স্মৃতি তৰ্পণ কৰিব সমিতিৰ উপ-সভাপতি দ্বয় কমল মেধি আৰু কন্দৰ্প তালুকদাৰে। ৯ বজাত সমাজ সেৱক হৰদত্ত ডেকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব পুত্ৰ মাধৱ ডেকাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব গোপালথান পলিটেকনিকেল ইনষ্টিটিউচনৰ প্ৰধান শিক্ষক ৰূপ কুমাৰ শৰ্মাই। তাৰ পিছত ক্ৰমে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ আৰু সন্ধিয়া সভা মহোৎসৱৰ দ্বাৰ মুকলি কৰিব বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰে। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন, সভা মহোৎসৱৰ সমিতিৰ অন্তৰ্গত চুবুৰী সমূহৰ পৰা নৈবেদ্য লৈ শোভাযাত্ৰা, আৰু ৭ বজাত শিল্পী ভনীতা বৈশ্যৰ নাগাৰা নাম অনুষ্ঠিত হ'ব। সভিৰ দ্বিতীয় দিনা ২৯ জানুৱাৰীত পৰিৱেশ নিকাকৰণ, দিনৰ ১০ বজাত গো-পূজা, হোমপাঠ, ১২ বজাত বাৰ গোপাল সেৱা অনুষ্ঠিত হ'ব। বাৰ গোপাল সেৱা অনুষ্ঠানত মুখ্য অতিথি হিচাপে স্থানীয় বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিশিষ্ট অতিথি হিচাপে সমাজ কৰ্মী গণেশ তামোলী আৰু আমন্ত্ৰিত অতিথি হিচাপে অধ্যাপক ডঃ পৰাগ কুমাৰ ডেকা আৰু নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মা উপস্থিত থাকিব। দুপৰীয়া শান্তি প্ৰদান, সমূহীয়া ভোগবিতৰণ, আবেলি নাগাৰা নাম পৰিৱেশন কৰিব ৰাজশ্ৰী চহৰীয়া (ছিপাঝাৰ) আৰু নমিতা কলিতা (ৰঙিয়া) ই। ৩০ জানুৱাৰীৰ দিনা প্ৰাতপ্ৰসঙ্গ, যুগল নাম, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নাগাৰা নাম পৰিৱেশন আৰু সন্ধিয়া গো-পালন সমিতিৰ প্ৰাক্তন সভাপতি হৰগোবিন্দ ডেকাৰ সোঁৱৰণত সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। সভা মহোৎসৱৰ কাৰ্যসূচী সমূহত ৰাইজৰ সহায়-সহযোগিতা, উপস্থিতি গো-পালন সমিতিৰ সম্পাদক অখিল ডেকাই কামনা কৰিছে।

### গৌৰৱ গগৈ, দেৱব্ৰত শইকীয়া, ভূপেন কুমাৰ বৰা, বিধায়ক ভাস্কৰ বৰুৱাৰ শোকপ্ৰকাশ

# গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি গোলাপ শইকীয়াৰ পৰলোকপ্ৰাপ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৭ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ দক্ষিণ হেঙেৰা মৌজাৰ ২ নং শিয়ালেখাতি গাঁৱৰ স্থায়ী বাসিন্দা, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা প্ৰদেশ কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সদস্য গোলাপ শইকীয়া(৬১)ই গুৱাহাটী হেঙেৰাবাৰিস্থিত বাসগৃহত মঙলবাৰে হৃদৰোগত আক্ৰান্ত হৈ পৰলোকপ্ৰাপ্তি হয়। প্ৰতিষ্ঠিত ব্যৱসায়ী তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা গোলাপ শইকীয়াৰ শেহতীয়াকৈ গুৱাহাটীৰ দিশপুৰ হস্পিতেলত চিকিৎসা চলি আছিল। কংগ্ৰেছ দলৰ একনিষ্ঠ সেৱক গোলাপ শইকীয়া দেৱৰ অকাল মৃত্যুত গোলাঘাট জিলাখনৰ লগতে সমগ্ৰ কংগ্ৰেছ পৰিয়ালত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, তিনিগৰাকী কন্যা, দুজন জোঁৱাই, এগৰাকী নাতি সহ বংশ, পৰিয়াল, আত্মীউ-কুটুম্ব তথা আত্মীয় স্বৰ্জনক ইহ সংসাৰত এৰি থৈ গৈছে। পৰিয়ালৰ লোকে সাংবাদিকক জানিবলৈ দিয়া মৰ্মে তেখেতৰ অন্তিম সংকাৰৰ কাম সমূহ গুৱাহাটীতে সম্পন্ন কৰিব। তেখেতৰ মৃত্যুত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, সাংসদ গৌৰৱ গগৈ, অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি ভূপেন কুমাৰ বৰা, তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ বৰুৱা, অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদিকা দিপান্বীতা দুৱৰা, গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ মুখপাত্ৰ দিগন্ত বাইলুং আৰু ৰুস্তম বৰা, জিলা কংগ্ৰেছৰ সভাপতি মদন বৰা, গোলাঘাট জিলা যুৱ কংগ্ৰেছ কমিটিৰ সভাপতি ৰূপান্তৰ তাঁতী প্ৰমুখ্যে বিষয়-ববীয়া সকলে গভীৰ শোকপ্ৰকাশ কৰি পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰিছে।

# হেলেম আৰক্ষীৰ সফল অভিযানত গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ




**অসম বাৰ্তা, গহপুৰ, ২৭ জানুৱাৰী ঃ** অতি গোপনে দীৰ্ঘদিন ধৰি গাঞ্জা ব্যৱসায় চলাই অহা এগৰাকী দুৰ্ধৰ্ষ গাঞ্জা ব্যৱসায়ী অৱশেষত হেলেম আৰক্ষীৰ জালত বন্দী হৈছে। গহপুৰ সমজিলাৰ আৰক্ষী অধীক্ষক প্ৰাণজিৎ লহকৰ আৰু হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ চিতলাৰ নেতৃত্বত হেলেম আৰক্ষীৰ এটা দলে চলোৱা এক কৌশলগত অভিযানত আজি বিয়লি প্ৰায় ৩ বজাত চন্দামাৰীৰ কাষৰীয়া ফাটিয়াবাৰীৰ নিজা ঘৰৰ পৰা গ্ৰেপ্তাৰ হয় গাঞ্জা ব্যৱসায়ী প্ৰদীপ শইকীয়া(পিতা ঃ ধৰ্মেশ্বৰ শইকীয়া)। আৰক্ষীৰ অভিযানকাৰী দলটোৱে তেওঁৰ জিম্মাৰ পৰা ১.৯৭৬ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। ধৃত প্ৰদীপ শইকীয়াৰ বিৰুদ্ধে হেলেম আৰক্ষীয়ে ০৫/২০২৬ নম্বৰত এটা জামিনবিহীন গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। হেলেম আৰক্ষীৰ এই সফল অভিযানক শলাগ লৈছে অঞ্চলটোৰ সচেতন ৰাইজে। উল্লেখযোগ্য যে-গাঞ্জা ব্যৱসায়ী প্ৰদীপ শইকীয়াই অতি গোপনে চলাই অহা গাঞ্জা ব্যৱসায়ৰ বিৰূদ্ধে কৌশলপূৰ্ণভাবে অভিযান অব্যাহত ৰাখিছিল আৰক্ষী বিষয়া পংকজ চিতলাই। আৰক্ষী বিষয়াগৰাকীৰ এই অভিযানৰ মাজতে আজি গাঞ্জাসহ প্ৰদীপ শইকীয়া গ্ৰেপ্তাৰ হোৱা খবৰক লৈ সন্তোষ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। উল্লেখযোগ্য যে-অঞ্চলটোৰ একাংশ উঠি অহা প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি নিছিল এইগৰাকী গাঞ্জা ব্যৱসায়ী প্ৰদীপ শইকীয়াই।

# গণৰাজ্য দিৱস উপলক্ষে শিশুৰ মাজত কাণ্ট্ৰি উইমেনচৰ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, আমগুৰি, ২৭ জানুৱাৰী ঃ** দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে কাণ্ট্ৰি উইমেনচ আমগুৰি শাখাই ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৭৫৫ নং আমগুৰি ১নং প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰকলা, সংগীত, নৃত্য আৰু কবিতাৰ এক আকৰ্ষণীয় প্ৰতিযোগিতা আয়োজন কৰা হয়। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত পৌৰোহিত্য কৰে শাখাৰ সভাপতি উৰ্মিলা দত্তই। সম্পাদক ৰজিতা বৰাই উদ্দেশ্য ব্যাখা কৰা সভাত বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, অভিভাৱিকা আৰু স্থানীয় গণ্য-মান্য ব্যক্তিৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে পূৰ্ণ সহযোগ কৰে। গণৰাজ্য দিৱসত প্ৰথমবাৰ বিদ্যালয়খনত "কাণ্ট্ৰি উইমেনচ"এ আয়োজন কৰা এই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাটো শুভ লক্ষণ বুলি সকলোৱে সন্তুষ্টি প্ৰকাশ কৰে আৰু শাখাৰ সদস্যা সকলৰ শলাগ লয়। অনুষ্ঠানত শাখাৰ জ্যেষ্ঠ সদস্য দিপালী শইকীয়া বৰুৱা, ৰাণী শৰ্মা, সন্ধ্যাৰাণী শইকীয়া, নীলিমা শইকীয়াকে ধৰি সকলো সদস্যাই অংশগ্ৰহণ কৰে।

### দুগৰাকী সাংবাদিকসহ বহু কেইজন বৰেণ্য ব্যক্তিক সম্বৰ্ধনা

# মাজুলীতো দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন




**অসম বাৰ্তা, উজনী মাজুলী, ২৭ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে মাজুলী জিলাতো দিনজোৰা কাৰ্যসূচীৰে কালি ৭৭-সংখ্যক দেশৰ গণৰাজ্য দিৱস উদ্‌যাপন কৰে। সেই অনুসৰি জিলাখনত ২৬ জানুৱাৰীৰ পুৱা জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত অনুভাষ যন্ত্ৰৰ জৰিয়তে দেশ প্ৰেমমূলক গীত পৰিৱেশন কৰে। ৭ বজাত জিলাখনৰ নিজ নিজ বাসভৱনত ৰাষ্ট্ৰীয় পতাকা উন্মোচন, ৭-৩০ বজাত চৰকাৰী - বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। ৮-৪০ বজাত বিশিষ্ট অতিথি আৰু মুক্তিযুদ্ধা পৰিয়ালৰ লোকৰ দ্বাৰা শ্বহীদ তৰ্পণ আৰু ৯ বজাত গড়মূৰ কছাৰী মৈদানত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে অৰ্ধ সামৰিক বাহিনী, অসম আৰক্ষীৰ দ্বাৰা প্ৰদৰ্শন কৰা কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰি গণৰাজ্য দিৱসৰ জিলাস্তৰীয় কাৰ্যসূচীত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰে। ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি আয়ুক্ত গৰাকীয়ে চৰকাৰৰ জনকল্যাণ কামী আঁচনিৰ জৰিয়তে বিভিন্ন ক্ষেত্ৰত জনগণ উপকৃত হোৱা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰাৰ লগতে ৰাইজৰ বাবে চৰকাৰে প্ৰয়োগ কৰা প্ৰতিখন আঁচনিৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। ইয়াৰ উপৰিও আয়ুক্ত গৰাকীয়ে মাজুলীৰ উন্নয়নমূলক কামৰো চমু এক খতিয়ান দাঙি ধৰে। অনুষ্ঠানত আৰক্ষী বাহিনী, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, ভাৰত স্কাউত এণ্ড গাইড, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কুছকাৱাজ প্ৰদৰ্শন, মাজুলী সাংস্কৃতিক কেন্দ্ৰৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শনৰ লগতে মাজুলীৰ বিশিষ্ট ব্যক্তিৰ লগতে মাজুলীলৈ গৌৰৱ কঢ়িয়াই অনা বিভিন্ন ক্ষেত্ৰৰ বহু কেইগৰাকী ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ ভিতৰত মিচিং সমাজৰ ঐতিহ্য আৰু পৰম্পৰাৰ অনন্য চানেকি মিৰিজিম নিজ হাতেৰে বৈ উলিয়াই দেশৰ মহামহিম ৰাষ্ট্ৰপতিৰ হাতৰ পৰা ৰাষ্ট্ৰীয় পুৰস্কাৰ গ্ৰহণ কৰা বাপুকন পায়েং, মাজুলীৰ সামগ্ৰিক আইন-শৃংখলা ৰক্ষা কৰি কৃতিত্ব দেখুওৱা মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (সদৰ) ৰাজশ্ৰী ধনদিয়া, বিশিষ্ট চিত্ৰশিল্পী তথা গৱেষক দিগন্ত হাজৰিকা, মুখাশিল্পী খগেন গোস্বামী, চিত্ৰশিল্পী, কনিষ্টবল নীলমণি চাংমাই, দুগৰাকী সাংবাদিক, সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী তথা সাংবাদিক ক্ৰমে সঞ্জীৱ কুমাৰ দত্ত আৰু তীৰ্থ ভূএগ্ৰা বৰগায়ন আৰু মাজুলীত কৃষি উৎপাদন বৃদ্ধিৰে অভূতপূৰ্ব সফলতা লাভ কৰা মাজুলী জিলা কৃষি বিভাগক জিলা প্ৰশাসনে সম্বৰ্ধনা জনায়। ১১ বজাত মাজুলী জিলা বনিক সন্থাৰ সহযোগত কমলাবাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰ আৰু জেংৰাইমুখ আদৰ্শ চিকিৎসালয়, গড়মূৰ পীতাম্বৰদেৱ গোস্বামী জিলা অসামৰিক চিকিৎসালয়ৰ ৰোগী সকলৰ লগতে মাজুলী জিলা কাৰাগাৰৰ কাৰাবন্দী সকলৰ মাজত ফল-মূল বিতৰণ কৰে। গণৰাজ্য দিৱসৰ অনুষ্ঠানত মাজুলীৰ বিধায়ক ভুৱন গাম, জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবিৰ উপৰিও কেইবাগৰাকীও মুক্তিযুঁজাৰু আৰু তেখেতসকলৰ পৰিয়ালৰ সদস্য, সমাজৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

# ভেৰগাঁৱত মহকুমা প্ৰশাসনৰ উদ্যোগত ৭৭ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন

**অসম বাৰ্তা, খৈৰাবাৰী, ২৭ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা প্ৰশাসনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। এই উপলক্ষ্যে পুৱা মহকুমাধিপতিৰ কাৰ্যালয়ৰ প্ৰাংগণত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। পেৰেড গ্ৰাউণ্ড ছহিদ বেদীত পুষ্পাঞ্জলী অৰ্পণ কৰে ভেৰগাঁৱৰ মহকুমাধিপতি ৰিংখাং মোছাহাৰীয়ে। ইয়াৰ পিচতে মহকুমাধিপতি মোছাহাৰীয়ে জাতীয় পতাকা উন্মোচন কৰাৰ লগতে বিগত বৰ্ষটোত বিভিন্ন বিভাগৰ উন্নয়নৰ খতিয়ান দাঙি ধৰে। ইয়াৰ পিচত অসম আৰক্ষীৰ লগতে কেইবাখনো মহাবিদ্যালয়, বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে প্ৰদৰ্শন কৰা মাৰ্চ পাষ্টৰ পিচত বিভিন্ন বিভাগৰ প্ৰদৰ্শনী অনুষ্ঠিত হয়। আনহাতে স্থানীয় কেইবাটাও জনগোষ্ঠীয় শিল্পীৰ দলে লোক নৃত্য পৰিবেশন কৰা সাংস্কৃতিক কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰ মনপা জনগোষ্ঠীৰ এটা শিল্পীৰ দলে পৰিবেশন কৰা লোকনৃত্য আৰু য়্যাক নৃত্যৰ উপৰি ৰৌতাৰ নৰ্থ ইষ্ট ইংলিছ স্কুলৰ বিদ্যাৰ্থী সকলে কৰা যোগ প্ৰদৰ্শনে সকলোকে আপ্লুত কৰে। ইয়াৰ পিচত মাৰ্চপাষ্টৰ লগতে ২৫ জানুৱাৰীত ভেৰগাঁও মহকুমাধিপতি উদ্যোগত অনুষ্ঠিত হোৱ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী সকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ইম লৌমশ্ৰ দৈমাৰীৰ লগতে বিভিন্ন দল সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে।

# নহিৰাত ভয়ংকৰ পথ দুৰ্ঘটনা; নিহত এজন

**ছয়গাঁও, ২৭ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ নহিৰাত ডাম্পাৰৰ খুন্দাত এজন যুৱকৰ মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। নিহত লোকজন নহিৰা গাঁৱৰ ঝাৰপাৰাৰ বিশ্বজিৎ দাস(৩২)। জানিব পৰা মতে AS-25, FC-2271 নম্বৰৰ বালি কঢ়িওৱা ডাম্পাৰৰ খুন্দাত নিহত হয় যুৱকজন। নহিৰা ডাকঘৰৰ সমীপত সংঘটিত হয় এই ভয়াবহ পথ দুৰ্ঘটনাটো। দুৰ্ঘটনা সংঘটিত কৰিয়েই পলায়ন কৰে ডাম্পাৰৰ চালকজন। দুৰ্ঘটনা সংঘটিত কৰি বালি কঢ়িওৱা ডাম্পাৰখন পলাবলৈ চেষ্টা কৰে যদিও ৰাইজে খেদি খেদি জব্দ কৰে ডাম্পাৰখন। উল্লেখযোগ্য যে- দক্ষিণ কামৰূপৰ বিভিন্ন প্ৰান্তত দিনে নিশাই ডাম্পাৰ দৌৰাত্ম্য বৃদ্ধিয়ে অতিষ্ঠ কৰিছে সৰ্বসাধাৰণ ৰাইজক।

### তিনি হাজাৰ পাঁচশ পানীৰ বটল বিতৰণ

# হোজাইত গণৰাজ্য দিৱসত ভেলী ফ্লাৱাৰ উদ্যোগৰ প্ৰশংসনীয় পদক্ষেপ

**অসম বাৰ্তা, লংকা, ২৭ জানুৱাৰী ঃ** হোজাই জিলাৰ এক আগশাৰী বেচৰকাৰী প্ৰতিষ্ঠান ভেলী ফ্লাৱাৰে পুনৰ এবাৰ সামাজিক দায়বদ্ধতাৰ নিদৰ্শন দাঙি ধৰিছে। প্ৰতিষ্ঠানটোৱে বিগত কেইবা বছৰ ধৰি সমাজকল্যাণমূলক বিভিন্ন কাৰ্যসূচীৰ জৰিয়তে হোজাই জিলাৰ ৰাইজৰ আস্থা আৰু বিশ্বাস অৰ্জন কৰি আহিছে। সেই ধাৰাবাহিকত ২০১৮ চনৰ পৰা ধৰি প্ৰতি বছৰে শ্ৰীমন্ত শংকৰদেৱ নগৰৰ কছাৰী মৈদানত অনুষ্ঠিত হোৱা গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত উপস্থিত ৰাইজক বিনামূলীয়াকৈ খোৱা পানী বিতৰণ কৰি আহিছে ভেলী ফ্লাৱাৰে। এই বাৰো গণৰাজ্য দিৱস উপলক্ষে প্ৰতিষ্ঠানটোৱে প্ৰায় তিনি হাজাৰ পাঁচশ আধা লিটাৰৰ খোৱা পানীৰ বটল বিনামূলীয়াকৈ বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। তীব্ৰ গৰম আৰু দীঘলীয়া অনুষ্ঠানকালত এনে উদ্যোগে ৰাইজৰ বাবে যথেষ্ট সহায়ক বুলি মত প্ৰকাশ কৰিছে বহু উপস্থিত নাগৰিকে। কেৱল এই কাৰ্যসূচীতেই সীমাবদ্ধ নাথাকি ভেলী ফ্লাৱাৰ উদ্যোগে শিক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰি আহিছে। উল্লেখযোগ্য যে যোৱা ২০২৫ বৰ্ষত প্ৰতিষ্ঠানটোৱে হোজাই জিলাৰ দহজন মেধাৱী আৰু আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক পাঁচ হাজাৰ টকাকৈ এককালীন সাহায্য প্ৰদান কৰি তেওঁলোকৰ উচ্চ শিক্ষাৰ পথত উৎসাহ যোগাইছিল। এই পদক্ষেপে অভিভাৱক সমাজৰ লগতে সচেতন মহলৰো প্ৰশংসা লাভ কৰিছিল। ইয়াৰ উপৰিও প্ৰতিষ্ঠানটোৱে পৰিৱেশ সংৰক্ষণ আৰু পৰিৱেশ নিকাকৰণৰ ক্ষেত্ৰতো বিভিন্ন সচেতনতামূলক আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰি আহিছে। বিভিন্ন সামাজিক অনুষ্ঠান, ধৰ্মীয় সভা আৰু ৰাজহুৱা কাৰ্যসূচীৰ সময়ত পৰিৱেশ পৰিষ্কাৰ ৰখাৰ ক্ষেত্ৰত ভেলী ফ্লাৱাৰৰ স্বেচ্ছাসেৱকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সমাজৰ প্ৰতি এনে দায়বদ্ধতা, মানৱিকতা আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ বাবে ভেলী ফ্লাৱাৰ উদ্যোগে হোজাই জিলাৰ ৰাইজৰ মাজত ক্ৰমাৎ জনপ্ৰিয়তা লাভ কৰিছে। আগন্তুক দিনসমূহতো প্ৰতিষ্ঠানটোৱে সমাজসেৱাৰ এই ধাৰাবাহিকতা অব্যাহত ৰাখিব বুলি আশা প্ৰকাশ কৰিছে ৰাইজে।

# পদ্ম বঁটাক লৈ বিতৰ্ক !

সৰ্বোচ্চ অসামৰিক সন্মানক কেন্দ্ৰ কৰি তীব্ৰ ৰাজনৈতিক বাকযুদ্ধ আৰম্ভ হৈছে। বিৰোধী দল কংগ্ৰেছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে পদ্ম বঁটাক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। কংগ্ৰেছৰ দাবী অনুসৰি, এইবাৰৰ পদ্ম বঁটা লাভ কৰা বহু ব্যক্তিয়ে সেইসমূহ ৰাজ্যৰ সৈতে সম্পৰ্কিত, য'ত চলিত বৰ্ষতে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া। এই সন্দৰ্ভত প্ৰফেচনেলছ কংগ্ৰেছ আৰু ডাটা এনালাইটিৰ সভাপতি প্ৰবীণ চক্ৰৱৰ্তীয়ে সামাজিক মাধ্যম 'এ'ত এটা পোষ্টযোগে চৰকাৰৰ তীব্ৰ সমালোচনা কৰে। চক্ৰৱৰ্তীয়ে তেওঁৰ পোষ্টত উল্লেখ কৰে যে এইবাৰৰ পদ্ম বঁটা বিজয়ীসকলৰ প্ৰায় ৩৭ শতাংশই নিৰ্বাচনমুখী ৰাজ্যসমূহৰ। উল্লেখ্য যে ২০২৬ বৰ্ষৰ আৰম্ভণিতে অসম, কেৰালা, তামিলনাড়ু, পশ্চিমবংগ আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। তেওঁ অভিযোগ কৰে যে, জনসংখ্যাৰ হিচাপত এই ৰাজ্যসমূহৰ অংশ মাত্ৰ ১৮ শতাংশ হ'লেও, তাতেই ৩৭ শতাংশ বঁটা প্ৰদান কৰা হৈছে। চক্ৰৱৰ্তীয়ে লিখে, "মোদী চৰকাৰে পদ্ম বঁটাকো নিৰ্বাচনী কৌশলৰ এক অস্ত্ৰলৈ ৰূপান্তৰিত কৰিছে।" লগতে তেওঁ দাবী কৰে যে ২০২০ চনৰ পৰা চৰকাৰে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ৰাজ্যসমূহক লক্ষ্য কৰি বঁটা বিতৰণ কৰাৰ এক ধাৰাবাহিক প্ৰৱণতা অনুসৰণ কৰি আহিছে। এই বিষয়ত কংগ্ৰেছ সাংসদ কাৰ্তি চিদাম্বৰমেও চৰকাৰক কটাক্ষ কৰে। তেওঁ কয় যে যদি 'এক দেশ এক নিৰ্বাচন' নীতি কাৰ্যকৰী হ'লহেঁতেন, তেন্তে চৰকাৰৰ বাবে পদ্ম বঁটা প্ৰাপক বাছনি কৰাটো যথেষ্ট কঠিন হৈ পৰিলহেঁতেন। তেওঁ মন্তব্য কৰে, "বৰ্তমান পৰিস্থিতিত কামটো অতি সহজ— কেৱল য'ত নিৰ্বাচন আছে, সেই ৰাজ্যৰ পৰাই ব্যক্তিক বাছনি কৰক।" একেদৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ গিৰিজা শেটকাৰেও অভিযোগ কৰে যে পদ্ম বঁটাৰ তালিকাখন চায়ে বুজিব পাৰি কোনখন ৰাজ্যত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইফালে বিৰোধীৰ এই সকলো অভিযোগক কঠোৰভাৱে খণ্ডন কৰিছে শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে। বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ শ্বাহজাদ পুনৱাল্লাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক মতভেদৰ ঊৰ্ধ্বত গৈ যোগ্য ব্যক্তিক সন্মান প্ৰদান কৰাত বিশ্বাস কৰে। পুনৱাল্লায়ে ওলোটাই কংগ্ৰেছক আক্ৰমণ কৰি কয়, "গান্ধী— নেহৰু পৰিয়ালে নিজৰ মাজতেই ভাৰতৰত্ন বিতৰণ কৰিছিল আৰু ড° বি. আৰ. আম্বেদকাৰ বা চৰ্দাৰ বল্লভভাই পেটেলৰ দৰে মহান নেতাক বঞ্চিত কৰিছিল।" তেওঁ লগতে দাবী কৰে যে প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজনৈতিক সীমাৰ বাহিৰত গৈ দেশৰ সেৱা কৰা ব্যক্তিক সন্মান জনাইছে। বিজেপিৰ মুখপাত্ৰই আনহাতে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সমালোচনা কৰি কয় যে তেওঁ শশী থাৰুৰ বা গুলাম নবী আজাদৰ দৰে নেতাক অপমান কৰাৰ বিপৰীতে, প্ৰধানমন্ত্ৰী মোদীয়ে সকলো যোগ্য ব্যক্তিক ন্যায্য সন্মান প্ৰদান কৰিছে। এইদৰে ২০২৬ বৰ্ষৰ পদ্ম বঁটাক কেন্দ্ৰ কৰি শাসক আৰু বিৰোধীৰ মাজত আৰম্ভ হোৱা এই ৰাজনৈতিক বিতৰ্কই দেশৰ ৰাজনৈতিক পৰিৱেশ অধিক উত্তপ্ত কৰি তুলিছে।

# বাজেট অধিৱেশনৰ পূৰ্বে

কাজৰ পৰিচালনা, আলোচনাৰ পদ্ধতি আৰু অধিৱেশনকালীন অন্যান্য গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে সদৰি কৰা অনুসাৰে, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ সভাপতিত্বত এই সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে কথা পাতি মন্ত্ৰী ৰিজিজুৱে কয় যে সকলো ৰাজনৈতিক দলৰ পৰা অহা পৰামৰ্শসমূহ চৰকাৰে ৰেকৰ্ড কৰিছে। তেওঁ উল্লেখ কৰে যে বছৰৰ প্ৰথম সংসদীয় অধিৱেশন হিচাপে বাজেট অধিৱেশনক বিশেষ গুৰুত্ব দিয়া হৈছে আৰু এই অধিৱেশন বুধবাৰৰ পৰা আৰম্ভ হ'ব। কাইলৈ ৰাষ্ট্ৰপতিয়ে সংসদৰ যুটীয়া অধিৱেশনত ভাষণ প্ৰদান কৰিব আৰু তাৰ পিছদিনা অৰ্থনৈতিক জৰীপ দাখিল কৰা হ'ব। অহা ১ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰে সংসদত সাধাৰণ বাজেট দাখিল কৰিব বুলিও তেওঁ জনায়। বাজেট দাখিলৰ পাছত ৰাষ্ট্ৰপতিৰ ভাষণৰ ওপৰত ধন্যবাদ প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। কিৰেন ৰিজিজুৱে লগতে কয় যে সংসদৰ কাম-কাজ সুচাৰুৰূপে চলাই নিবলৈ চৰকাৰে সকলো ৰাজনৈতিক দলকে আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁ কয়, ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ আৰু সংসদীয় গণতন্ত্ৰৰ মৰ্যাদা অটুট ৰাখিব সকলো পক্ষৰ দায়িত্ব। জনসাধাৰণে যি উদ্দেশ্যেৰে নিজৰ প্ৰতিনিধিসকলক নিৰ্বাচিত কৰিছে, সেই উদ্দেশ্য পূৰণ কৰাটোৱেই সংসদৰ মুখ্য কৰ্তব্য বুলি তেওঁ মন্তব্য কৰে। বৈঠকত দেশৰ ৩৯টা ৰাজনৈতিক দলৰ ৫১ গৰাকী নেতাই অংশগ্ৰহণ কৰে বুলিও মন্ত্ৰী ৰিজিজুৱে জানিবলৈ দিয়ে। তেওঁ স্পষ্ট কৰি কয় যে সংসদত আলোচনা নিয়ম আৰু বিধি অনুসৰি চলিব লাগিব। প্ৰতিজন সদস্যৰ নিজৰ মতামত প্ৰকাশ কৰাৰ অধিকাৰ আছে, কিন্তু একে সময়তে আন সদস্যসকলৰো নিজৰ কথা সদনত উত্থাপন কৰাৰ অধিকাৰ আছে বুলি তেওঁ উল্লেখ কৰে। ইফালে বুধবাৰৰ পৰা আৰম্ভ হ'বলগীয়া বাজেট অধিৱেশনত কংগ্ৰেছৰ লগতে কেইবাটাও বিৰোধী দলে চৰকাৰক বিভিন্ন বিষয়ত কোণঠাসা কৰাৰ ইংগিত দিয়ে। বিৰোধী দলসমূহে এমএনৰেগা আঁচনি, মোদী চৰকাৰৰ বৈদেশিক নীতি, আমেৰিকাৰ শুল্কনীতি, ডলাৰৰ বিপৰীতে টকাৰ মূল্য হ্ৰাস, বায়ু প্ৰদূষণ আৰু জনস্বাৰ্থৰ সৈতে জড়িত একাধিক বিষয় সংসদত উত্থাপন কৰা হ'ব বুলি জানিবলৈ দিয়ে। ৰাজ্যসভাত কংগ্ৰেছৰ উপ-নেতা প্ৰমোদ তিৱাৰীয়ে চৰকাৰৰ বিৰুদ্ধে সাংবিধানিক অধিকাৰ সংকুচিত কৰাৰ লগতে সাংবিধানিক প্ৰতিষ্ঠানসমূহ দুৰ্বল কৰাৰ অভিযোগো উত্থাপন কৰে। সামগ্ৰিকভাৱে বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পূৰ্বেই চৰকাৰ আৰু বিৰোধীৰ মাজত ৰাজনৈতিক তৎপৰতা বৃদ্ধি পোৱা দেখা গৈছে আৰু আগন্তুক দিনকেইটাত সংসদত তীব্ৰ আলোচনা হোৱাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে।

# নেপথ্য সংগীতত কণ্ঠদান

কৰি উল্লেখ কৰে, "নমস্কাৰ, আটাইবোৰলৈ নৱবৰ্ষৰ শুভেচ্ছা। ইমান বছৰ ধৰি মোক শ্ৰোতা হিচাপে দিয়া আপোনালোকৰ ভালপোৱাৰ বাবে ধন্যবাদ। মই সুখেৰে ঘোষণা কৰিছোঁ যে, এতিয়াৰ পৰা মই নেপথ্য কণ্ঠশিল্পী হিচাপে কোনো নতুন কাম নকৰোঁ। মই এই অধ্যায় সামৰিলোঁ। এই যাত্ৰা সঁচাকৈয়ে অসাধাৰণ আছিল।" আৰিজিত সিঙৰ এই ঘোষণা ৰাজহুৱা হোৱাৰ লগে লগে তেওঁৰ সংখ্যাধিক অনুৰাগীৰ মাজত বিস্ময় আৰু দুখৰ খলপলনি দেখা গৈছে। বিভিন্ন সামাজিক মাধ্যমৰ পৃষ্ঠাসমূহত তেওঁৰ সিদ্ধান্তৰ বিৰুদ্ধে শোক আৰু অভিমানৰ সোঁত বয়। বহুতে তেওঁৰ কণ্ঠৰ মাধুৰ্য্য আৰু সংগীতে জীৱনত আনি দিয়া সুখৰ কথা কৈ এই সিদ্ধান্তক এক শূন্যতা বুলি অভিহিত কৰিছে। আৰিজিত সিঙে প্লেবেক গায়কৰ পৰা আঁতৰি অহাৰ কোনো স্পষ্ট কাৰণ এতিয়ালৈকে ব্যক্ত কৰা নাই। তথাপি সংগীত জগতৰ নিকটৱৰ্তী সূত্ৰসমূহৰ মতে, এই সিদ্ধান্ত কোনো বিতৰ্ক, স্বাস্থ্যজনিত সমস্যা বা হঠাত ক্লান্তিৰ ফলশ্ৰুতি নহয়। বৰঞ্চ ইয়াৰ মূলত আছে ব্যক্তিগত বৃদ্ধি, সৃষ্টিশীল স্বাধীনতা আৰু সংগীতৰ সৈতে অধিক গভীৰভাৱে যুক্ত হোৱাৰ ইচ্ছা। সূত্ৰমৰ্মে, তেওঁ চলচ্চিত্ৰৰ প্লেবেক গায়কীৰ নিয়মীয়া হেঁচা আৰু বেছনি ব্যস্ততাৰ পৰা অলপ আঁতৰি আহি এখন শিল্পী হিচাপে নিজৰ সৃষ্টিশীলতাৰ মুক্ত অন্বেষণ, নতুন শিকণ আৰু সংগীতৰ মৌলিক দিশসমূহৰ সৈতে পুনৰ সংযোগ স্থাপন কৰিব বিচাৰে। নতুনকৈ প্লেবেক গীট গাবলৈ অস্বীকাৰ কৰিলেও, আৰিজিত সিঙে ইতিমধ্যে কণ্ঠদান কৰি থোৱা কেইবাটাও নতুন গান বৰ্তমান বছৰৰ শেষৰ ফালে মুক্তি পাব বুলি জনা গৈছে। গতিকে, অনুৰাগীসকললৈ তেওঁৰ কণ্ঠনিঃসৃত নতুন সংগীত অহাৰ পথ সম্পূৰ্ণৰূপে বন্ধ হোৱা নাই। তদুপৰি, তেওঁ স্বাধীনভাৱে সংগীত সৃষ্টি বা আন কোনো ৰূপত সংগীতৰ সৈতে জড়িত হৈ থাকিব পাৰে বুলি আশা কৰা হৈছে। সংগীতৰ জগতখনলৈ আগবঢ়োৱা আৰিজিত সিঙৰ অনন্য অৱদান চিৰস্মৰণীয়। তেওঁৰ এই সিদ্ধান্তে এখন যুগৰ সমাপ্তি সূচাব পাৰে, কিন্তু তেওঁৰ কণ্ঠই আমাৰ মনত আৰু সংগীতভাণ্ডাৰত সদায়েই জীয়াই ৰাখিব।

# ৮ ফেব্ৰুৱাৰীত ফাদিল হ'ব গৌৰৱ গগৈৰ পাকিস্তান

সন্দৰ্ভত গঠন কৰা বিশেষ তদন্ত দল (SIT)-ৰ প্ৰতিবেদন ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। মঙলবাৰে অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকত এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি এই বিষয়ত বিস্তৃত তথ্য ৰাজহুৱা কৰে। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে, আলী তৌকিৰ শ্বেখৰ সৈতে সম্পৰ্কিত গোচৰ সন্দৰ্ভত গঠন কৰা SITৰ প্ৰতিবেদন কেবিনেট বৈঠকত আলোচনা কৰা হৈছে। কেবিনেটে গৃহ বিভাগক নিৰ্দেশ দিছে যে অহা ৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া কেবিনেট বৈঠকত এই বিষয়টো আনুষ্ঠানিকভাৱে উত্থাপন কৰিব লাগিব। লগতে ৮ ফেব্ৰুৱাৰীত দিনৰ ১০.৩০ বজাত সংবাদমেলৰ জৰিয়তেই SITৰ প্ৰতিবেদন যিমানখিনি সম্ভৱ, সেইখিনি ৰাজহুৱা কৰিবলৈ মুখ্যমন্ত্ৰীক অধিকাৰ প্ৰদান কৰা হৈছে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি কয় যে, এই গোচৰটোত গৌৰৱ গগৈ প্ৰত্যক্ষভাৱে জড়িত। তেওঁৰ ভাষ্য অনুসাৰে, ৭ ফেব্ৰুৱাৰীত গৃহ বিভাগ আৰু ৰাজনৈতিক বিভাগে আনুষ্ঠানিক Cabinet Memorandum কেবিনেটত উত্থাপন কৰিব। তাৰ পাছত ৮ ফেব্ৰুৱাৰী, দেওবাৰে দিনৰ ১০.৩০ বজাত লোকসেৱা ভৱনত অনুষ্ঠিত হ'বলগীয়া সংবাদমেলত SITৰ প্ৰতিবেদন অথবা Cabinet Memorandumৰ যিখিনি অংশ গোপনীয় নহয়, সেই সকলো তথ্য ৰাজহুৱা কৰা হ'ব। এই সংবাদমেলত ৰাষ্ট্ৰীয় সংবাদ প্ৰতিষ্ঠানসমূহৰ সাংবাদিক উপস্থিত থাকিব বিচাৰিলে প্ৰয়োজনীয় ব্যৱস্থাও কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এক গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰি কয় যে, SITয়ে তিনিগৰাকী ব্যক্তিৰ পাকিস্তানৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থকাৰ অভিযোগ সন্দৰ্ভত প্ৰমাণ কেবিনেটৰ আগত প্ৰেজেণ্টেচনৰ জৰিয়তে দাখিল কৰিছে। এই তিনিগৰাকী হৈছে- আলী তৌকিৰ শ্বেখ, সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ গগৈ আৰু গৌৰৱ গগৈ নিজে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰেজেণ্টেচন দেখি কেবিনেটৰ মন্ত্ৰীসকল যথেষ্ট আচৰিত হৈছে। অৱশ্যে এই পৰ্যায়ত অধিক মন্তব্য কৰিবলৈ তেওঁ অনিচ্ছা প্ৰকাশ কৰে আৰু কয় যে আনুষ্ঠানিক Cabinet Memorandum ৭ ফেব্ৰুৱাৰীত কেবিনেটত উত্থাপন হ'ব। ড° হিমন্ত বিশ্ব শৰ্মাই লগতে মন্তব্য কৰে যে, "তৰুণ গগৈৰ পুত্ৰ এই পৰ্যায়লৈ কেনেকৈ আহি পেলালে, সেইটো লৈ আমাৰো গভীৰ চিন্তা হৈছে। নিৰ্বাচনৰ সময়ত কিছুমানে ৰাজনৈতিকভাৱে তেওঁলোকৰ পক্ষ লৈ কথা ক'ব পাৰে। কিন্তু এজন সাধাৰণ নাগৰিকৰ বাবে এই প্ৰতিবেদন যথেষ্ট আচৰিত আৰু গুৰুত্বপূৰ্ণ হ'ব। টক শ্ব'ত কি আলোচনা হ'ব, সেইটো মই ক'ব নোৱাৰোঁ, কিন্তু সাধাৰণ মানুহৰ বাবে এইটো এক স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ ডকুমেণ্ট হ'ব। ৮ ফেব্ৰুৱাৰীত এই বিষয়টোৰ আমি যৱনিকা পেলাম। তাৰ পাছত ভাৰত চৰকাৰে যি সিদ্ধান্ত গ্ৰহণ কৰিব, সেই অনুসাৰেই পৰৱৰ্তী ব্যৱস্থা লোৱা হ'ব।"

# ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ দাবীত আছুৰ

কৰাৰ দাবী জনাইছে সদৌ অসম ছাত্ৰ সন্থা (আছু)। এই উদ্দেশ্যে আছুৱে অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই সন্দৰ্ভত মঙলবাৰে আছুৱে অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ এখন আনুষ্ঠানিক দাবী পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত আছুৱে স্পষ্টভাৱে উল্লেখ কৰে যে অসমত অবৈধ বাংলাদেশীৰ অনুপ্ৰৱেশ দীৰ্ঘদিনীয়া আৰু জটিল সমস্যা হৈ আছে আৰু ইয়াৰ প্ৰভাৱ ভোটাৰ তালিকাতো স্পষ্টভাৱে পৰিলক্ষিত হৈছে। আছুৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কয় যে অসম অবৈধ বাংলাদেশীৰ অনুপ্ৰৱেশেৰে গভীৰভাৱে প্ৰভাৱিত এখন ৰাজ্য। তেওঁলোকৰ মতে, বহু ক্ষেত্ৰত অবৈধভাৱে অসমত থকা বাংলাদেশীৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত গণতান্ত্ৰিক প্ৰক্ৰিয়াটো প্ৰভাৱিত হৈছে। ছাত্ৰ সন্থাই উল্লেখ কৰে যে অসম আন্দোলনৰ সময়ৰ পৰাই এই বিষয়টো অসমৰ ৰাইজে আৰু আছুৱে উত্থাপন কৰি আহিছে। বহু সমষ্টিত সন্দেহযুক্ত বাংলাদেশীৰ ভোটৰ জৰিয়তে জনপ্ৰতিনিধি নিৰ্ধাৰণ হোৱাৰ উপক্ৰম হৈছে বুলিও তেওঁলোকে অভিযোগ কৰে। এই পৰিস্থিতিত অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধন অতি প্ৰয়োজনীয় বুলি আছুৱে মত প্ৰকাশ কৰে। তথাপি, আছুৱে স্পষ্ট কৰি কয় যে বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ সময়ত কোনোপধ্যেই খিলঞ্জীয়া লোক, বিশেষকৈ খিলঞ্জীয়া মুছলমান পৰিয়ালসমূহ সমস্যাৰ সন্মুখীন হ'ব নালাগে। শেহতীয়াকৈ ভোটাৰ তালিকাৰ সংশোধনৰ সময়ত বিভিন্ন স্থানত খিলঞ্জীয়া লোকলৈ জাননী জাৰি হোৱাৰ ঘটনা লক্ষ্য কৰা গৈছে বুলি আছুৱে দাবী কৰে। ছাত্ৰ সন্থাই কয় যে বহু জিলাত উল্লেখযোগ্য সংখ্যক খিলঞ্জীয়া মুছলমান পৰিয়াললৈ জাননী প্ৰেৰণ কৰা হৈছে, যাৰ ফলত এই লোকসকলৰ মাজত অসন্তুষ্টি সৃষ্টি হৈছে। এনে পৰিস্থিতিয়ে তেওঁলোকৰ ভোটাধিকাৰ হেৰুৱাৰ আশংকা বৃদ্ধি কৰিছে বুলিও আছুৱে মত প্ৰকাশ কৰে। এই পৰিপ্ৰেক্ষিতত আছুৱে নিৰ্বাচন আয়োগক অধিক সংবেদনশীল আৰু দায়িত্বশীল ভূমিকা গ্ৰহণ কৰাৰ আহ্বান জনাইছে। যিসকল খিলঞ্জীয়া মুছলমান লোকলৈ জাননী জাৰি কৰা হৈছে, তেওঁলোক যাতে কোনো ধৰণৰ হয়ৰানি বা সমস্যাৰ সন্মুখীন নহয়, সেইটো নিশ্চিত কৰি অগ্ৰাধিকাৰৰ ভিত্তিত বিষয়টোৰ স্থায়ী সমাধান বিচাৰিবলৈ আছুৱে দাবী জনাইছে। আছুৱে পুনৰ দৃঢ়ভাৱে কয় যে ভোটাৰ তালিকাৰ পৰা অবৈধ বাংলাদেশীৰ নাম কৰ্তন হ'বই লাগিব, কিন্তু সেই প্ৰক্ৰিয়া ন্যায়সংগত, স্বচ্ছ আৰু খিলঞ্জীয়া লোকৰ অধিকাৰ সুৰক্ষিত কৰি আগবঢ়াব লাগিব।

# বৰপেটাত ভয়ংকৰ নাও দুৰ্ঘটনা; ৪ শিশুসহ ছজন

কৰিছে। ৰহমপুৰ গাঁৱৰ পৰা বৰঘোল গাঁৱৰ অভিমুখে যাত্ৰা কৰি থকা এখন যাত্ৰীবাহী নাও হঠাৎ নদীৰ তীব্ৰ সোঁতৰ কবলত পৰি ডুব যোৱাত অন্ততঃ ৬জন যাত্ৰী এতিয়ালৈকে নিৰুদ্দেশ হৈ আছে। নিৰুদ্দেশসকলৰ ভিতৰত ৪জন শিশু থকাত ঘটনাটোৱে অধিক উদ্বেগৰ সৃষ্টি কৰিছে। স্থানীয় সূত্ৰই জনোৱা অনুসৰি, দুৰ্ঘটনাৰ সময়ত নাওখনত শিশু-মহিলাসহ প্ৰায় ২২জন যাত্ৰী আছিল। ব্ৰহ্মপুত্ৰ নদীৰ চাকনৈয়াত পৰি নাওখন হঠাৎ অসন্তুলিত হৈ পানীত ডুব যায়। দুৰ্ঘটনাৰ পিছতেই কেইবাজন যাত্ৰীয়ে কোনো মতে সাঁতুৰি পাৰলৈ আহিবলৈ সক্ষম হয় যদিও ছয়জন যাত্ৰী এতিয়ালৈকে সন্ধানহীন হৈ আছে। প্ৰাথমিক অনুসন্ধানত জানিব পৰা মতে, নাওখন চলোৱাৰ ক্ষেত্ৰত যথেষ্ট অসাৱধানতা অৱলম্বন কৰা হৈছিল। নাওখনত প্ৰয়োজনীয় সংখ্যক জীৱন ৰক্ষাকাৰী জেকেট নথকাৰ লগতে নদীৰ সোঁতৰ গুৰুত্বক অৱহেলা কৰাই এই দুৰ্ঘটনাৰ মুখ্য কাৰণ বুলি সন্দেহ কৰা হৈছে। এই ঘটনাৰ খবৰ পোৱাৰ লগে লগে বৰপেটা আৰক্ষী, এছ ডি আৰ এফৰ দল ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোক আৰু অভিজ্ঞ মাছমৰীয়াসকলৰ সহযোগত উদ্ধাৰ অভিযান আৰম্ভ কৰে। কিন্তু সন্ধিয়া নামি অহাৰ ফলত মঙলবাৰে সন্ধিয়াৰ ভাগত অভিযান স্থগিত ৰখা হয়। বৰপেটা ৰাজহ চক্ৰ বিষয়াসহ জ্যোতিৰ্ময় চৌধুৰীয়ে জানিবলৈ দিয়ে যে, সন্ধানহীন যাত্ৰীসকল হৈছে—মধু মিঞা (৬০), ছুকুৰজান নেছা (৪৫), আমিনা পাৰবিন (৮), ৰাহুল আমিন (৭), আৰিয়ান ইছলাম (৪) আৰু জুনুফা ইয়াছমিন (৫)। তেওঁ লগতে কয় যে, দুৰ্ঘটনাগ্ৰস্ত নাওখন এতিয়ালৈকে উদ্ধাৰ হোৱা নাই আৰু বুধবাৰে পুৱা এছ ডি আৰ এফৰ লগতে এন ডি আৰ এফৰ দলেও উদ্ধাৰ অভিযানত অংশগ্ৰহণ কৰিব। ঘটনাটোক লৈ সমগ্ৰ অঞ্চলটোত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু নিৰুদ্দেশ যাত্ৰীসকলৰ পৰিয়ালৰ মাজত গভীৰ উৎকণ্ঠা বিৰাজ কৰিছে।

# SIR আহিলে কৰ্তন হ'ব

মহলত চৰ্চা আৰম্ভ হৈছে। কংগ্ৰেছ নেতৃত্বৰ বিৰুদ্ধে কৰা এই মন্তব্যক লৈ দলীয় কৰ্মীসমাজ আৰু সমৰ্থকসকলৰ মাজত বিভিন্ন প্ৰতিক্ৰিয়া দেখা গৈছে। এই জনসভাতেই মুখ্যমন্ত্ৰীয়ে মাহমৰা বিধানসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থিত্ব সন্দৰ্ভতো গুৰুত্বপূৰ্ণ ইংগিত দিয়ে। তেওঁ কয় যে, মাহমৰা সমষ্টিত টিকট বিচৰা লোকৰ কোনো অভাৱ নাই বুলি যি চৰ্চা চলি আছে, সেয়া প্ৰাসংগিক নহয়। বৰ্তমানৰ কেবিনেট মন্ত্ৰী যোগেন মহনেই যে মাহমৰাত বিজেপিৰ মুখ্য প্ৰাৰ্থী হ'ব, সেই কথা তেওঁ সাংবাদিকসকলক ইংগিত কৰি কয়।" ইয়াত মন্ত্ৰী হিচাপে যোগেন মহন আছে। মোৰ ক'বলগীয়া কথা মই কৈ দিলোঁ। বাকীখিনি আপোনালোকে নিজেই বুজি ল'ব, "বুলি মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। মঙলবাৰে মাহমৰাৰ গৰৈমাৰীত অনুষ্ঠিত এই জনসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ অধীনত ২৫, ৫৫১ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ আৰ্থিক সহায়ৰ চেক বিতৰণ কৰে। চেক বিতৰণৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে স্থানীয় ৰাইজে আয়োজন কৰা টাই আহোমৰ পৰম্পৰাগত পূজাত অংশগ্ৰহণ কৰে। সভাত মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰথম পৰ্যায়ত ১০ হাজাৰ টকা সহায় প্ৰদান কৰাৰ পাছত পৰৱৰ্তী সময়ত উদ্যমী মহিলাসকলক ২৫ হাজাৰ আৰু তাৰ পাছত ৫০ হাজাৰ টকালৈকে আৰ্থিক সহযোগিতা আগবঢ়োৱা হ'ব। এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ মহিলাসকলক আত্মনিৰ্ভৰশীল কৰাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰি, মুখ্যমন্ত্ৰীয়ে গৰৈমাৰীত পাটসাঁকো-পিঠাগুটি পথৰ শুভ উদ্বোধন কৰে আৰু দিচাং নদীৰ খহনীয়া প্ৰতিৰোধ প্ৰকল্প, কাকতিবাৰী হৈ সোণাৰি-মৰাণ সংযোগী পথৰ শিলান্যাসসহ মাহমৰা সমষ্টিত প্ৰায় ১৮৪ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰো শিলান্যাস কৰে। এই জনসভাত কেবিনেট মন্ত্ৰী যোগেন মহন, মন্ত্ৰী বিমল বড়া, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈসহ বহু শীৰ্ষ বিষয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# বিৰোধী ঐক্যমঞ্চত কংগ্ৰেছৰ

নামনি অসম, মধ্য অসম, বৰাক উপত্যকা আৰু বি টি এ ডি অঞ্চলত দলটোক প্ৰাৰ্থিত্ব দিবৰ বাবে প্ৰধান বিৰোধী দল কংগ্ৰেছলৈ মুকলি আহ্বান জনাইছে ৰাইজৰ দলৰ নেতৃত্বই। মঙলবাৰে মহানগৰীৰ মঠঘৰীয়াস্থিত ৰাইজৰ দলৰ মুখ্য কাৰ্যালয়ত আয়োজিত এক সংবাদমেলত দলৰ কাৰ্যকৰী সভাপতি ভাস্ক' ডি শইকীয়া আৰু সাধাৰণ সম্পাদক ৰাছেল হুছেইনে এই দাবী স্পষ্টভাৱে উত্থাপন কৰে। তেওঁলোকে কয় যে বিৰোধী মিত্ৰজোঁটত থকা সকলো দলেই এতিয়া অতি সোনকালে আসন ভাগ-বাটোৱাৰা সম্পন্ন হোৱাটো বিচাৰে, কিয়নো ইতিমধ্যে এই প্ৰক্ৰিয়াত যথেষ্ট বিলম্ব হৈছে। ভাস্ক' ডি শইকীয়াই সংবাদ মাধ্যমৰ আগত কয়, "আমি পুনৰবাৰ কংগ্ৰেছ নেতৃত্বক জনাব বিচাৰিছোঁ যে বিৰোধী ঐক্য গঢ়াৰ ক্ষেত্ৰত আসন ভাগ-বাটোৱাৰা অতি গুৰুত্বপূৰ্ণ। আগন্তুক নিৰ্বাচনত বিজেপি মিত্ৰজোঁটক পৰাজিত কৰিবলৈ আমি সকলোৱে একেলগে যুঁজ দিব লাগিব। এই যুঁজত ৰাইজৰ দল উজনি অসম, নামনি অসম, মধ্য অসম, বি টি এ ডি আৰু বৰাক- এই সকলো অঞ্চলতে প্ৰতিনিধিত্ব কৰিবলৈ সাজু।" সংবাদমেলত ৰাইজৰ দলৰ নেতৃত্বই অভিযোগ তোলে যে বিৰোধী ঐক্য গঠনৰ ক্ষেত্ৰত কংগ্ৰেছে এতিয়ালৈকে স্পষ্ট স্থিতি লোৱা নাই। আসন ভাগ-বাটোৱাৰা সম্পন্ন নোহোৱাৰ বাবেই বিৰোধী মিত্ৰজোঁটৰ সমূহীয়া নেতৃত্ব জনসাধাৰণৰ মাজলৈ একেলগে যাব পৰা নাই বুলি তেওঁলোকে মন্তব্য কৰে। তেওঁলোকে কয়, "বিৰোধী নেতৃত্ব জনতাৰ মাজলৈ নোযোৱাৰ ফলত পৰিৱৰ্তনকামী ৰাইজৰ মাজত এক ধৰণৰ নেতিবাচক বাৰ্তা গৈছে। এই পৰিস্থিতি দূৰ কৰিবলৈ আমি কংগ্ৰেছ দলক অতি সোনকালে সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছোঁ।" এই প্ৰসংগত তেওঁলোকে উল্লেখ কৰে যে অসমৰ বিভিন্ন বুদ্ধিজীৱী আৰু নাগৰিক সংগঠনে ইতিমধ্যে বিৰোধী ঐক্য গঢ়াৰ দাবী তুলিছে। ড° হীৰেন গোহাঁই, হৰেকৃষ্ণ ডেকা, অজিত কুমাৰ ভূঞা, পৰেশ মালাকাৰ, আব্দুল মান্নান আৰু শান্তনু বৰঠাকুৰ নেতৃত্বাধীন অসম নাগৰিক সন্মিলনেও সোনকালে আসন বুজাবুজি সম্পন্ন কৰি বিৰোধী ঐক্য দৃঢ় কৰিবলৈ আহ্বান জনাইছিল। ৰাইজৰ দলৰ নেতৃত্বই কয় যে ২০২০ চনত আত্মপ্ৰকাশ কৰা দলটোৱে এতিয়া অসমৰ প্ৰায় সকলো অঞ্চলতে নিজৰ সংগঠন শক্তিশালী কৰি তুলিছে। যোৰহাট, শিৱসাগৰ, নগাঁও, গোৱালপাৰা, ধুবুৰী, বৰাক উপত্যকা আদি অঞ্চলত দলৰ সক্ৰিয় সংগঠন আছে বুলি তেওঁলোকে দাবী কৰে।" আমি ইতিমধ্যে কোনবোৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰোঁ, সেই তালিকা কংগ্ৰেছ নেতৃত্বক দিছোঁ। এতিয়ালৈকে ৫৩টা সমষ্টিৰ বাবে ১৩২জন প্ৰাৰ্থীয়ে আমাৰ দলৰ টিকট বিচাৰি আবেদন কৰিছে," বুলি তেওঁলোকে জানিবলৈ দিয়ে। ৰাইজৰ দলৰ মতে, ১২৬খন বিধানসভা আসনৰ ভিতৰত দলটোৱে প্ৰায় ২০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগ্ৰহী, যদিও বিৰোধী ঐক্যৰ স্বাৰ্থত প্ৰয়োজন হ'লে এৰা-ধৰা কৰিবলৈ দলটো সাজু। সংবাদমেলত সাধাৰণ সম্পাদক ৰাছেল হুছেইনে বিগত লোকসভা নিৰ্বাচনৰ উদাহৰণ দি কয় যে ডিব্ৰুগড়, যোৰহাট, ধুবুৰী, লখিমপুৰ আৰু কৰিমগঞ্জ আদি সমষ্টিত ৰাইজৰ দলৰ কৰ্মীসকলে বিৰোধী প্ৰাৰ্থীৰ জয় নিশ্চিত কৰিবলৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তেওঁৰ মতে, এই লোকসভা সমষ্টিসমূহৰ অন্তৰ্গত বিধানসভা সমষ্টিত ৰাইজৰ দলক প্ৰতিদ্বন্দ্বিতা কৰাৰ সুযোগ দিয়া উচিত। সামগ্ৰিকভাৱে, বিৰোধী ঐক্য গঢ়া আৰু আসন ভাগ-বাটোৱাৰা সোনকালে সম্পন্ন কৰাৰ দাবীৰে ৰাইজৰ দলে কংগ্ৰেছৰ ওপৰত চাপ বৃদ্ধি কৰিছে। আগন্তুক দিনত কংগ্ৰেছ নেতৃত্বে এই আহ্বানৰ প্ৰতি কেনে সঁহাৰি জনায়, সেয়া এতিয়া ৰাজনৈতিক মহলৰ বাবে গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

# গুৱাহাটীত উপস্থিত বিশ্ব

সকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে তেওঁলোকৰ সমস্যা আৰু কল্যাণ সম্পৰ্কে বুজ লোৱাৰ কথা জানিবলৈ দিয়ে টোগাড়িয়াই। গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী বৰঝাৰ বিমানবন্দৰত উপস্থিত হৈ সংবাদ মাধ্যমৰ সৈতে কথা-বতৰাত প্ৰবীণ ভাই টোগাড়িয়াই অসমৰ এটা গুৰুত্বপূৰ্ণ বিষয়-অবৈধ বাংলাদেশী অনুপ্ৰৱেশ—লৈ নিজৰ মতামত প্ৰকাশ কৰে। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্দেশ্য কৰি কয় যে অসমত অবৈধভাৱে প্ৰৱেশ কৰা বাংলাদেশীৰ সংখ্যা আৰু সেইসকলক খেদি পঠিওৱাৰ ক্ষেত্ৰত এতিয়ালৈকে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে চৰকাৰে স্পষ্ট তথ্য ৰাজহুৱা কৰা উচিত। টোগাড়িয়াৰ মতে, এই সমস্যা দীৰ্ঘদিন ধৰি মীমাংসাহীন অৱস্থাত আছে আৰু ইয়াৰ প্ৰভাৱ অসমৰ সামাজিক-ৰাজনৈতিক পৰিস্থিতিত পৰিব পাৰে। তেওঁ দাবী কৰে যে অবৈধ অনুপ্ৰৱেশ বিষয়টোত সময়মতে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে আগন্তুক দিনত ৰাজ্যৰ ৰাজনীতিত উল্লেখযোগ্য পৰিৱৰ্তন ঘটাৰ সম্ভাৱনা থাকিব। প্ৰবীণ ভাই টোগাড়িয়াই লগতে কয় যে অবৈধ বাংলাদেশী সমস্যাৰ সমাধানৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদে অসম চৰকাৰক সম্পূৰ্ণ সহযোগ কৰিবলৈ সাজু আছে। তেওঁ এই প্ৰসংগত ঐতিহাসিক ব্যক্তিত্ব লাচিত বৰফুকনৰ উদাহৰণ উল্লেখ কৰি ৰাজ্যৰ স্বাৰ্থ সুৰক্ষাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসম ভ্ৰমণকালত প্ৰবীণ ভাই টোগাড়িয়াই আন্তঃৰাষ্ট্ৰীয় হিন্দু পৰিষদ, বজৰং দল আৰু আন্তঃৰাষ্ট্ৰীয় হিন্দু মহিলা পৰিষদ 'তেজস্বিনী'ৰ জৰিয়তে বিভিন্ন সমাজকল্যাণমূলক কাৰ্যসূচী ৰূপায়ণৰ কথাও ঘোষণা কৰে। এই কাৰ্যসূচীসমূহৰ ভিতৰত দুখীয়া লোকৰ বাবে বিনামূলীয়া চিকিৎসা সেৱা, খাদ্য বিতৰণ, হেল্পলাইন ব্যৱস্থা আৰু সামাজিক সহায়মূলক আঁচনি অন্তৰ্ভুক্ত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁৰ ভাষ্য অনুসৰি, অসমৰ বিভিন্ন প্ৰান্তত হিন্দু সমাজৰ লোকসকলৰ সৈতে প্ৰত্যক্ষভাৱে যোগাযোগ স্থাপন কৰি তেওঁলোকৰ কল্যাণৰ বাবে সংগঠনসমূহে কেনেদৰে অধিক সক্ৰিয় ভূমিকা ল'ব পাৰে, সেই বিষয়ত পৰিকল্পনা প্ৰস্তুত কৰা হ'ব। প্ৰবীণ ভাই টোগাড়িয়াৰ এই মন্তব্যসমূহে অসমৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত অবৈধ অনুপ্ৰৱেশ প্ৰসংগ পুনৰ কেন্দ্ৰবিন্দুত আহি পৰিছে। এই সন্দৰ্ভত চৰকাৰ আৰু অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰতিক্ৰিয়া এতিয়াও অপেক্ষিত।

# আমিনগাঁৱত মুখ্যমন্ত্ৰীৰ বাবে

বাসভৱন নিৰ্মাণৰ প্ৰস্তাৱক লৈ ৰাজ্যজুৰি ব্যাপক চৰ্চা আৰু বিতৰ্কৰ সূত্ৰপাত ঘটিছে। লোকনিৰ্মাণ বিভাগে এই সন্দৰ্ভত শেহতীয়াকৈ নিবিদা আহ্বান কৰাৰ লগে লগে বিৰোধী মহলৰ লগতে সাধাৰণ ৰাইজৰ মাজতো বহু প্ৰশ্ন উত্থাপন হৈছে। লোকনিৰ্মাণ বিভাগৰ প্ৰকাশিত নিবিদা অনুসৰি, প্ৰায় ২৫ হাজাৰ বৰ্গফুট এলেকাত তিনিমহলীয়া বিলাসী বাসভৱনটো নিৰ্মাণ কৰা হ'ব। এই বাসভৱনত আধুনিক শীত-তাপ নিয়ন্ত্ৰিত ব্যৱস্থা, সুসজ্জিত কৰিড'ৰ, আলংকাৰিক উদ্যান আদি সকলো অত্যাধুনিক সুবিধা থাকিব। নিবিদাত উল্লেখ কৰা মতে, মুঠ ১৫ মাহৰ ভিতৰত নিৰ্মাণ সম্পূৰ্ণ কৰিব লাগিব, য'ত দুমাহ ডিজাইন আৰু অনুমোদনৰ বাবে আৰু বাকী ১৩ মাহ নিৰ্মাণ কাৰ্যৰ বাবে ধাৰ্য কৰা হৈছে। এই নতুন মুখ্যমন্ত্ৰীৰ আবাসটো ৰাজধানী দিছপুৰৰ জনতা ভৱন আৰু মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা প্ৰায় ১৯ কিলোমিটাৰ দূৰত অৱস্থিত আমিনগাঁৱত নিৰ্মাণ কৰা হ'ব। অৱশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণাধীন নতুন দলংখন সম্পূৰ্ণ হ'লে এই দূৰত্ব কিছু পৰিমাণে হ্ৰাস পাব বুলি চৰকাৰী সূত্ৰত প্ৰকাশ। এই প্ৰস্তাৱিত বাসভৱন নিৰ্মাণক লৈ বিৰোধী বিধায়ক অখিল গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। সোমবাৰে নিশা প্ৰায় ৪০ মিনিটজোৰা সামাজিক মাধ্যমৰ লাইভত গগৈয়ে মুখ্যমন্ত্ৰীৰ বাবে চতুৰ্থটো চৰকাৰী বাসভৱন নিৰ্মাণৰ সিদ্ধান্তক কঠোৰ ভাষাৰে সমালোচনা কৰে। অখিল গগৈৰ মতে, অসমৰ দৰে এখন অৰ্থনৈতিকভাৱে পিছপৰা আৰু ঋণগ্ৰস্ত ৰাজ্যত কেৱল মুখ্যমন্ত্ৰীৰ আৱাসৰ বাবেই ইমান বৃহৎ ধন ব্যয় কৰাটো কোনোপধ্যে যুক্তিসংগত নহয়। তেওঁ কয় যে পূৰ্বেও বিভিন্ন সময়ত কইনাধৰা পাহাৰ, খাৰঘুলি আৰু জনতা ভৱনৰ কাষত মুখ্যমন্ত্ৰীৰ আৱাস নিৰ্মাণ কৰা হৈছিল। তেনে স্থিতিতো পুনৰ আমিনগাঁৱত নতুন বাসভৱন নিৰ্মাণ কৰাটো অতিৰিক্ত আৰু অপ্ৰয়োজনীয়। গগৈয়ে উল্লেখ কৰে যে নিবিদাৰ আধাৰত এই ৯.৫১ কোটি টকা ব্যয় কেৱল বাসভৱনৰ 'ষ্ট্ৰাকচাৰ' নিৰ্মাণৰ বাবেই ধাৰ্য কৰা হৈছে, ইয়াৰ বাহিৰেও ইণ্টেৰিয়ৰ সজ্জাৰ নামত অধিক ব্যয় হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। তেওঁৰ ভাষ্য মতে, প্ৰস্তাৱিত বাসভৱনটো এক প্ৰকাৰৰ "ৰাজমহল সদৃশ বিলাসী প্ৰাসাদ।" অখিল গগৈয়ে অসমৰ আৰ্থিক পৰিস্থিতিৰ কথাও উত্থাপন কৰে। তেওঁৰ মতে, শেহতীয়া হিচাপ অনুসৰি এজন অসমীয়াৰ বছৰি জনমূৰি আয় মাত্ৰ প্ৰায় ৮৫ হাজাৰ টকা, অৰ্থাৎ মাহে প্ৰায় ৭ হাজাৰ টকা। তেনে এখন ৰাজ্যত মুখ্যমন্ত্ৰীৰ বাবে একাধিক বিলাসী বাসভৱন নিৰ্মাণ কৰাটো জনস্বাৰ্থবিৰোধী বুলি তেওঁ মন্তব্য কৰে। তদুপৰি, ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াৰ তথ্য অনুসৰি ২০২৫ চনৰ মাৰ্চ মাহলৈকে অসমৰ মুঠ ঋণৰ পৰিমাণ ১ লাখ ৭৭ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে বুলিও গগৈয়ে উল্লেখ কৰে। আগন্তুক দিনত এই ঋণ আৰু বৃদ্ধি পাব বুলি আশংকা প্ৰকাশ কৰি তেওঁ প্ৰশ্ন তোলে- ইমান বৃহৎ ঋণৰ বোজাৰ মাজতো মুখ্যমন্ত্ৰীৰ বাবে নতুন বাসভৱন নিৰ্মাণ কিমান যুক্তিসংগত? আমিনগাঁৱৰ পৰা দিছপুৰলৈ মুখ্যমন্ত্ৰীৰ দৈনিক অহা-যোৱা কিমান সুচল হ'ব, এই প্ৰশ্নও গগৈয়ে উত্থাপন কৰে। লগতে দিছপুৰৰ পৰা আমিনগাঁৱলৈ ৰাজধানী স্থানান্তৰৰ কোনো পৰিকল্পনা আছে নেকি বুলিও বিভিন্ন মহলত চৰ্চা চলিছে। সামগ্ৰিকভাৱে, মুখ্যমন্ত্ৰীৰ বাবে ৯.৫১ কোটি টকীয়া নতুন চৰকাৰী বাসভৱন নিৰ্মাণৰ সিদ্ধান্তই অসমৰ ৰাজনীতিত নতুন বিতৰ্কৰ জন্ম দিছে। এই সন্দৰ্ভত চৰকাৰৰ পৰৱৰ্তী স্পষ্টীকৰণলৈ এতিয়া সকলোৱে দৃষ্টি নিবদ্ধ হৈ আছে।

# জাপি-টুপীৰ পাৰ্থক্য নুবুজা নেতাৰ পৰা অসমীয়া

আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে তীব্ৰ সমালোচনা আগবঢ়ায়। এই বৈঠকত স্থানীয় কৃষক আৰু শ্ৰমিক ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু গ্ৰামোন্নয়ন সন্দৰ্ভত এক ফলপ্ৰসূ মত-বিনিময় অনুষ্ঠিত হয়। বৈঠকত ভাষণ প্ৰদান কৰি দিলীপ শইকীয়াই কয় যে অখিল গগৈয়ে দিনটোৰ বিভিন্ন সময়ত ভিন্ন ভিন্ন বক্তব্য আগবঢ়ায়, যাৰ ফলত তেওঁৰ মন্তব্যৰ ওপৰত প্ৰতিক্ৰিয়া দিয়াটো বিজেপিৰ বাবে প্ৰয়োজনীয় বুলি নধৰে। "অখিল গগৈৰ প্ৰতিটো কথাৰ উত্তৰ দিলে অসমত অযথা অশান্তিৰ সৃষ্টি হ'ব পাৰে," বুলি মন্তব্য কৰে বিজেপি সভাপতিগৰাকীয়ে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত শইকীয়াই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ গ্ৰামোন্নয়নমূলক পদক্ষেপসমূহৰ কথা উল্লেখ কৰে। তেওঁ কয় যে কৃষক আৰু শ্ৰমিকৰ সৰ্বাংগীণ উন্নয়নৰ লক্ষ্যৰে চৰকাৰে একাধিক আঁচনি কাৰ্যকৰী কৰিছে। শেহতীয়াকৈ সংসদত গৃহীত হোৱা 'VG-GRAM-G' বিকশিত গ্ৰামাঞ্চল সম্পৰ্কীয় আইনৰ জৰিয়তে কৰ্মদিন ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এম জি এনৰেগা আঁচনিৰ নাম পৰিৱৰ্তনক লৈ কংগ্ৰেছে কৰা সমালোচনাৰ উত্তৰত দিলীপ শইকীয়াই কয়, "গান্ধীজীয়ে যি ৰামৰাজ্যৰ সপোন দেখিছিল, সেই সুশাসন আৰু শক্তিশালী গ্ৰামাঞ্চল গঢ়াৰ লক্ষ্যৰেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কংগ্ৰেছ হ'ল 'নামদাৰ' দল, কিন্তু বিজেপি হ'ল 'কামদাৰ' দল।" ৰাহুল গান্ধীৰ সন্দৰ্ভত মন্তব্য কৰি বিজেপি সভাপতিগৰাকীয়ে কয় যে পাট-মুগা, এড়ি আৰু গামোচা অসমীয়া জাতিৰ স্বাভিমানৰ প্ৰতীক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমীয়া গামোচাক বিশ্বমুখী কৰি যি সন্মান প্ৰদান কৰিছে, সেয়া কংগ্ৰেছ কেতিয়াও কৰিব নোৱাৰিলে বুলি তেওঁ দাবী কৰে। দিলীপ শইকীয়াই কংগ্ৰেছৰ তথাকথিত 'ককটেল সংস্কৃতি'ৰো সমালোচনা কৰে। তেওঁৰ মতে, কংগ্ৰেছে অসমীয়া সংস্কৃতিৰ সৈতে অন্যান্য সংস্কৃতি জোৰা লগাব বিচাৰে, কিন্তু স্বাভিমানী অসমীয়াই সেইটো কেতিয়াও মানি নলয়। "শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ ভূমিখণ্ডক অন্য ৰূপত চাবলৈ চেষ্টা কৰাটো অসমীয়াৰ বাবে গ্ৰহণযোগ্য নহয়," বুলি তেওঁ মন্তব্য কৰে। নতুন দিল্লীত অনুষ্ঠিত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ অনুষ্ঠানৰ কথা উল্লেখ কৰি দিলীপ শইকীয়াই কয় যে যিগৰাকী নেতাই জাপি আৰু টুপীৰ পাৰ্থক্য বুজি নাপায়, তেওঁৰ পৰা অসমীয়া সংস্কৃতিৰ প্ৰতি সন্মান আশা কৰিব নোৱাৰি। গামোচা পৰিধান সন্দৰ্ভত ৰাহুল গান্ধীৰ আচৰণক লৈ বিজেপিয়ে কৰা আপত্তিৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। ডিমৰীয়াত অনুষ্ঠিত এই চোতাল বৈঠকত বিজেপিৰ বহু সংখ্যক কৰ্মকৰ্তা, স্থানীয় কৃষক-শ্ৰমিক আৰু সাধাৰণ ৰাইজ উপস্থিত আছিল।

# নিৰ্বাচন আহিলেই অখিল

বিধায়ক তথা কেবিনেট মন্ত্ৰী অতুল বৰাই। কাজিৰঙাত সংবাদ মাধ্যমৰ আগত বক্তব্য ৰাখি মন্ত্ৰীগৰাকীয়ে কয় যে অখিল গগৈৰ ভিতৰত এক প্ৰকাৰৰ "পাব্লিচিটিৰ বেমাৰ" আছে আৰু সেয়েহে নিৰ্বাচনৰ আগমুহূৰ্তত তেওঁ বেছি কথা কৈ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰে। ইফালে, ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এটি অনুষ্ঠানত কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে উত্তৰ পূৰ্বাঞ্চলৰ পৰম্পৰাগত গলবস্ত্ৰ পৰিধান নকৰাক লৈও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে মন্ত্ৰী অতুল বৰাই। সাংবাদিকৰ আগত তেওঁ কয় যে গান্ধী পৰিয়ালে পূৰ্বেও অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰম্পৰাগত গামোচা আৰু গলবস্ত্ৰক যথাযোগ্য মৰ্যাদা দিয়া নাছিল। সেই পৰম্পৰাৰ ধাৰাবাহিকতাই ৰাহুল গান্ধীয়েও এইবাৰো গলবস্ত্ৰ পৰিধান নকৰিলে বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰী অতুল বৰাই আৰু উল্লেখ কৰে যে কংগ্ৰেছ দলটোৱে কোনো দিনেই অসমবাসী তথা দেশবাসীৰ আবেগ-অনুভূতিক হৃদয়ংগম কৰিবলৈ সক্ষম হোৱা নাই। সেয়েহে আজিৰ দিনত কংগ্ৰেছ দলৰ এনে ৰাজনৈতিক অৱস্থা দেখা পোৱা গৈছে বুলি তেওঁ মন্তব্য কৰে। ইপিনে, বোকাখাত বিধানসভা সমষ্টিত অব্যাহত আছে ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনি 'এটি কলি দুটি পাত'ৰ অধীনত চেক বিতৰণ কাৰ্যসূচী। এই আঁচনিৰ জৰিয়তে বোকাখাত সমষ্টিৰ মুঠ প্ৰায় ১৭ হাজাৰ শ্ৰমিক আৰু কৰ্মচাৰী উপকৃত হ'ব বুলি জানিবলৈ দিয়ে মন্ত্ৰী অতুল বৰাই। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে শ্ৰমিক সমাজৰ কল্যাণৰ বাবে গ্ৰহণ কৰা এনে আঁচনিসমূহে তৃণমূল পৰ্যায়ত যথেষ্ট ইতিবাচক প্ৰভাৱ পেলাইছে।

# ৰহা ৰহিয়াল বৰুৱা ক্ষেত্ৰত দুদিনীয়া মে ডাম্ মেফীৰ আয়োজন

**অসম বাৰ্তা, ৰহা, ২৭ জানুৱাৰী** ঃ নগাঁও জিলা আহোম সভাৰ উদ্যোগত, ৰহা আঞ্চলিক আহোম সভাৰ সৌজন্যত আৰু ৰহা টাই আহোম ছাত্ৰ সন্থা ও স্থানীয় ৰাইজৰ সহযোগত আগন্তুক ৩০ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্য্যসূচীৰে ৰহা ৰহিয়াল বৰুৱা ক্ষেত্ৰত মে ডাম মেফী উদযাপন ৰ ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। নগাঁও জিলা আহোম সভাৰ সভাপতি চাও ড° দিনেশ হাজৰিকা, সাধাৰণ সম্পাদক চাও মহেন্দ্ৰজিৎ বৰুৱা, ৰহা আঞ্চলিক আহোম সভাৰ সভাপতি চাও অপূৰ্ব গগৈ, সাধাৰণ সম্পাদক চাও দিব্যজ্যোতি বৰা আৰু উদ্‌যাপন সমিতিৰ সভাপতি চাও ড° দিনেশ হাজৰিকা, কাৰ্যকৰী সভাপতি চাও ভূপেন বৰা, সাধাৰণ সম্পাদক চাও চন্দন গগৈয়ে জানিব দিয়া মতে অহা ৩০ জানুৱাৰীৰ পৰা দুদিনীয়া কাৰ্য্যসূচীৰে ৰহা ৰহিয়াল বৰুৱা ক্ষেত্ৰত মে ডাম্ মে ফী উদ্‌যাপন কৰা হ'ব আৰু নিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি মে ডাম্ মে ফীৰ প্ৰথম দিন ৩০ জানুৱাৰীত পুৱা পৰিবেশ নিকাকৰণ, বৃক্ষৰোপণৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিভা সন্ধানী অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া ৫বজাত প্ৰতিনিধি সভাৰ উদ্বোধন কৰিব নগাঁও জিলা আহোম সভাৰ মুখ্য উপদেষ্টা চাও ঠগীত চন্দ্ৰ বৰুৱা আৰু ৭ বজাত ফুৰা লুং পূজা উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক চাও ভবেন গগৈ। মে ডাম্ মে ফীৰ দ্বিতীয় দিন ৩১ জানুৱাৰীত পুৱা ৭ বজাত বন্তি প্ৰজ্বলন কৰিব চাও হৰেশ্বৰ বৰা। ৭.৩০ বজাত স্মৃতিচাৰণ আৰু মাল্যাৰ্পন কৰিব ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈ। ৮ বজাত খ্ৰীংফা উত্তোলন কৰিব নগাঁও জিলা আহোম সভাৰ সভাপতি চাও ড° দিনেশ হাজৰিকা, ৮.৩০ বজাত মৈদাম তৰ্পন কৰিব নগাঁও জিলা আহোম সভাৰ উপদেষ্টা চাও গুনিন্দ্ৰ নাথ ফুকন, চাও প্লাবন বৰুৱা। ৯ বজাত সমূহীয়া পূজা আৰু প্ৰাৰ্থনা আৰম্ভ, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিব নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা। দুপৰীয়া ১২ বজাত মুকলি আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। মুকলি সভাত নিৰ্দিষ্ট বক্তা ৰূপে ৰহা মীন মহাবিদ্যালয়ৰ ডীন ড° প্ৰদীপ চন্দ্ৰ ভূঞা আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ৰেখামনি বুঢ়াগোঁহাই, বন্তি হাজৰিকা আৰু অনিমা দাস। ২ বজাত পুৰস্কাৰ বিতৰণ আৰু বিয়লী ৫ বজাত খ্ৰীংফা অৱতৰণ আৰু সমূহীয়া বন্তি প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া ৬ বজাত সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ব নগাঁও জিলা আহোম সভা মহিলা কোষৰ দ্বাৰা সতী জয়মতী নাট প্ৰদৰ্শন লগতে টাই ভাষাত শিশু নাট মৌং ডুন ডুন চুন খাম। মুকলি সভাত মুখ্য অতিথি ৰূপে কেবিনেট মন্ত্ৰী কেশৱ মহন্ত, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, বিশিষ্ট অতিথি ৰূপে সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়ক শশীকান্ত দাস, ৰূপক শৰ্মা, জিতু গোস্বামী, দিপ্লুৰঞ্জন শৰ্মা, শিৱামনি বৰা, নুৰুল হুদা, জিলা আয়ুক্ত দেৱাশিষ শৰ্মা, আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, ৰহা সমজিলা আয়ুক্ত ড° অংকিতা বৰা, চক্ৰ বিষয়া ৰহা সু প্ৰভা ৰয়, নগাঁও চক্ৰ বিষয়া ঋষিকেশ বৰুৱা, প্ৰাক্তন বিধায়ক দুৰ্লভ চমুৱা, আমন্ত্ৰিত অতিথি ৰূপে বিশিষ্ট সমাজকৰ্মী নন্দসিং বৰকোলা, ৰহা মহাবিদ্যালয় অধ্যক্ষ ড° বেদ কুমাৰ চলিহা সহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

### চিকিৎসাৰ বাবে আৰ্থিক সহায় বিচাৰি ৰাইজলৈ কাতৰ আহ্বান

# মুকালমুৱাৰ পংকজ কলিতাৰ জীৱনলৈ নামি আহিছে অমানিশা

**অসম বাৰ্তা, মুকালমুৱা, ২৭ জানুৱাৰী** ঃ মুকালমুৱা থানাৰ অন্তৰ্গত আদাবাৰী সূতাৰকুছি গাঁৱৰ এটা পৰিয়াললৈ নামি আহিছে অমানিশা। পৰিয়ালটোৰ অন্যতম তথা একমাত্ৰ উপাৰ্জনকাৰীজন বিগত ছয়মাহে বিছনাতেই পৰি থকাত পৰিয়ালটোৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত আদাবাৰী সূতাৰকুছি গাঁৱৰ পংকজ কলিতাৰ পৰিয়ালে দুৰ্বিহ জীৱন অতিবাহিত কৰিছে। পৰিয়ালটোৰ মূল মানুহজনে বিগত ছয়মাহ ধৰি ৰোগাক্ৰান্ত হৈ বিছনাতেই পৰি থকাত পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। পংকজ কলিতা নামৰ যুৱকজনৰ ছয়মাহ পূৰ্বে সোঁ-ভৰিত দেখা দিছিল এটুকুৰা ঘাঁ। পৰৱৰ্তী সময়ত সেই ঘাঁ টুকুৰাই জটিল ৰূপ ধাৰণ কৰাত অস্ত্ৰোপচাৰ কৰিবলগীয়া হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়কে ধৰি গুৱাহাটীৰ ব্যক্তিগত চিকিৎসালয়ত তিনিমাহত তিনিবাৰকৈ অস্ত্ৰোপচাৰ সম্পন্ন কৰে যদিও আজি পৰ্য্যন্ত সুস্থ হৈ নুঠিল যুৱকজন। বিভিন্ন চিকিৎসালয়ত চিকিৎসা কৰাৰ অন্তত সম্প্ৰতি দিশহাৰা হৈ পৰিছে পৰিয়ালটো। অতি সম্প্ৰতি যুৱকজনক উন্নত চিকিৎসাৰ বাবে অভিজ্ঞসকলে বহিঃৰাজ্যলৈ নিয়াৰ পৰামৰ্শ প্ৰদান কৰিছে যদিও অৰ্থৰ অভাৱত যুৱকজনক বহিঃৰাজ্যলৈ নিয়াৰ বাবে সমৰ্থ নহয় পৰিয়ালটো। সেয়ে দুৰ্ভগীয়া পৰিয়ালটোৱে ৰাইজৰ পৰা বিচাৰিছে আৰ্থিক সহায়-সহযোগিতা। পৰিয়ালটোৱে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বৰক্ষেত্ৰীৰ সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন আৰু বৰক্ষেত্ৰীৰ জননেতা নাৰায়ন ডেকাৰো সহায় বিচাৰিছে। কোনো সদাশয় ব্যক্তিয়ে পংকজ কলিতাক সহায় কৰিব বিচাৰিলে পংকজ কলিতাৰ পাঞ্জাৱ নেচনেল বেংকৰ 1907000101312504 (IFSC-PUNB0190700) নম্বৰত ধন জমা দি সহায় কৰিব পাৰে অন্যথা পংকজ কলিতাৰ 91018 56598 নম্বৰতো যোগাযোগ কৰি সহায় আগবঢ়াব পাৰে। হয়তো আপোনাৰ অকণমান সঁহাৰিয়ে দুই কণমানি সন্তানৰ পিতৃগৰাকীক সুস্থ কৰি তুলিব।

# মাণিকপুৰত কংগ্ৰেছ দলৰ মাণ্ডলিক সভা ঃ গৌৰৱ গগৈ

**অসম বাৰ্তা, মাণিকপুৰ, ২৭ জানুৱাৰী** ঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ উদ্যোগত আৰু বঙাইগাঁও জিলা কংগ্ৰেছৰ সহযোগত মাণিকপুৰত আজি এক গুৰুত্বপূৰ্ণ মাণ্ডলিক সভা সফলভাৱে অনুষ্ঠিত হয়। সভাখন ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত বিশেষ তাৎপৰ্য বহন কৰে বুলি কংগ্ৰেছ নেতৃত্বই মন্তব্য কৰে। এই মাণ্ডলিক সভাত অসমৰ ৯খন জিলাৰ প্ৰতিনিধিসকলৰ লগতে বহুসংখ্যক কংগ্ৰেছ নেতা, বিধায়ক আৰু দলীয় কৰ্মী উপস্থিত থাকে। সভাৰ মূল লক্ষ্য আছিল দলীয় সংগঠন শক্তিশালী কৰা, তৃণমূল পৰ্যায়ত কংগ্ৰেছক পুনৰ সক্ৰিয় কৰা আৰু আগন্তুক ৰাজনৈতিক প্ৰচাৰ- সংগ্ৰামৰ বাবে এক ঐক্যবদ্ধ কৌশল প্ৰস্তুত কৰা। সভাত উপস্থিত থকা উল্লেখযোগ্য বিধায়কসকলৰ ভিতৰত আছিল জাকিৰ হুছেইন সিকদাৰ, আব্দুল বাতিন খন্দকাৰ, প্ৰদীপ কুমাৰ সৰকাৰ, একে ৰছিদ আলম, আব্দুল ৰছিদ মণ্ডল, ওৱাজেদ আলী চৌধুৰী, আবতাপ উদ্দিন মোল্লা, আব্দুছ ছোবাহান সৰকাৰ, ড° আছিফ নাজাৰ আৰু আব্দুৰ ৰহিম আহমেদ। তদুপৰি সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ আৰু লোকসভাৰ সাংসদ ৰকিবুল হুছেইনো উপস্থিত থাকে। সভাত বক্তব্য ৰাখি প্ৰদেশ সভাপতি গৌৰৱ গগৈয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি কয় যে বৰ্তমানৰ শাসন ব্যৱস্থাত জনসাধাৰণৰ মৌলিক সমস্যা উপেক্ষিত হৈছে। মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, কৃষক- শ্ৰমিকে ভোগা সংকট, গণতান্ত্ৰিক অধিকাৰৰ সংকোচন আদি বিষয়ত কংগ্ৰেছে সদায় ৰাইজৰ কাষত থকাৰ অংগীকাৰ পুনৰ দোহাৰে। বক্তাসকলে লগতে কয় যে কংগ্ৰেছ দলক তৃণমূল পৰ্যায়ত শক্তিশালী নকৰিলে জনবিৰোধী শক্তিৰ বিৰুদ্ধে যুঁজ দিয়া কঠিন হ'ব। সেয়ে বুথ পৰ্যায়ৰ সংগঠন মজবুত কৰা, যুৱ আৰু মহিলা কৰ্মীসকলক আগবঢ়াই অনা, আৰু ৰাইজৰ সমস্যাক লৈ পথসভা- আন্দোলন জোৰদাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাৰ অন্তত কংগ্ৰেছ নেতৃত্বই ঐক্যবদ্ধভাৱে আগন্তুক দিনত অসমত গণতান্ত্ৰিক, সংবিধানৰ মূল্যবোধ ৰক্ষাৰ বাবে আৰু ৰাইজৰ স্বাৰ্থত অধিক শক্তিশালী আন্দোলন গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰে।

# ছয়গাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা; নিহত এজন

**অসম বাৰ্তা, ছয়গাঁও, ২৭ জানুৱাৰী** ঃ দক্ষিণ কামৰূপৰ ছয়গাঁৱত আজি নিশা প্ৰায় ৮-২০ বজাত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। গোৱালপাৰা অভিমুখী AS-01RC-9198 নম্বৰৰ মালবাহীট্ৰাকৰ খুণ্ডাত থিতাতে নিহত হয় এগৰাকী ব্যক্তি। AS-01, EB-7480 নম্বৰৰ মটৰচাইকেলখনত গোৱালপাৰাৰ দিশে গৈ থকা ব্যক্তি গৰাকীক পিছ ফালৰ পৰা প্ৰচণ্ড জোৰেৰে খুণ্ডা মাৰে মালবাহী ট্ৰাকখনে। যাৰ ফলত থিতাতে নিহত হয় ব্যক্তি গৰাকী। ঘটনাস্থলীত ছয়গাঁও আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখন জব্দ কৰাৰ লগতে মৃতদেহটো ছয়গাঁও আৰক্ষী থানালৈ লৈ যায়। ছয়গাঁও আৰক্ষীয়ে মৃতদেহটো ধুবুৰীৰ জাহাংগিৰ আলম (৩৫) ৰ বুলি চিনাক্ত কৰিছে।

# সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত মধ্য নসত্ৰ প্ৰাথমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকাক অৱমানন

**অসম বাৰ্তা, লেংটিছিঙা, ২৭ জানুৱাৰী** ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত মধ্য নসত্ৰ প্ৰাথমিক বিদ্যালয়ত ২৬ জানুৱাৰীত পুৱাৰ ভাগত ৭৭ সংখ্যক গণতন্ত্ৰ দিৱস উপলক্ষে জাতীয় পতাকা উত্তোলন কৰা হৈছিল যদিও আজি ২৭ জানুৱাৰী পুৱা ৮ বজালৈ ৰাষ্ট্ৰীয় পতাকাখন উৰি থাকে। আজি নিচেই ৰাতিপুৱাৰ ভাগত স্থানীয় একাংশ লোকে বিদ্যালয় খনৰ সন্মুখেদি গৈ থকা অৱস্থাত ৰাষ্ট্ৰীয় পতাকাখন উৰি থকা প্ৰত্যক্ষ কৰি প্ৰধান শিক্ষক বাপ্পি চন্দ্ৰ মণ্ডল আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিক খবৰ দিয়ে। প্ৰধান শিক্ষক বাপ্পি চন্দ্ৰ মণ্ডলে বিষয়টো খবৰ পোৱাৰ পিছতো বহু পলমকৈ বিদ্যালয়ত উপস্থিত হৈ পুৱা ৮ বজাতহে ৰাষ্ট্ৰীয় পতাকাখন অৱনমন কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে ৰাষ্ট্ৰীয় পতাকা খনক চৰম অৱমাননা কৰা বাবে স্থানীয় সচেতন ৰাইজে ক্ষোভিত হৈ পৰে। বিষয়টো প্ৰশাসনক তদন্ত মুলে বিহীত ব্যৱস্থা লোৱাৰ দাবী জনাইছে স্থানীয় সচেতন ৰাইজে।

### গীত-মাত পৰিৱেশন, কবিতা পাঠেৰে জীপাল

# নগাঁৱৰ "কলংপৰীয়া শাখা সাহিত্য সভা"ৰ প্ৰতিষ্ঠা দিৱসৰ লগতে দেশৰ "গণৰাজ্য দিৱস" উদ্‌যাপন



**অসম বাৰ্তা, পুৰণিগুদাম, ২৭ জানুৱাৰী** ঃ অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী স্বৰ্ণ শাখা নগাঁৱৰ "কলংপৰীয়া শাখা সাহিত্য সভা"ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে দেশৰ ৭৭ সংখ্যক "গণৰাজ্য দিৱস"টি কালি চকৰিগাঁওস্থিত শাখাৰ অস্থায়ী কাৰ্যালয় "হিৰন্ময় পুথিভঁৰাল"ত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা চাফাই কৰ্মৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে শাখাৰ প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰাই, ৰাষ্ট্ৰীয় পতাকা আৰু অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ক্ৰমে শাখাৰ উপসভাপতি কিৰণ কুমাৰ নেওগ আৰু সভাপতি গোলাপ বৰাই। ইয়াৰ পিছতে শাখাৰ প্ৰয়াত সভাপতি- সম্পাদক সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন-পুষ্পাঞ্জলি অৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জ্যেষ্ঠ নাগৰিক পুণিৰাম শইকীয়া আৰু লেখিকা মাধৱী দাসে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা এক বক্তৃতানুষ্ঠানত সভাপতিত্ব কৰে শাখাৰ সভাপতি গোলাপ বৰাই। শাখাৰ সম্পাদক দীপাংকৰ ভূঞাই সভাৰ উদ্দেশ্য আৰু ব্যাখ্যাৰ লগতে আঁত ধৰা অনুষ্ঠানত "কলংপৰীয়া শাখা সাহিত্য সভা"ৰ ইতিহাস সুঁৱৰি বিস্তৃতভাৱে আলোকপাত কৰে অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, লেখক পুতুল শৰ্মাই। তেওঁ শাখাৰ ইতিহাস সম্পৰ্কত তথ্য সহকাৰে বক্তব্য দাঙি ধৰি শাখাটো কৰ্মৰাজিৰ জৰিয়তে ক্ৰমে উন্নতিৰ শিখৰলৈ আৰোহণ কৰিছে বুলি মন্তব্য কৰে। সভাৰ মাজতে শাখাৰ প্ৰয়াত প্ৰাক্তন সভাপতি- সম্পাদকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বক্তব্য আগবঢ়ায় শাখাৰ যুটীয়া সম্পাদক জয়ন্ত বৰাই। উক্ত সভাতে কবিতা আবৃত্তি পাঠ কৰে ক্ৰমে বসন্ত কৌশিক ভাগৱতী, গোলাপ বৰা, ৰিণ্টু দাস, জেউতি হাজৰিকাই লগতে এটিকৈ গীত পৰিৱেশনেৰে পৰিৱেশটো অধিক জীপাল কৰি তোলে শাখাৰ উপসভাপতি দীপিকা বৰা আৰু গোলাপ বৰাই। অনুষ্ঠানত মাধৱ চন্দ্ৰ বৰা, ৰূবী বৰা, গুণকান্ত বৰা, মিত্ৰ কমল বৰা প্ৰমুখ্যে বহু সাহিত্যানুৰাগী লোকে অংশগ্ৰহণ কৰে। মূল প্ৰাকক্ষণত অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গক সুঁৱৰি শাখাৰ এটি নাহৰ পুলি ৰোপণ কৰে শাখাৰ প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰাই।

# বাইহাটা চাৰিআলি অন্তৰ্গত তুলসী খৰিকটা গাঁৱত ভিষ্মাষ্টমী তিথি উদ্‌যাপন



**অসম বাৰ্তা, বাইহাটা, ২৭ জানুৱাৰী** ঃ বাইহাটা চাৰিআলি অন্তৰ্গত তুলসী খৰিকটা গাঁৱত ৰূপালী জয়ন্তী বৰ্ষ ভিষ্মাষ্টমী তিথি উদ্‌যাপন কৰা হয়। তুলসী খৰিকটা গাঁৱৰ বায়ন চুবুৰীত অৱস্থিত বুঢ়াগোঁসাই থানত তুলসী খৰিকটা গাঁৱৰ সমূহ ৰাইজে মিলি এই ভিষ্মাষ্টমী তিথি উদ্‌যাপন কৰে। ২৫ জানুৱাৰী পৰা ২৭ জানুৱাৰীলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে এই তিথি উদ্‌যাপন কৰে। প্ৰথম দিনা কাৰ্যসূচী উপলক্ষ্যে শৰাই স্থাপন কৰাৰ লগতে চাফাই অভিযান, স্থানীয় নামতিৰ নাম প্ৰদৰ্শন কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু বিষয় বাছনি সভাৰ দ্বাৰা প্ৰথম দিনাৰ কাৰ্যসূচী সমাপন কৰে। দ্বিতীয় দিনা কাৰ্যসূচী উপলক্ষ্যে প্ৰভাত ফেৰী, ধৰ্মীয় পতাকা উত্তোলন, ৰূপালী জয়ন্তী পতাকা উত্তোলন, স্মৃতি তৰ্পণ, শ্বহিদ তৰ্পণ, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, বৃক্ষৰোপণ, পূজা, ভাগৱত পাঠ লগতে সন্ধিয়া নাগাৰা নাম প্ৰদৰ্শনৰে দ্বিতীয় দিনা কাৰ্যসূচী সমাপন কৰে। আজি হৈছে এই তিথি উদযাপন অনুষ্ঠানৰ শেষৰটো দিন। শেষ দিন উপলক্ষে এই অনুষ্ঠানৰ মুখ্য কাৰ্য্যসূচী হিচাপে দিনৰ ভাগত এটি বিশাল সাংস্কৃতিক শোভাযাত্ৰা কৰা হয়। এই শোভাযাত্ৰাত তুলসী খৰিকটা গাঁৱৰ সমূহ ধৰ্মপ্ৰাণ ৰাইজ একত্ৰিত হয়। লগতে খেল-ধেমালি প্ৰতিযোগিতা আৰু ওজাপালি প্ৰদৰ্শন কৰা হয়। সন্ধিয়া ছুপাৰষ্টাৰ প্ৰতিযোগিতাৰ লগতে নিশা জনপ্ৰিয় কণ্ঠশিল্পী গণদ্বীপ কাকতিৰ লগতে পিংকি প্ৰিয়মৰ গীতৰ শৰাইৰে শেষ দিনাৰ কাৰ্যসূচী সমাপন কৰা হয়।

### পূৰ্বতকৈ শক্তিৰূপ লৈছে অগপই ঃ আক্ৰাম আলী

# অগপৰ ঘৰ-ঘৰ যাত্ৰা কাৰ্যসূচী

**অসম বাৰ্তা, কোকিলা, ২৭ জানুৱাৰী** ঃ সমাগত বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰতিটো দলেই কঁকালত টঙালি বান্ধি থিয় দিছে। একেদৰে পিছ পৰি থকা নাই অসম গণ পৰিষদ দল। আজি বঙাইগাঁও জিলাৰ ১৭নং সৃজনগ্ৰাম সমষ্টিৰ অন্তৰ্গত গোলাপাৰা ইছলাম বজাৰত অসম গণ পৰিষদ দলৰ গোলাপাৰা আঞ্চলিকৰ সৌজন্যত গোলাপাৰা ইছলাম বজাৰত কোকিলা জিলা পৰিষদ ভিত্তিক বুথ সন্মিলন সম্পৰ্কে আলোচনা সভা অনুষ্ঠিত হয়। সভাৰ সভাপতিত্ব কৰে আব্দুল হকে। আব্দুল হকৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উপস্থিত থাকে অসম গণ পৰিষদ দলৰ পৰা সৃজনগ্ৰাম সমষ্টিৰ পৰা ২০২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদন্দিতা আগবঢ়াবৰ বাবে প্ৰস্তুতি চলোৱা কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সদস্য তথা ১৭ নং সৃজনগ্ৰাম সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰত্যাশী ছাহিদুল হক, সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত ছাহিদুল হকে কয় যে সমষ্টি খনত বান, গৰাখহনীয়া, শিক্ষা-দীক্ষা, বাট-পথৰ ক্ষেত্ৰত যথেষ্ট পিছ পৰা। পূৰ্বৰ যি সকল বিধায়ক আছিল তেখেতে এইবোৰ সমসা গুৰুত্বসহকাৰে লৈ সমাধান নকৰাৰ ফলত আজিও যমৰ যাতনাত ভুগিছে সমষ্টিবাসী ৰাইজ। সেয়ে উক্ত সমস্যাবোৰ চৰকাৰৰ সৈতে আলোচনা মৰ্মে স্থায়ী সমাধানৰ বাবে চেষ্টাৰ ত্ৰুটি নকৰিব বুলি জানিবলৈ দিয়ে। সভাত আৰু উপস্থিত থাকে অগপ দলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আমজাদ আলী, বঙাইগাঁও জিলা কমিটিৰ সম্পাদক ৰহিজুল ইছলাম, উপঃ সভাপতি ওমৰ আলী, সম্পাদক দ্বয় আনিচুল চৌধুৰী আৰু আক্ৰাম আলী, তথ্য আৰু প্ৰযুক্তি সম্পাদক খনিন বৰ্মন, সাংগঠনিক সম্পাদক মহাছিন আহমেদ লগতে আঞ্চলিকৰ সভাপতি সম্পাদক সকল আৰু যুৱ পৰিষদৰ বিষয়ববীয়া সকল। সভাত ভাষণ প্ৰসংগত বঙাইগাঁও জিলা কমিটিৰ সম্পাদক ৰহিজুল হকে কয় যে সকলোৱে ঐক্যবদ্ধভাৱে কাম কৰিলে এইবাৰ সৃজনগ্ৰাম সমষ্টি নিশ্চয় উদ্ধাৰ কৰিব পৰা যাব আৰু এছ আৰত BLA /BLO সহায় কৰাৰ বাবে আহ্বান জনায়। একেদৰে ভাষণ প্ৰসংগত সমষ্টি কমিটিৰ সম্পাদক আক্ৰাম আলিয়ে কয় যে অগপৰ ঘৰ-ঘৰ যাত্ৰা যাতে সফল হ'ব পাৰে তাৰ বাবে সকলো পৰ্যায়ৰ দলীয় কৰ্মীয়ে যাতে নিষ্ঠাৰে কাম কৰে আৰু কয় যে নিজৰ নিজৰ বুথৰ যি সকল জ্যেষ্ঠ ব্যক্তি আছে সেই সকলক সাক্ষাৎ কৰি দিহা পৰামৰ্শ গ্ৰহণ কৰা আৰু দলৰ নীতি আদৰ্শ সম্পৰ্কে জ্ঞাত কৰা প্ৰতিটো প্ৰতিজন কৰ্মীয়ে যাতে দায়িত্ব সহকাৰে লয় লগতে বহুকেইটা গুৰুত্বপুৰ্ণ মন্তব্য আগবঢ়ায়। ২৬ৰ বিধান সভা নিৰ্বাচনত অগপ দলক অধিক শক্তিশালী ৰূপত থিয় কৰোৱাৰ বাবে প্ৰতিজন অগপ কৰ্মী সৈনিকৰ ভূমিকা পালন কৰিব লাগিব বুলি উল্লেখ কৰে। সভাত উপস্থিত থাকে প্ৰতিটো আঞ্চলিক সমিতিৰ সভাপতি আৰু সম্পাদকৰ লগতে জ্যেষ্ঠ কৰ্মী সকল। প্ৰতিটো আঞ্চলিক সমিতি যাতে সক্ৰিয় হৈ দলক আগুৱাই লৈ যাব পাৰে আৰু অসমত চলি থকা এছ আৰত যাতে কোনো দুখীয়া আৰু প্ৰকৃত নাগৰীক হাৰাশাস্তি নহয় তাৰ বাবে দলীয় কৰ্মী সকলক সচেতন হৈ থাকিবলৈ আহ্বান জনায় দলীয় নেতৃবৃন্দই। ২০২৬ত সৃজনগ্ৰাম সমষ্টিখন কেনেকৈ কংগ্ৰেছৰ দখলৰ পৰা উদ্ধাৰ কৰিব পৰা যায় তাৰ বাবে পৰামৰ্শ গ্ৰহণ কৰে দলীয় কৰ্মী সকলোৰ পৰা। যিহেতু নিৰ্বাচন সমাগত সেয়ে নিৰ্বাচনত অধিক শক্তিৰূপত থিয় দিয়াৰ বাবে প্ৰতিটো জিলা পৰিষদ সমষ্টিত বুথ সন্মিলন অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে সভাত। ইফালে আইটি চেলৰ সম্পাদক - ফণিন বৰ্মণে গুৰুত্বপুৰ্ণ মন্তব্য আগবঢ়াই কয় যে প্ৰতিটো বুথে যাতে প্ৰতি গৰাকী পৰিয়ালক সাক্ষাৎ কৰি সেই পৰিয়ালবোৰে সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কে বুজ লয় আৰু সেইবোৰ সমস্যা দলীয় নেতৃত্বৰ সৈতে আলোচনা কৰি সমাধানৰ পথ উলিয়াব পাৰি সেই বিষয়ে বিতং আলোচনা কৰে লগতে প্ৰতিজন কৰ্মীক সামাজিক মাধ্যমত সক্ৰিয় হোৱাৰ বাবে আহ্বান জনায়। সভাৰ শেষত ছাহিদুল হকে প্ৰতিজন দোকানীক সাক্ষাৎ কৰি আশীস বিচাৰে।

# বিশিষ্ট কবি কল্পনা দেৱী গোস্বামীৰ গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা, ডবকা, ২৭ জানুৱাৰী** ঃ হোজাই লক্ষ্মীনাথ বেজবৰুৱা ভৱনত শনিবাৰে অনুষ্ঠিত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিৱেশনৰ মুকলি সভাত বিশিষ্ট কবি কল্পনা দেৱী গোস্বামীৰ দ্বাৰা ৰচিত "সুবাস" নামৰ কাব্যগ্ৰন্থখনি বিশিষ্ট সাহিত্যিক ড° শৰৎ চন্দ্ৰ বৰকটকীয়ে উন্মোচন কৰে। উল্লেখ্য যে কবি গৰাকীৰ এইখন পঞ্চমখন কাব্যগ্ৰন্থ। ইতিমধ্যে জ্যেষ্ঠ কবি গৰাকীয়ে লেখা মেলাৰ জৰিয়তে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁ ইতিমধ্যে "তলসৰাবকুল (১৯৮৭ চন)", "সৰা শেৱালিৰ সুবাস (২০০৪ চন)", "সৰাপাতৰ উচুপনি (২০২০ চন)", "দুবৰিত সৰা নিয়ৰ মুকুতা (২০২১ চন)" নামেৰে চাৰিখন কাব্যগ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। কাব্যগ্ৰন্থৰ উপৰিও গোস্বামীয়ে "নামে গঙ্গাজল (২০০৬ চন)" আৰু "অমিয়া মাধুৰী (২০১৯ চন)" নামেৰে দুখন নামৰ পুথিও সংকলিত কৰি উলিয়াইছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ, হোজাই শাখাৰ মুখ্য পত্ৰ বাৰ্ষিক আলোচনী "মন্দাকিনী (১৯৮৭ চন)"ত সম্পাদিকাৰ দৰে গুৰু দায়িত্ব পালন কৰা গোস্বামীয়ে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ জৰিয়তে বিভিন্ন গল্প, স্বৰচিত কবিতা পাঠ কৰাৰ উপৰিও বিভিন্ন কাকত-আলোচনী আদিত তেখেতৰ প্ৰায় তিনিশতাধিক বিভিন্ন বিষয়ৰ প্ৰবন্ধ-পাতি, গল্প, কবিতা আদি প্ৰকাশিত হৈছে। তদুপৰি তেখেতৰ "প্ৰবন্ধমালা" নামেৰে এখন গ্ৰন্থ প্ৰায় প্ৰকাশৰ পথত বুলি জানিব পৰা গৈছে।

# ধুবুৰী গোলকগঞ্জ বিৰাট নগৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ভাৰতীয় জনতা যুৱ মৰ্চা যুৱ বুথ সন্মিলন

**অসম বাৰ্তা, আগমনি, ২৭ জানুৱাৰী** ঃ আমি না পাহৰিছো না পাহৰিব পাৰিম ২০০১ চনৰ পৰা ২০১৬ চনলৈকে কংগ্ৰেছে কৰা আমাৰ যুৱ প্ৰজন্মৰ কৰা অত্যাচাৰৰ কথা, আমাৰ খিলঞ্জীয়া ৰাইজ তথা হিন্দুৰ ওপৰত হোৱা অত্যাচাৰৰ কথা, না আমি পাহৰিব পাৰিম কংগ্ৰেছৰ দিনত হোৱা দুৰ্নিতীবোৰৰ কথা, আমি এইবোৰ কথা ৰাইজ আৰু যুৱ প্ৰজন্মৰ ওচৰলৈ লৈ যাব লাগিব ২০১৬ চনৰ পিছত আমাৰ যুৱ প্ৰজন্মই স্বপোন দেখিবলৈ আৰম্ভ কৰিছে আৰু এগৰাগী দিন হাজিৰা কৰা, ঠেলাচালকৰ পৰিয়ালেও যোগ্যতাৰ ভিত্তিত চাকৰি পাইছে কিন্তু কংগ্ৰেছৰ দিনত যাৰ টকা আছে তেওহে চাকৰি পাইছিল কিন্তু বিজেপিৰ দিনত যাৰ মাথা আছে তেওঁহে স্বচ্ছতাৰ জৰিয়তে চাকৰি পাইছে। আজি ধুবুৰী গোলকগঞ্জ বিৰাট নগৰ ছিনিয় ছেকেণ্ডাৰী স্কুল খেল পথাৰত ধুবুৰী জিলা ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত অনুষ্ঠিত যুৱ বুথ বাহিনী সন্মিলনত অংশগ্ৰহণ কৰি যুৱ মৰ্চাৰ অসম ৰাজ্যিক সভাপতি ৰাকেশ দাসে ভাষণ প্ৰসংগত এনে দৰে কয়। আজিৰ সভাত চাৰিখন কৈ মণ্ডলৰ প্ৰায় চাৰিশটাকৈ বুথৰ সভাপতি সম্পাদক আৰু সদস্য উপস্থিত হয়। উক্ত যুৱ বুথ সন্মিলনত গোলকগঞ্জৰ প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ, বিজেপিৰ ধুবুৰী জিলা সভাপতি ৰঞ্জিৎ ৰায়, যুৱমৰ্চাৰ ধুবুৰী জিলা সভাপতি সৌৰভ দে, যুৱমৰ্চাৰ ধুবুৰী জিলা উপ সভাপতি কৃপেশ শ্বা, বিজেপিৰ ধুবুৰী জিলা উপ সভাপতি দেবব্ৰত সিংহ, বিজেপিৰ ধুবুৰী জিলা সম্পাদক কমলাকান্ত ৰায়, বিজেপিৰ গোলকগঞ্জ মণ্ডল সভাপতি গোবিন্দ অধিকাৰী সহ সমূহ কাৰ্য্যকৰ্তা, কেইবা গৰাকীও বিজেপিৰ জেষ্ঠ কাৰ্য্যকৰ্তা সহ যুৱ বুথ বাহিনীৰ সমূহ কৰ্মকৰ্তা উপস্থিত থাকে। আগন্তুক বিধানসভা নিৰ্বাচনক লৈ উক্ত যুৱ বুথ বাহিনী সন্মিলনত গুৰুত্বপূৰ্ন সংকল্প গ্ৰহণ কৰে।

# কৃষি বিপ্লৱৰ অন্য এক নিদৰ্শ; আপেল বগৰীৰ খেতিৰে স্বাবলম্বী ধেমাজি এজন যুৱ কৃষক

**অসম বাৰ্তা, ধেমাজি, ২৭ জানুৱাৰী** ঃ সেউজী ধৰণীত সেউজীয়া ফলমুলে ধেমাজি জিলাৰ জীয়াঢ়ল নৈৰ দাঁতিত কৃষি বিপ্লৱৰ সূচনা কৰি এক নিদৰ্শন দাঙি ধৰিছে এজন আদৰ্শ কৃষক ফুলেন বৰফুকন নামৰ এজন যুৱকে। যুৱ কৃষক বৰফুকনে প্ৰায় ১০ৰ পৰা ১৫ বিঘা ভুমিত কৰিছে আপেল বগৰী আৰু বিভিন্ন খেতি। চৰকাৰি চাকৰিক প্ৰত্যাহ্বান হিচাপে লৈ নিজে এইদৰে আপেল বগৰীৰ খেতিৰে স্বাৱলম্বী হোৱাৰ উপৰি সংস্থাপন দিছে নিৱনুৱা লোকক। উল্লেখ্য যে কুলেন বৰফুকন এগৰাকী সংগীত শিল্পী হোৱাৰ উপৰিও এই আপেল বগৰীৰ খেতিৰ পৰাই ধেমাজি বিভিন্ন বজাৰ দশল কৰিবলৈ সক্ষম হৈছে। আৰু তেখেতৰ এই ফলমুলৰ চাহিদা এতিয়া ধেমাজিৰ বজাৰে বজাৰে। আপেল বগৰীকে ধৰি বিভিন্ন ফলমুল শাকপাচলি বজাৰত বিক্ৰী কৰি বৰফুকনে বছৰি উপাৰ্জন কৰে ১-২ লাখ টকা পৰ্যন্ত। লক্ষণীয় কথাটো হ'ল যে বৰফুকন এজন আদৰ্শ কৃষক হোৱাৰ বিপৰীতে কিন্তু আজিকোপতি অসম চৰকাৰৰ কৃষি বিভাগৰ পৰা লাভ কৰা নাই কোনো চৰকাৰি সা-সুবিধা তথা আৰ্থিক অনুদান। উল্লেখ্য যে, বৰফুকনেয়ে নিবনুৱা সমস্যাই গ্ৰাস কৰা ৰাজ্যৰ নিবনুৱাৰ বাবে ধেমাজিৰ জিয়াঢ়ল মুখৰ এইজন কুলেন বৰফুকন সঁচাই এক আদৰ্শ।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন